GJMC S3 01 (M/P)

সংবাদ মাধ্যমৰ ইতিহাস

তৃতীয় ষাণ্মাসিক

সাংবাদিকতা আৰু গণসংযোগ

খণ্ড ঃ ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞমণ্ডলী

(১) অধ্যাপক কে.ভি. নাগৰাজ, প্ৰাক্তন অধ্যাপক, গণসংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়
(২) অধ্যাপক অভিজিত বৰা, মুৰব্বী, গণসংযোগ আৰু সাংবাদিক বিভাগ,তেজপুৰ বিশ্ববিদ্যালয়
(৩) ড° অংকুৰণ দত্ত, সহযোগী অধ্যাপক তথা মুৰব্বী, সংযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
(৪) ড° খ কাবি, সহযোগী অধ্যাপক তথা মুৰব্বী, গণসংযোগ বিভাগ, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অৰুণাচল প্ৰদেশ

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° তৃষা দুৱৰা বৰুৱা, আৰু ড° জুৰি হাজৰিকা, ভূপেন হাজৰিকা গণসংযোগ সত্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

স্ব-শিকন সামগ্ৰী প্ৰস্তুতকাৰী দল

অধ্যায়	*লেখক*
৮	প্ৰতাপ বৰদলৈ, ভাৰতীয় তথ্য সেৱা বিষয়া (অৱসৰপ্ৰাপ্ত) চিকিম বিশ্ববিদ্যালয়, গেংটক
৯	নীহাৰিকা বুঢ়াগোঁহাই, সহকাৰী অধ্যাপক, গণ সংযোগ বিভাগ, চিকিম বিশ্ববিদ্যালয়
১০	তপন দত্ত, অনুষ্ঠান কাৰ্যবাহী, আকাশবাণী, গুৱাহাটী
১১, ১৩, ১৪, ১৫	ড° তৃষা দুৱৰা বৰুৱা, কৃকাসৰামুবি
১২	অঞ্জুমন বৰা, সহকাৰী অধ্যাপক, গণসংযোগ আৰু সাংবাদিকতা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়

সম্পাদক মণ্ডলী ঃ

বিষয়বস্তু (ইংৰাজী সংস্কৰণ)ঃ অধ্যাপক কে. ভি. নগেৰাজ, গণ সংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়
ভাষা সম্পাদনা ঃ সপোন দুৱৰা, শৈক্ষিক বিষয়া (অৱসৰপ্ৰাপ্ত), অসম ৰাজ্যিক শিক্ষা বোৰ্ড, ৰেক্টৰ আইকন একাডেমী (বৰ্তমান)

গাঁথনিক সম্পাদনা ঃ ড° তৃষা দুৱৰা বৰুৱা, আৰু ড° জুৰি হাজৰিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ মে', ২০১৮

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিকন সামগ্ৰী (SLM) বোৰ এক Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) ৰ অধীনত উপলব্ধ ঃ http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

মুখ্য কাৰ্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
নগৰ কাৰ্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদ**ৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

স্নাতক কলা
সংবাদ মাধ্যমৰ ইতিহাস
খণ্ড-২
পাঠ্যক্রমৰ বিৱৰণ

পৃষ্ঠা নং

অধ্যায় ৮ ঃ **আলোকচিত্রৰ ইতিহাস** **১২৯ - ১৪২**

আলোকচিত্রৰ ধাৰণা, আলোকচিত্রৰ ইতিহাস, কেমেৰা-কাৰিকৰী বিকাশ, কাৰিকৰী ধাৰণা, চিত্র সাংবাদিকতা, আলোকচিত্রৰ সৈতে জড়িত ন্যায়িক সমস্যাসমূহ

অধ্যায় ৯ ঃ **কথাছবিৰ ইতিহাস** **১৪৩ - ১৫৮**

কথাছবিৰ বৈশিষ্ট্য, গতিশীল ছবিৰ ইতিহাস-লুমিয়েৰ ভ্রাতৃদ্বয় হলিউড, ভাৰতত কথাছবি- দাদা চাহেব ফাল্কেৰ অৱদান, নিৰ্বাক কথাছবিৰ যুগ, সবাক কথাছবিৰ যুগ, আঞ্চলিক কথাছবি অসমীয়া কথাছবি

অধ্যায় ১০ ঃ **ৰেডিঅ'ৰ ইতিহাস** **১৫৯ - ১৭৮**

ৰেডিঅ' কি, বৈশিষ্ট্য, ৰেডিঅ' সম্প্রচাৰৰ ইতিহাস বিশ্ব তথা ভাৰতত ৰেডিঅ'ৰ বিকাশ আৰু উন্নতি, এফ এম আৰু সামূহিক ৰেডিঅ'

অধ্যায় ১১ ঃ **ভাৰতত সামূহিক ৰেডিঅ'ৰ বিকাশ** **১৭৯ - ১৯৪**

সামূহিক ৰেজিঅ'ৰ ধাৰণা, ভাৰতত এটা সামূহিক ৰিডিঅ' সেৱা গঠনৰ দিক্ নির্দেশনা, ভাৰত আৰু উত্তৰ-পূব ভাৰতত সামূহিক ৰেডিঅ'ৰ বিকাশ আৰু উন্নতি

অধ্যায় ১২ ঃ **টেলিভিছনৰ ইতিহাস** **১৯৫ - ২০৬**

টেলিভিছন মাধ্যমৰ পৰিচয়, বিশ্বত টেলিভিছন সেৱাৰ আৰম্ভণি, ভাৰতত টেলিভিছনৰ বিকাশ, দূৰদর্শন আৰু চ'প ধাৰাবাহিকৰ যুগ

অধ্যায় ১৩ ঃ **এটা অনাতাঁৰ কেন্দ্র () দর্শন (ব্যৱহাৰিক কর্মভিত্তিক অধ্যায়)** **২০৭**

এটা ৰেডিঅ' ষ্টেশ্যন (অনাতাঁৰ কেন্দ্র) দর্শন কৰক। সমগ্র কর্ম পৰিৱেশটো বিশ্লেষণ কৰক। চাক্ষুস দর্শন আৰু প্রদত্ত নীতি-নির্দেশনাৰ ভিত্তিত এখন বিতং প্রতিবেদন প্রস্তুত কৰক। নির্ধাৰিত সময়ৰ ভিতৰত জমা দিয়ক।

অধ্যায় ১৪ঃ কথাছবি পুনৰীক্ষণ (ব্যৱহাৰিক কর্মভিত্তিক অধ্যায়) ২০৮ - ২১১

অধ্যায়ত দিয়া নির্দেশনা অনুসৰণ কৰি কোনো এখন কথাছবি সম্পর্কে এখন মৌলিক ৰচনা লিখক। ৰচনাৰ মান অনুসৰি নম্বৰ দিয়া হ'ব।

অধ্যায় ১৫ঃ আলোকচিত্র (ব্যৱহাৰিক কর্মভিত্তিক অধ্যায়) ২১২ - ২১৩

অধ্যায়ত দিয়া নির্দেশনা অনুসৰণ কৰি বিভিন্ন বিষয়বস্তুৰ আলোকচিত্র তুলি নিজৰ সৃজনশীল দিশটোঅন্বেষণ কৰক।

খণ্ড পৰিচয় ঃ

'সংবাদ মাধ্যমৰ ইতিহাস' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো দ্বিতীয় খণ্ড। এই খণ্ডটোত অন্তৰ্ভুক্ত কৰা অধ্যায় ৮ টাৰ চমু বিৱৰণী খণ্ড। এই খণ্ডটোত অন্তৰ্ভুক্ত অধ্যায় ৮ টাৰ চমু বিৱৰণী তলত উল্লেখ কৰা হ'ল-

'সংবাদ মাধ্যমৰ ইতিহাস' শীৰ্ষক পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডৰ প্ৰথম অধ্যায় **আলোকচিত্ৰৰ ইতিহাস**। এই অধ্যায়ত আলোকচিত্ৰৰ ধাৰণা, ইতিহাস আৰু চিত্ৰসাংবাদিকতাৰ বিকাশ সম্পৰ্কে আলোচনা কৰা হৈছে। সময়ৰ সৈতে হোৱা কেমেৰাৰ কাৰিকৰী বিকাশ, বিভিন্ন কাৰিকৰী দিশ আৰু আলোকচিত্ৰৰ সৈতে জড়িত বিভিন্ন ন্যায়িক সমস্যা হ'ল অধ্যায়টোত আলোচনা কৰা অন্য কিছুমান বিষয়।

কথাছবিৰ ইতিহাস খণ্ডটোৰ হ'ল দ্বিতীয় অধ্যায়। ইয়াত কথাছবিৰ বৈশিষ্ট্যসমূহ বহলাই বৰ্ণনা কৰাৰ লগতে গতিশীল প্ৰতিচছবিৰ ইতিহাস, লুমিয়েৰ ভ্ৰাতৃদ্বয়ৰ অৱদান আৰু হলিউড সম্পৰ্কে আলোচনা কৰা হৈছে। অধ্যায়টো পঢ়ি আপুনি ভাৰতৰ লগতে উত্তৰ-পূৰ্বাঞ্চল, বিশেষকৈ অসমত হোৱা কথাছবিৰ বিকাশ সম্পৰ্কেও জানিব পাৰিব।

ৰেডিঅ'ৰ ইতিহাস অধ্যায়টোৱে আপোনাক ৰেডিঅ'ৰ ধাৰণা, ইয়াৰ বৈশিষ্ট্য, বিশ্ব তথা ভাৰতত ৰেডিঅ' অনুষ্ঠান সম্প্ৰচাৰৰ ইতিহাস আদি জনাত সহায় কৰিব। অধ্যায়টোত এফ এম ৰেডিঅ' আৰু সামূহিক ৰেডিঅ'ৰ ধাৰণা দুটাও আলোচনা কৰা হৈছে।

ভাৰতত সামূহিক ৰেডিঅ'ৰ বিকাশ অধ্যায়টো পঢ়ি আপুনি সামূহিক ৰেডিঅ'ৰ ধাৰণাটোৰ লগতে এনে ৰেডিঅ' স্থাপন কৰিবলৈ ভাৰতে গ্ৰহণ কৰা নিৰ্দেশাৱলীৰ বিষয়ে জানিব পাৰিব। দেশত সামূহিক ৰেডিঅ'ৰ বিকাশ আৰু অগ্ৰগতি তথা উত্তৰ-পূব ভাৰতত সামূহিক ৰেডিঅ'ৰ স্থিতি সম্পৰ্কেও আপুনি অধ্যায়টোত পঢ়িবলৈ পাব।

টেলিভিছনৰ ইতিহাস অধ্যায়টোত টেলিভিছন মাধ্যমটোৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। বিশ্বৰ টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰৰ আৰম্ভণি, ভাৰতত টেলিভিছন সেৱাৰ আৰম্ভণি, দূৰদৰ্শন আৰু চ'প ধাৰাবাহিকৰ যুগ আদি হ'ল অধ্যায়টোত আলোচনা কৰা আন বিষয়।

এটা অনাতঁৰ কেন্দ্ৰ দৰ্শন এটা ব্যৱহাৰিক কৰ্মভিত্তিক অধ্যায়। ইয়াত শিক্ষাৰ্থীক এটা অনাতাঁৰ কেন্দ্ৰ দৰ্শন কৰি উঠাৰ পাচত প্ৰতিবেদন এখন কেনেদৰে প্ৰস্তুত কৰিব লাগিব তাৰ নিৰ্দেশনা দিয়া আছে। এই অধ্যায়টোৱে শিক্ষাৰ্থীক অনাতাঁৰ কেন্দ্ৰ এটাৰ কাম-কাজ সম্পৰ্কে প্ৰত্যক্ষ অভিজ্ঞতা আহৰণত সহায় কৰিব। ইয়াৰ উপৰি, অধ্যায়টোৱে শিক্ষাৰ্থীক ভৱিষ্যতে কোনো সংবাদ মাধ্যম প্ৰতিষ্ঠানৰ কৰ্ম পৰিৱেশত খাপ খাব পৰাকৈ প্ৰয়োজনীয় কথাবোৰ বুজাতো সহায় কৰিব।

কথাছবি পুনৰীক্ষণ (ব্যৱহাৰিক কৰ্মভিত্তিক অধ্যায়) অধ্যায়টোৱে আপোনাক কথাছবি এখন কেনেদৰে পুনৰীক্ষণ কৰে তাৰ নীতি-নিয়মবোৰ বুজাত সহায় কৰিব। অধ্যায়টো পঢ়ি আপুনি নিজাকৈ কথাছবি পুনৰীক্ষণ কৰিবলৈ শিকিব।

আলোকচিত্ৰ (ব্যৱহাৰিক কৰ্মভিত্তিক অধ্যায়) অধ্যায়ত আপুনি আলোকচিত্ৰৰ সৃজনাত্মক পৃথিৱীখনৰ আভাস পাব। অধ্যায়টোত নিজাকৈ আলোকচিত্ৰ তুলিব পৰাকৈ আপোনাৰ বাবে বিভিন্ন নিৰ্দেশনা সন্নিৱিষ্ট কৰা হৈছে।

অধ্যায় ৮ ঃ আলোকচিত্রৰ ইতিহাস

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ আলোকচিত্রৰ ধাৰণা
৮.৪ ইতিহাস
৮.৫ কেমেৰা- যুগৰ সৈতে হোৱা কাৰিকৰী বিকাশ
৮.৬ কাৰিকৰী ধাৰণাসমূহ
৮.৭ ফটো সাংবাদিকতাৰ ধাৰণা আৰু ইয়াৰ কিছুমান বিকাশ
৮.৮ ইয়াৰ সৈতে জড়িত কিছুমান আইনগত অসুবিধা/সমস্যা
৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১০ অধিক জানিবলৈ
৮.১১ অগ্রগতিৰ খতিয়ান
৮.১২ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি—

- আলোকচিত্রৰ বিভিন্ন প্রকাৰ বুজি পাব
- আলোকচিত্রৰ শ্রেণীবিভাজন কৰিব পাৰিব
- আলোকচিত্রৰ ইয়াৰ সৈতে জড়িত মানবোৰ বিশ্লেষণ কৰিব পাৰিব
- আলোকচিত্রৰ উৎসবোৰৰ নামকৰণ কৰিব পাৰিব
- আলোকচিত্রৰ কোনো এখন বিশেষ ফটোগ্রাফৰ উদ্দেশ্য আৰু মৌলিকতা ব্যাখ্যা কৰিব পাৰিব।

৮.২ পৰিচয়

মানুহৰ প্রকৃতি, আচাৰ-আচৰণ আৰু কাম-কাজৰ ধৰণ সলনি তথা বিকশিত হোৱাৰ লগে লগে কেমেৰাৰ ব্যৱহাৰ আৰু ফটোগ্রাফীৰ সৈতে জড়িত মানবোৰৰ উদ্দেশ্যও বহুমুখী হৈ পৰিছে। ব্যৱসায়িক খণ্ড, বিজ্ঞানভিত্তিক পৰীক্ষা-অনুসন্ধান, কলা, সংস্কৃতি আদি সকলো দিশতে হোৱা অভূতপূর্ব বিকাশে ফটোগ্রাফীকো বিকাশৰ সর্বোচ্চ স্তৰত উপনীত কৰাইছে। এই অধ্যায়ত আপোনালোকে ন-শিকাৰু ৰূপে কেমেৰা আৰু ফটোগ্রাফীৰ বিষয়ে শিকাৰ লগতে ফটোগ্রাফীৰ বৃত্তিগত মানবোৰ বুজাৰ সুযোগো লাভ কৰিব।

আশা কৰোঁ, ফটোগ্রাফীৰ সৈতে জড়িত আটাইবোৰ ধাৰণাৰ বিষয়ে অৱগত হোৱাৰ পাছত আপোনালোকে কেমেৰা আৰু ফটোগ্রাফী সম্পৰ্কীয় বিষয়বোৰত দখলৰ পৰিচয় দিব পাৰিব আৰু কেমেৰা তথা ফটোগ্রাফীক ভাষা বুজাত মনোযোগ দিব পাৰিব।

অধ্যায়টিত ফটোগ্রাফী বিষয়টোৰ সৈতে জড়িত বিভিন্ন দিশ সম্পৰ্কে এক স্পষ্ট ছবি দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। পোন প্ৰথমে ফটোগ্রাফীৰ ধাৰণাটো বহলকৈ আলোচনা কৰোঁ আহক!

৮.৩ ফটোগ্রাফীৰ ধাৰণা

আমাৰ দৈনন্দিন জীৱন আৰু কৰ্ম পৰিৱেশত বিভিন্ন সময়ত ফটোগ্রাপীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ইয়াৰ উপৰি বৰ্তমানৰ সংবাদ মাধ্যম জগতৰো ই এক অবিচ্ছেদ্য অংগত পৰিণত হৈছে। আপুনি যি খণ্ডতেই কৰ্মৰত নহওক কিয়, এগৰাকী বৃত্তিজীৱি আলোকচিত্রকাৰ হিচাপে আপুনি বৃত্তিটোৰ চালিকা যন্ত্ৰ কেমেৰা, ফটোগ্রাফীৰ মান আৰু ফটোগ্রাফীৰ ভাষা বুজি পাব লাগিব। আলোকচিত্রকাৰ হিচাপে আপুনি (SHOT) মানে কি, শ্বট কেই প্ৰকাৰৰ, ফটোগ্রাফীৰ 'কালাৰ' (Colour) মানে কি, ডিজিটেল ফটোগ্রাফী কাক বোলা হয়, ফটোগ্রাফীৰ ব্যৱসায়ীক আৰু বৃত্তিগত মান, সামাজিক আৰু সাংস্কৃতিক প্ৰয়োগ আৰু ফটোগ্রাফীৰ লগত জড়িত স্থানীয় আইন-কানুনবোৰ জানিব লাগিব।

ফটোগ্রাফাৰ হিচাপে মনত ৰাখিবলগীয়া আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল বিশ্বত ঘটি থকা সকলো সাধাৰণ বিষয় আৰু ঘটনা সংবাদ মাধ্যমৰ বাবে উপযুক্ত দৈনিক ফটোগ্রাফীৰ বিষয়বস্তু নহ'বও পাৰে। প্ৰচাৰ মাধ্যমৰ বাবে তোলা ফটোগ্রাফবোৰৰ এটা নিৰ্দিষ্ট দিনভিত্তিক মূল্য থকাৰ উপৰি সংবাদৰ শিৰোনাম হোৱা নিৰ্দিষ্ট ঘটনা অথবা কাম-কাজৰ সৈতে সম্পৰ্ক থকা বিষয়ৰ কিছুমান উপাদান ফটোগ্রাফ এখনত উপস্থিত থাকিব লাগিব।

একাধিক কাৰিকৰী উদ্ভাৱনৰ সংমিশ্ৰণেই হ'ল ফটোগ্রাফী। এখন ফটোগ্রাফ কলা আৰু বিজ্ঞানৰ সুষম প্ৰয়োগ। ই হ'ল ৰেক'ৰ্ডিং পদ্ধতিৰে প্ৰতিচ্ছবি সৃষ্টি কৰাৰ অনুশীলন। ৰেক'ৰ্ডিং কৰিবৰ বাবে পোহৰ, ভিন ভিন বিদ্যুৎ-চুম্বকীয় অৱস্থা (Variations), ফটোগ্রাফিক ফিল্ম, ইমেজ সংবেদী সঁজুলি অথবা ফিল্মত নিগেটিভ ইমেজ সৃষ্টি কৰি লোৱা আদি বিভিন্ন উপাদান তথা কাম-কাজৰ সহায় লোৱা হয়। এই আটাইবোৰৰ সহায়ত সৃষ্ট প্ৰতিচ্ছবি এখনক কাগজত ছপা কৰি উলিওৱা হয়। ছপা প্ৰতিচ্ছবিখনৰ আকাৰ প্ৰয়োজন অনুসৰি সৰু-ডাঙৰ কৰি লোৱা হয়।

'ফটোগ্রাফী' শব্দটো গ্ৰীক ভাষাৰ পৰা আহিছে। ফটোজ মানে হ'ল 'পোহৰ আৰু ৰেখা'। অৰ্থাৎ, 'ৰেখাৰে কৰা উপস্থাপন' অথবা 'একেলগে অংকণ কৰা'। ফটোগ্রাফী বুলিলে 'পোহৰৰ সহায়ত আঁকা' ছবিৰ কথা বুজোৱা হয়।


৮.৪ ফটোগ্রাফীৰ ইতিহাস

১৮৩৯ চনৰ ২৫ ফেব্রুৱাৰীত প্রকাশিত 'Vossiche Zeitung' নামৰ জার্মান বাতৰি কাকতখনৰ মতে বার্লিনৰ এগৰাকী জ্যোর্তিবিজ্ঞানী জোঁৱান ভন মিডলাৰে (Johan Von Maedler) পোন প্রথমবাৰৰ বাবে 'ফটোগ্রাফী' শব্দটো ব্যৱহাৰ কৰিছিল। ইয়াৰ এমাহ পাছতেই ১৪ মার্চৰ দিনা ছাৰ জন হার্শেলে লণ্ডনৰ ৰ'য়েল ছোছাইটিত প্রদান কৰা এটা ভাষণত 'ফটোগ্রাফী' শব্দটো ব্যৱহাৰ কৰিছিল।

খৃষ্টীয় চতুর্থ আৰু পঞ্চম শতিকাত গ্রীক গণিতজ্ঞ এৰিষ্ট'টল আৰু ইউক্লিডে এটা পিনহোল কেমেৰা সাজিবলৈ চেষ্টা কৰিছিল। একেখিনি সময়তে ম' ডাই (MO Di) নামৰ চীনা দার্শনিকজনেও পিনহোল কেমেৰা সজাৰ চেষ্টাত ব্রতী হৈছিল।

পিনহোল কেমেৰা (Pinhole Camera) মানেনো কি? ই হ'ল এটা লেন্সবিহীন কেমেৰা। এটা পোহৰ সৰকিব নোৱাৰা বাকচৰ সমুখৰ ফালে এটা সৰু ছিদ্র থাকে। এই ছিদ্রৰ মাজেৰে সমুখত থকা বস্তুৰ পৰা প্রতিফলিত পোহৰ সৰকি গৈ বাকচটোৰ বিপৰীত দিশত এটা ওলোটা প্রতিচ্ছবিৰ সৃষ্টি কৰে। এনে কেমেৰাৰ প্রধান আঁসোৱাহবোৰ আছিল সুদীর্ঘ সময় ধৰি কৰিবলগীয়া এক্সপ'জাৰ আৰু কেৱল সূর্যৰ গতি-বিধিৰ ছবি তুলি ৰখা হৈছিল বাবে ইয়াক চোলাৰগ্রাফী (Solargraphy) বোলা হৈছিল। সূর্যগ্রহণৰ দৃশ্য সুৰক্ষিতভাৱে প্রত্যক্ষ কৰিবলৈ এই কেমেৰা ব্যৱহাৰ কৰিব পাৰি।

কেইবাশতিকা ধৰি পিনহোল কেমেৰাৰে বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলি থাকিল। প্রায় ১৬০০ খৃষ্টাব্দমানত জিয়ামবাটিষ্টা ডেলা পোর্টা-ই (Giambattista Dela Porta) পিনহোল কেমেৰাত লেন্স সংযুক্ত কৰিছিল। স্কটলেণ্ডৰ বিজ্ঞানী ডেভিদ ব্রিউষ্টাৰ (David Brewster) হ'ল পিনহোল কেমেৰাৰে ফটো তোলা প্রথমগৰাকী ব্যক্তি।



ডাগুয়েৰ'টাইপ প্রক্রিয়া

খৃষ্টীয় ষষ্ঠ শতিকাত 'কেমেৰা অৱছ্ক্যুৰা' (Camera Obscura) নামৰ আন এবিধ কেমেৰা উদ্ভাৱন কৰিছিল বাইজেণ্টিয়ামৰ গণিতজ্ঞ-স্থপতিবিদ এন্থেনিয়া অৱ ট্রেনার্চে (Anthenia

of Traners)। এইবিধ কেমেৰাৰ ইতিহাসেকয় যে খৃষ্টীয় চতুর্থ আৰু পঞ্চম শতিকাৰ মাজৰ কোনোবা এছোৱা সময়ত চীনৰ ম'-টাই (Mo-Ti) নামৰ দার্শনিকে প্রথমে 'কেমেৰা অৰছ্ক্যুৰা' নির্মাণৰ পদ্ধতি লিপিৱদ্ধ কৰিছিল। তাৰো আগতে খৃষ্টীয় চতুর্থ শতিকাত গ্রীক দার্শনিক এৰিষ্টটলে লিখিছিল, 'গছৰ পাতৰ ফাঁকেৰে, চাকনীৰ মাজেৰে, বাঁহ-বেতৰ বাস্কেট-খৰাহীৰ মাজেৰে নাইবা জোৰা লগোৱা আঙুলিৰ ফাঁকেৰে সৰকি যোৱা সূর্যৰ ৰশ্মিয়ে মজিয়াত পোহৰৰ বৃত্তাকাৰ নক্সা সৃষ্টি কৰে।' 'কেমেৰা অৰছ্ক্যুৰা নামটো পোন প্রথমে জার্মান জ্যোর্তিবিজ্ঞানী জোৱান কেপলাৰে (Johannes Kepler) ১৬০৪ চনত ব্যৱহাৰ কৰিছিল। ই হ'ল এনে এটা আলোকযন্ত্র যিটোত কোনো নির্দিষ্ট বস্তু এটাৰ প্রতিচ্ছবি চৌপাশৰ পৰিৱেশটোৰ সৈতে ধৰি ৰাখিব পৰ যায়। এনে আলোকযন্ত্রৰে তোলা ফটোৰ ফ'কাছ আৰু উজ্বলতা আন কেমেৰাতকৈ উন্নত আছিল।

কেমেৰা আৰু ফটোগ্রাফীৰ কলা উন্নত কৰাত সহায়কৰ ভূমিকা পালন কৰা কেইটামান ঘটনা আৰু কেইবিধমান সামগ্রীৰ উদ্ভাৱনৰ সময় তথা তালিকা এখন তলত দিয়া হ'ল।

১২০০ চন ঃ এলবার্ট মেগনাচে চিলভাৰ নাইট্রেট আৱিষ্কাৰ কৰে।

১৬০০ চন ঃ জর্জ ফেব্রিচিয়াচে চিলভৰ ক্ল'ৰাইড আৱিষ্কাৰ কৰে।

ওপৰত উল্লেখ কৰা দুয়োটা আৱিষ্কাৰেই ফটোগ্রাফীক আন এক স্তৰলৈ উন্নীত কৰিছিল।

১৫৬৮ চন ঃ ডেনিয়েল বাৰবার্চে এখন ডায়াফ্রামৰ ব্যাখ্যা দাঙি ধৰিছিল।

১৬৯৪ চন ঃ উইলিহেম হ'মবার্গে পোহৰে কেনেকৈ ৰাসায়নিক দ্রব্যৰ ৰং ক'লা কৰিব পাৰে তাৰ ব্যাখ্যা দাঙি ধৰিছিল। এই পৰিঘটনা পাছলৈ ফটোৰাসায়নিক বিক্রিয়া (Photo-chemical effect) বুলি জনাজাত হৈছিল।

১৯৭০ চন ঃ গিফাণ্টি (Giphantiey) নামৰ উপন্যাসখন প্রকাশিত হৈছিল। টিফাইন ডে লা ৰ'চে (Tiphaigne de la Roche) নামৰ ফৰাচী লেখক এগৰাকীয়ে লিখা উপন্যাসখনক ফটোগ্রাফীৰ কিতাপ বুলি অভিহিত কৰা হৈছিল।

১৮১৯ চন ঃ জন হের্শেলে চিলভাৰ হেলাইডৰ (Silver halide) দ্রৰ চ'ডিয়াম থায়'চালফেট আৱিষ্কাৰ কৰিছিল। এই মিশ্রণে কেমেৰাৰে তোলা ফটোবোৰৰ ৰং আঠা লগাত সহায় কৰি ফটোবোৰক দীর্ঘস্থায়ী ৰূপ দিছিল। ইয়াৰ আগতে তেওঁ চায়ান'টাইপ প্রক্রিয়া (Cyanatype Process) উদ্ভাৱন কৰিছিল এই প্রক্রিয়াটো পৰৱর্তী কালত 'ব্লুপ্রিণ্ট' নামেৰে জনাজাত হৈছিল। হের্শেলেই প্রথম 'ফটোগ্রাফী নেগেটিভ'ৰ সংজ্ঞা ব্যৱহাৰ কৰিছিল। ফৰাচী লেখক এগৰাকীয়ে লিখা উপন্যাসখনক ফটোগ্রাফীৰ কিতাপ বুলি অভিহিত কৰা হৈছিল।

১৮২২ চন ঃ উদ্ভাৱক নিচিফ'ৰ নীপে'ই (Niciephore Niepe) প্রথমটো স্থায়ী 'ফটোইটচ্ছিং' (Photoetching) উৎপন্ন কৰিছিল। কিন্তু 'ডুপ্লিকেশ্বন' প্রক্রিয়ৰ সময়ত এই প্রতিচ্ছবিখন নষ্ট হৈছিল।

১৮২৬ চন ঃ পুনৰ নীপে'ই এটা 'কেমেৰা অৰছ্ক্যুৰা' ব্যৱহাৰ কৰি প্রথমখন স্থায়ী প্রাকৃতিক দৃশ্যৰ ফটো তোলাত সফল হৈছিল। ফটোখনৰ নাম দিয়া হৈছিল 'ভিউ ফ্রম দ্য ৱিণ্ডো এট লী গ্রাছ।'

১৮৩২ চন ঃ একেটা কামতে হার্কিউলিছ ফ্লঁৰেন্সেও সফলতা লাভ কৰিছিল। তেওঁ তোলা ফটোখনৰ নাম আছিল 'ফটোগ্রাফী' (Photographic)।

১৮৩৮ চন ঃ ডাগুয়েৰে (Daguerre) প্যাৰী চহৰৰ ৰাজপথত এজন মানুহৰ ফটো তুলি ৰাখিবলৈ সক্ষম হৈছিল। তেওঁ ফটোখন তুলিবলৈ ৰূপ আৰু চকৰ গুড়িৰ মিশ্রণ এটা ব্যৱহাৰ কৰিছিল। পোহৰত 'এক্সপোজড্' হোৱা সময়ত এই মিশ্রণটোৱে ক'লা ৰং ধৰিছিল। তেওঁৰ আৱিষ্কাৰক পাছত 'ডাগুয়েৰ'টাইপ' (Daguerreotype) নাম দিয়া হৈছিল।

১৮৩৯ চন ঃ জন হার্শেলে 'গ্লাছ নেগেটিভ' তৈয়াৰ কৰিছিল।

১৮৪০ চন ঃ উইলিয়াম ফক্স টালব'টে নেগেটিভ প্রতিচ্ছবি সৃষ্টি কৰিব পৰা কেল'টাইপ প্রক্রিয়া (Calotype Process) উদ্ভাৱন কৰিছিল। তেওঁ 'অ'ৰিয়েল ৰিণ্ডো ইন লেক'ক এবে' নামৰ নেগেটিভখনৰ বাবে প্রখ্যাত হৈ পৰিছিল।

১৮৫২ চন ঃ ফ্রেডৰিক স্কট আর্চাৰে ৰেট প্লেট ক'ল'ডিন প্রক্রিয়াৰে প্রাপ্ত ফটোগ্রাফীৰ সকলো কিটিপ-কৌশল 'দ্য কেমিষ্ট' নামৰ কিতাপখনৰ জৰিয়তে প্রকাশ কৰিছিল। এই প্রক্রিয়াটো ১৮৫২ চনৰ পৰা ১৮৬০-ৰ দশকলৈকে বহুলভাৱে ব্যৱহৃত হৈছিল।

১৮৬০ চন ঃ ক'ল'ডিন প্রক্রিয়াত ড্রাই প্লেটৰ লগতে গ্লাছত প'জিটিভ ইমেজ (এমব্র'টাইপ), ধাতুত পজিটিভ ইমেজ (ইনটাইপ) আৰু চল্ট পেপাৰ অথভা এলবুমিনত গেনেটিভ প্রিণ্ট নামৰ তিনিটা উপ-কৌশল (Subsets) সংযুক্ত কৰা হৈছিল।

১৮৮৪ চন ঃ ১৯ শতিকাৰ লোকে জর্জ ইষ্টমেনৰ ফটোগ্রাফিক গ্লাছ প্লেট দেখা পালে। লগতে তেওঁ টেকন'-ফিল্মত ফটো ছপোৱাৰ পদ্ধতিও উদ্ভাৱন কৰিলে। তেওঁৰ কাৰিকৰী কৌশলবোৰেই বর্তমানৰ ফিল্ম কেমেৰাত ব্যৱহৃত প্রযুক্তিৰ বিকাশত উদ্গনি যোগাইছিল।

১৯০৮ চন ঃ গেব্রিয়েল লিপমেনে ৰঙীন ফটোৰ পুনৰ সৃষ্টি কৰা পদ্ধতিটোত সফলতা লাভ কৰিছিল। এই পদ্ধতিটোৰ ভিত্তি আছিল 'সমাৰোপণ পৰিঘটনা' (Phenomenon of interference)। এই পদ্ধতিটো পাছলৈ 'লিপমেন প্লেচ' নামেৰে জনাজাত হৈ পৰিল আৰু পদ্ধতিটোৰ বাবে লিপমেনে পদার্থ বিজ্ঞানৰ নোবেল বঁটা লাভ কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'কেমেৰা অৰছ্ক্যুৰা' কি?

.....

.....

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰণ কৰক—

(ক) ১৯৬০ চনত ..... পিনহোল কেমেৰাত লেন্স সংলগ্ন কৰিছিল।

(খ) পিনহোল কেমেৰাক ..... কেমেৰা বুলিও জনা যায়।

(গ) কেমেৰা অৰছ্ক্যুৰা পোন প্রথমে ..... চনত ব্যৱহাৰ কৰা হৈছিল।

(ঘ) ফটোগ্রাফী বিষয়ৰ উপন্যাস 'গিফার্ণি'ৰ লেখক হ'ল ..... ।

৮.৫ কেমেৰা-যুগৰ সৈতে হোৱা কাৰিকৰী বিকাশ

আৰম্ভণিতেই সকলো ফটোগ্রাফেই ক'লা-বগা আছিল। ইয়াক ম'ন'ক্র'ম বোলা হৈছিল। কিন্তু ইমেজ প্র'চেছিঙৰ সময়ত ব্যৱহৃত কিছুমান উপাদানৰ বাবে পাছলৈ ছবিবোৰ নীলা আৰু বগা হৈ ওলাইছিল। এই ফটো ধোৱা পদ্ধতিটোকে 'চায়ান'টাইপ প্রক্রিয়া' বোলা হৈছিল।

১৯ শতিকাৰ মাজভাগত ৰঙীন ফটো তোলাৰ কৌশল উদ্ভাৱন কৰা হৈছিল। আৰম্ভণিৰ কালছোৱাত ৰঙীন ফটো এখন তুলিবলৈ দীঘলীয়া সময়ৰ প্রয়োজন হৈছিল। তথাপিও তেনে ৰঙীন প্রতিচ্ছবিবোৰ স্থায়ী কৰিব পৰা নগৈছিল। কম সময়ৰ ভিতৰতে ৰঙীন ফটোবোৰ বগা হৈ গৈছিল। ১৮৫৫ চনত পদার্থ বিজ্ঞানী জেমছ ক্লার্ক মেক্সৱেলে এটা কৌশল উদ্ভাৱন কৰিছিল। এই কৌশলটো কামত খটুৱাই ১৮৬১ চনত প্রথমবাৰৰ বাবে ৰং উঠি নোযোৱাকৈ ফটোগ্রাফ ধোৱা হ'ল। মেক্সৱেলে তিনিখন বেলেগ বেলেগ ক'লা-বগা ফটো ৰঙা, সেউজীয়া আৰু নীলা ফিল্টাৰৰ মাজেদি তুলিছিল। এই তিনিটা মৌলিক ছেনেলৰ সহায়ত এটা 'এডিটিভ' পদ্ধতিৰ (Additive method) জৰিয়তে ৰঙীন ফটো তোলা হৈছিল।

ফটো এখন ৰঙীন কৰি তোলা আৰু ৰঙীন ফিল্টাৰ ব্যৱহাৰ কৰি ফটো তোলাৰ পদ্ধতি দুটা নিখুঁত কৰি তুলিবলৈ বহু বছৰ লাগিছিল। এই পদ্ধতিটোক 'এন'ট'ক্র'ম (anotochromo) বোলা হৈছিল। ১৮৬০ চনত লুই ডুক'ছ ডু হাৱোঁই ক'লা-বগা ফটো পুনৰ ধুই ৰঙীন কৰি তোলাৰ কামটো আৰম্ভ কৰিছিল। কামটোক উন্নত ৰূপ দিবলৈ ৰুছিয়াৰ ফটোগ্রাফাৰ চার্গেই মিখাইলোভিচ্ বকুডিন গ'স্কীয়ে অহৰহ প্রচেষ্টা চলাইছিল। ১৮৭৩ চনত ফটোকেমিষ্ট হাৰমান ভ'গেলে 'ডাইচ্চন্সিটাজেশ্যন' (dye sensitization) আৱিষ্কাৰ কৰাৰ পাছত ৰঙীন ফটোৰ ব্যৱসায়টোৰ সম্ভাৱনা বৃদ্ধি পাইছিল।

১৯০৭ চনত লুমিয়েৰ ভ্রাতৃদ্বয়ে এণ্ট'ক্র'ম (antochrome) প্রক্রিয়া এটা উদ্ভাৱন কৰিছিল। প্রক্রিয়াটোত আলুৰ মাৰৰ ৰঞ্জকসনা দানাৰে তৈয়াৰী ম'চেইক ৰঙীন ফিল্টাৰৰ তৰপ ব্যৱহাৰ কৰা হৈছিল। ১৮৯০ চনৰ পৰা ১৯৫০ চনলৈ বজাৰত অট'ক্র'ম (autochrome) প্লেট আৰু ফিল্ম কিনিবলৈ পোৱা গৈছিল। কোডাক কোম্পানীয়ে ১৯৩৫ চনত 'কোডোক্র'ম' তৈয়াৰ কৰিছিল। ইয়াক প্রথমটো আধুনিক ম'ন'পেক (monopack) বোলা হয়। এই সংহত 'ট্রাইপেক'টোত 'মাল্টিলেয়াৰ এমালশ্বন' পদ্ধতিৰে তিনিটা ৰং অন্তর্ভুক্ত কৰা হৈছিল। ১৯৩৬ চনত 'আগ্‌ফা' (Agfa) কোম্পানীয়ে 'আগফ্‌লাৰ নিউ' নামৰ নতুন ম'ন'পেক এটা বজাৰত মুকলি কৰি দিছিল।

১৯৬৩ চনত পোলাৰয়ড কোম্পানীয়ে তাৎক্ষণিকভাৱে ৰঙীন ফটো সৃষ্টি কৰিব পৰা ফিল্ম তৈয়াৰ কৰিছিল। এনে ফিল্ম বিশেষভাৱে নির্মিত কেমেৰাত ব্যৱহাৰ কৰা হয়। এনে কেমেৰাৰে ফটো তোলাৰ কেইমিনিটমান পাছতেই ৰঙীন ফটো প্রিণ্ট এটা তৈয়াৰ হয়।

3-D ফটো তৈয়াৰ কৰিবলৈ একেখন ফটোগ্রাফৰে দুটা ওচৰা-ওচৰিকৈ থকা প্রতিচ্ছবি সৃষ্টি কৰা হয়। ইয়াক 'ষ্ট্রিঅ'স্ক'পিক ভিছন' বোলে। বর্তমান এই জনপ্রিয় পদ্ধতিটো মোবাইল

ফোনৰ কেমেৰাৰ লগত বিভিন্ন ডিজিটেল বৈদ্যুতিক মাধ্যমত সংলগ্ন কৰা থাকে। ডিজিটেল ফটোগ্রাফীৰ নতুন প্রযুক্তিৰ বিকাশ ঘটাৰ লগে লগে ফটোগ্রাফী বিষয়টোৱেই অন্য এক পর্যায়লৈ গতি কৰিছে। ই 'ফুল স্পেকট্রাম ফটোগ্রাফী'ৰ ৰূপ সলনি কৰিছে। ভূ-তাত্বিক আৰু চাৰুকলাৰ সৈতে জড়িত বিভিন্ন কাম-কাজৰ লগতে আইন বলবৎ কৰা কাম-কাজবোৰত 'ফুল স্পেক্ট্ৰাম ফটোগ্রাফী' ব্যৱহাৰ কৰা হয়।

বর্তমান বজাৰত বিভিন্ন প্রকাৰৰ কেমেৰা সুলভ হৈ পৰিছে। আমি মাত্র দুটাৰ বিষয়েহে আলোচনা কৰিম। এবিধ কেমেৰা হ'ল পুৰণি পদ্ধতিৰ কেমেৰা আৰু আনবিধ হ'ল আধুনিক যুগত ব্যৱহৃত ডিজিটেল কেমেৰা। সকলোবোৰ কেমেৰাই হ'ল পোহৰ বন্দী কৰিব পৰা একো একোটা বাকচ। কেমেৰাবোৰ টিটেনিয়াম, প্লাষ্টিক, পিতল, তীখা আৰু কাঠেৰে সজা হ'ব পাৰে। 'ৱাটাৰপ্রুফ' কেমেৰাবোৰক ডিজপ'জেবল কেমেৰা হিচাপেও গণ্য কৰা হয়। বিভিন্ন আকাৰ-আকৃতিৰ ফিল্ম কেমেৰাও বজাৰত কিনিবলৈ পোৱা যায়।

এগৰাকী ফটোগ্রাফাৰৰ বাবে কেমেৰা লেন্সৰ স্পষ্ট ধাৰণা থকাটো অতি জৰুৰী। কেমেৰা এটাৰ অৱয়বৰ সৈতে সংলগ্ন কৰা লেন্সবোৰে ফটোগ্রাফৰ বিষয়বস্তু টোক প্রতিচ্ছবিৰ (image) ৰূপ দিয়ে। কেমেৰা এটাত লেন্স আগৰে পৰা লগাই থ'ব পাৰি অথবা প্রয়োজন অনুসৰি বিভিন্ন ক্ষমতা আৰু পাৰদর্শিতাৰ লেন্স লগাই ল'ব পাৰি। লেন্স কেইবাপ্রকাৰৰো আছে। যেনে— সাধাৰণ লেন্স, ৱাইড এংগল লেন্স, লং ফ'কাছ লেন্স, ঝুম লেন্স, টেলিফটো লেন্স, এনাষ্টিগমেট (anastigmat) লেন্স, অট' ফ'কাছ লেন্স, ছিগমা লেন্স ইত্যাদি।

৮.৬ ফটোগ্রাফীৰ কাৰিকৰী ধাৰণাসমূহ

নিজকে এগৰাকী দক্ষ আৰু নিখুঁত ফটোগ্রাফাৰ হিচপে গঢ়ি তোলাৰ প্রথম পদক্ষেপ হ'ল কেমেৰা এটা ভালদৰে হাতত তুলি ল'বলৈ শিকা। কেমেৰা ধৰা হাতখনত উঠা সামান্যতম কঁপনি এটাৰ বাবে গোটেই ফটো এখন নষ্ট হ'ব পাৰে। সেয়েহে ন-শিকাৰুসকলক কেমেৰা নকঁপাকৈ ফটো তুলিবলৈ ত্রিপদী (Tripod) ব্যৱহাৰ কৰাৰ পৰামর্শ দিয়া হয়। ত্রিপদবোৰ এলুমিনিয়াম, প্লাষ্টিক, কার্বন ফাইবাৰ আদিৰে তৈয়াৰ কৰা হয়। তিনিটা খুৰাযুক্ত ত্রিপদীবোৰত কেমেৰা বহুৱাবলৈ স্ক্রু সংলগ্ন একোটা 'মাউণ্টিং হেড' (Mounting Head) থাকে। যিমানেই দক্ষ ফটোগ্রাফাৰ নহওঁক কিয়, কোনো কোনো সময়ত সকলো ফটোগ্রাফাৰকে ত্রিপদীৰ প্রয়োজন হয়। এখন স্থিৰ, উৎকৃষ্ট আৰু ভাবি-চিন্তি তোলা ফটোগ্রাফৰ বাবে ত্রিপদী এবিধ অত্যাৱশ্যকীয় সঁজুলি।

কেমেৰা ধৰাৰ কৌশলটো কেমেৰাৰ প্রকাৰৰ ওপৰত নির্ভৰশীল। কেমেৰা ধৰাৰ কোনো নির্দিষ্ট নিয়ম নাই যদিও নতুনকৈ কেমেৰা লোৱাসকলে সোঁহাতেৰে কেমেৰাটো ভালকৈ ধৰাৰ অভ্যাস কৰিব পাৰে। কেমেৰাৰ সোঁকাষে ভালদৰে খামুচি ধৰি তর্জনী আঙুলিৰে শ্বাটাৰ ৰিলিজ বুটাম টিপিব লাগে। এনে অৱস্থাত সোঁহাতৰ বুঢ়া আঙুলিটোৱে কেমেৰা খামুচি ধৰাত প্রধান ভূমিকা লয়। বাঁওহাতখনেৰে কেমেৰাৰ তল অংশত এখন আধাৰপৃষ্ঠ তৈয়াৰ কৰি কেমেৰাটোৰ ওজন বহন কৰিব পাৰি। পুনৰবাৰ দোঁহাৰিছো, কেমেৰা ধৰাৰ কৌশল সম্পূর্ণৰূপে কেমেৰা এটাৰ আকাৰ-প্রকাৰৰ ওপৰত নির্ভৰশীল।

ডিজিটেল ভিডিঅ' কেমেৰা ব্যৱহাৰ কৰাসকলে লোড টে'প অথভা মেম'ৰী কার্ড, চুইচ্ছিং-ৰেক'র্ডিৰ চোৱাৰ কৌশল আদিৰ বিষয়েও জানিব লাগে।

প্রথমে ফটো তুলিব খোজা বিষয়বস্তুটো সম্পর্কে আপোনাৰ ধাৰণা স্পষ্ট হোৱা উচিত। বিষয়বস্তুটোৰ সৈতে জড়িত বিভিন্ন দিশৰ খুঁতি-নাটি (details), ৰং, তীক্ষ্ণতা/তীব্রতা (sharpness), আকাৰ, লেন্সৰ কাম, কেমেৰাৰ কৌণিক অৱস্থান আৰু লেন্সৰ প্রয়োগ, যেনে- ঝুম, ৰাইড এংগল, প্যান ইত্যাদি জানিব লাগিব। অর্থাৎ, 'কেমেৰা কম্পোজিশ্বন' মানে হ'ল বিষয়বস্তু এটাৰ সৈতে জড়িত বিভিন্ন উপাদানক কেমেৰাৰ ফ্রেমত বন্দী কৰা কার্য। পর্যায়ক্রমে আপোনালোকে ট্রেকিং শ্বট, ড'লিং শ্বট, ইন-আউট মুভমেণ্ট আদিৰ বিষয়েও জানিব পাৰিব। এইখিনিতে আপোনালোকক 'পেডেষ্টেল শ্বট' কি সেয়া কৈ থওঁ। 'পেডেষ্টেল শ্বট' (pedestal shot) হ'ল কেমেৰা লৰচৰ কৰি তোলা ফটো। 'পেড মুভমেণ্ট' এটাত কেমেৰাই দীঘলে-পথালিয়ে, তলে-ওপৰে যিকোনো দিশতে গতি কৰিব পাৰে। 'ষ্টুডিঅ' চেটিং এটাত পেডেষ্টেল মুভমেণ্ট কেমেৰাক বাধাহীন গতিশীলতাৰ লগতে সম্পূর্ণ নমনীয়তা প্রদান কৰে। 'প্যান মুভমেণ্ট'ৰ বাবে কেমেৰা ত্রিপদী অথবা কান্ধত বহুৱাই লোৱা হয়। ই কেমেৰাৰ আনুভূমিক গতিৰ পথ সুচল কৰে। 'চিল্ট অৱ এ কেমেৰা হ'ল কেমেৰাৰ এটা লম্ব গতি। কেমেৰা এটা স্থিৰ অৱস্থানত ৰাখি 'টিল্ট আন' অথবা 'টিল্ট ডাউন' কৰি ফটো লোৱা হয়।

ৰাইড শ্বট, মিড শ্বট, ক্লৰ্জ আপ, কাট ইন-কাট আউট, টু শ্বট, অ'ভাৰ শ্বোল্ডাৰ শ্বট আদি বিভিন্ন শ্বট লোৱাৰ কিছুমান সাধাৰণ নির্দেশাৱলী আছে।

এখন স্পষ্ট আৰু উৎকৃষ্ট মানৰ ফটো ল'বলৈ তলত দিয়া কথাকেইটা পালন কৰিব লাগে।

- কেমেৰাৰ লেন্সেৰে বস্তু এটা স্পষ্টকৈ দেখা পাবলৈ কেমেৰাটোত থকা দর্শন সঁজুলি (optical device) এটা খাপ খুৱাই ল'ব লাগে। এই সঁজুলিবিধকে ফ'কাছ (Focus) বোলে।
- লেন্স খুলি লোৱাটোৱেই হ'ল ফ'কাছ মিলোৱাৰ প্রথম কাম। লেন্সে অর্ন্তমুখী পোহৰৰ পৰিমাণ নিয়ন্ত্রণ কৰে। পোহৰৰ পৰিমাণ 'F' সংখ্যা যিমানে ডাঙৰ হ'ব, লেন্সৰ অ'পেনিং সিমানে সৰু হ'ব। অর্থাৎ, কম পোহৰ আৰু বিষয়বস্তুৰ অধিক গভীৰতা। এই গভীৰতাক 'এপাৰছাৰ'-এ (Aperture) প্রভাৱিত কৰে। ফ'কেল দৈর্ঘ্যক (Focal length) 'F' সংখ্যাৰে হৰণ কৰি 'এপাৰছাৰ'ৰ ব্যাস নির্দিষ্ট কৰা হয়।
- 'শ্বাটাৰ স্পীড' (Shutter Speed) হ'ল বিষয়বস্তুটোৰ প্রতিচ্ছবি কিমান সময় পোহৰত 'এক্সপোজড্' হৈ থাকিব সেয়া নির্ধাৰণ আৰু নিয়ন্ত্রণ কৰাৰ হিচাপ।
- 'হোৱাইট বেলেন্স হ'ল ডিজিটেল কেমেৰাত থকা এটা সুবিধা। ইয়াৰ সহায়ত লব্ধ পোহৰৰ ৰঙৰ উষ্ণতা মিলাই লোৱা হয়। যান্ত্রিক কেমেৰাবোৰৰ ক্ষেত্রত ফটোগ্রাফাৰে হাতেৰে ফিল্মৰ ষ্টক আৰু ৰং সংশোধনকাৰী ফিল্টাৰ ব্যৱহাৰ কৰি ৰঙৰ উষ্ণতা নিজৰ মতে মিলাই লয়। 'হোৱাইট বেলেন্স'ৰ সহায়ত আমি ফটো এখনত স্বাভাৱিক ৰংবোৰ বন্দী কৰিব পাৰোঁ।
- ফটো এখনৰ বাবে প্রয়োজন হোৱা পৰিমাণৰ পোহৰ ধৰি ৰাখিবলৈ 'মিটাৰ' নামৰ সুবিধাটো ব্যৱহাৰ কৰা হয়। ফটো ফিল্ম অথবা সংবেদী যন্ত্রৰ (Sensos) মিটাৰৰ সহায়ত খাপ খুৱাই

লোৱা হয়। ফিল্মৰ 'স্পীড' নিয়ন্ত্রণ কৰা কার্যকে 'মিটাৰিং' বোলে। আধুনিক কেমেৰাবোৰত স্বয়ংক্রিয়ভাৱে মিটাৰ খাপ খুৱাই লোৱাৰ সুবিধা সংলগ্ন কৰা থাকে।

- ISO স্পীড হ'ল কেমেৰাৰ স্বয়ংক্রিয় এক্সপ'জাৰ প্রণালীটো নিয়ন্ত্রণ কৰিবলৈ কেমেৰাটোৱে আহৰণ কৰা পোহৰ। ISO স্পীড, এপাৰেছাৰ আৰু শ্বাটাৰ স্পীডৰ উপযুক্ত সমতাই ফটো এখনক সঠিক এক্সপ'জাৰ দিব পাৰে। এটা কেন্দ্রীয় মিটাৰত এই তিনিওটা জোখ মিলাই ল'ব পাৰি।
- কেমেৰাত থকা আন দুটামান সুবিধা/উপাদান হ'ল— ফ'কেল লেংথ, সাধাৰণ-লং-ৱাইড-টেলিফটো-মেক্রু'-ঝুম লেন্স ইত্যাদি। এই সুবিধা/উপাদানবোৰে ফটো এখনৰ সামগ্রিক প্রভাৱৰ মান উন্নত কৰে। কেমেৰাত থকা আন কিছুমান অংশ হ'ল— ফিল্টাৰ, সংবেদী প্রণালী, ৰেক'র্ডিং কৰিব পৰা যতন (পোহৰৰ প্রকাৰ ৰেক'র্ডিং ইত্যাদি। ৰেক'র্ডিং যতনবোৰে পিক্সেল অথবা চিলভাৰ হেলাইডৰ দানাত পোহৰৰ ৰিজল্যুশ্যন জোখ ধৰি ৰাখে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক—

(ক) ক'লা-বগা ফটোগ্রাফীৰ আন এটা নাম হ'ল .....।

(খ) ৰঙীন ফিল্টাৰ ব্যৱহাৰ কৰি তোলা ফটোবোৰক ..... বোলে।

(গ) ..... হ'ল আধুনিৰ 'মন'পেক'।

প্রশ্ন নং ৪ ঃ চমু উত্তৰ দিয়ক—

(ক) 'হোৱাইট বেলেন্স' মানে কি?

.....

.....

(খ) 'শ্বাটাৰ স্পীড' মানে কি?

.....

.....

৮.৭ ফটো-সাংবাদিকতাৰ ধাৰণা আৰু ইয়াৰ কিছুমান বিকাশ

সংবাদ মাধ্যমৰ এটা অপৰিহার্য অংগ হ'ল ফটো-সাংবাদিকতা। কোনো ঘটনাক ছবিৰ ৰূপ দি প্রকাশ নাইবা সম্প্রচাৰ কৰাটোৱেই হ'ল ফটো-সাংবাদিকতা। অধিকাংশ সময়তে ফটো সংবাদৰূপে পৰিৱেশন কৰা সংবাদবোৰৰ সততা আৰু নিৰপেক্ষতাৰ মান সন্দেহৰ উর্ধত থাকে। ফটো-সাংবাদিকে সাধাৰণ সাংবাদিকৰ ভূমিকাই পালন কৰে। তেওঁলোকেও যিকোনো ভৌতিক অথবা প্রাকৃতিক সমস্যাৰ সংবাদ তাৎক্ষণিকভাৱে মানুহক জনোৱাৰ ভূমিকা পালন কৰে।

ফটো সাংবাদিকৰ বাবে নতুন প্ৰযুক্তিবোৰ আশীৰ্বাদস্বৰূপ। বিংশ শতিকাত কেমেৰা প্ৰযুক্তিৰ বিকাশৰ বাবে বৈদ্যুতিক ফ্ল্যাশ্ব, অট'ফ'কাছ আৰু উন্নততৰ লেন্স সহজলভ্য হৈ পৰিল। ডিজিটেল কেমেৰাৰ বাবে ফটো তোলা প্ৰক্ৰিয়াটো আৰু সৰল হ'ল। ১৮৮০ চনৰ পৰা ১৮৯৭ চনৰ ভিতৰত ছপা সংবাদ মানুহে পঢ়িবলৈ পাইছিল যদিও ১৮৫০ চন মানৰ পৰাই ফটো সম্বলিত বিভিন্ন বাতৰি প্ৰচাৰিত হৈছিল। ৰোমানিয়াৰ চিত্ৰকৰ আৰু লিখগ্ৰাফাৰ কেৰ'ল ছাথমাৰীক (Carol Szathmari) বিশ্বৰ প্ৰথমগৰাকী ফটো-সাংবাদিক বুলি গণ্য কৰা হয়। তেওঁ ১৮৫৩-৫৬ চনত অট'মান সাম্ৰাজ্য আৰু ৰাছিয়াৰ মাজত হোৱা ক্ৰিমিয়ান যুদ্ধৰ বাতৰি ফটোসহ প্ৰকাশ কৰিছিল।

এইখিনিতে ফটো সাংবাদিকতাৰ ক্ষেত্ৰখনত হোৱা আন কিছুমান বিকাশৰ বিষয়ে জানি থওঁ আহক—

- ১৮৮০ চন ঃ নিউয়'ৰ্কৰ পৰা প্ৰকাশিত 'দ্য ডেইলী গ্ৰাফিকছ্'ত সংবাদ ফটোৰ 'হাফ্‌ট'ন ৰিপ্ৰ'ডাকশ্বন' প্ৰকাশিত হৈছিল।

  ১৮৮৭ চন ঃ অনানুষ্ঠানিক ইন-ডোৰ ফটোগ্ৰাফীত সহায়কৰূপে বিবেচিত হোৱা 'ফ্ল্যাশ্ব পাউডাৰ'ৰ উদ্ভাৱন হৈছিল।

  ১৯২১ চন ঃ 'ৱায়াৰ ফটো' (Wire photo) প্ৰেৰণ পদ্ধতি সফল হৈছিল।

  ১৯২৭ চন ঃ 'ফ্ল্যাশ্ব বালব'ৰ সহায়ত ফটো তোলা পদ্ধতি আৰম্ভ হৈছিল।

- ১৯৩০-ৰ দশকটোক 'ফটো-সাংবাদকতাৰ সোণালী যুগ' বোলা হয়। তেতিয়ালৈকে ফটোগ্ৰাফীৰ সৈতে জড়িত সকলো আৱিষ্কাৰ-উদ্ভাৱনেই সেই দশকটোত ব্যৱসায়িক ভিত্তিত সৰ্বত্ৰ সহজলভ্য হৈ পৰিছিল। তাৰ পাছৰ দুটা দশকত ৰ'বাৰ্ট কাপা আৰু ৰামান' কেগ্‌ন'নিৰ দৰে ফটোগ্ৰাফাৰে তেওঁলোকৰ ফটোৰে বহুকেইখন আলোচনা জনপ্ৰিয় কৰি তুলিছিল। বিশ্বযুদ্ধ, কোৰিয়ান যুদ্ধ আৰু ভিয়েটনাম যুদ্ধৰ পাছত বিভিন্ন মানৱীয় স্বাৰ্থজড়িত ঘটনা ফটোৰ সহায়ত পৰিৱেশন কৰি বহুতো ফটো-সাংবাদিকে বিশ্ববাসীক প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছিল।
- ১৯৪৭ চনত বিশ্বৰ প্ৰথমটো, সংবায়ভিত্তিক আন্তঃৰাষ্ট্ৰীয় ফটোগ্ৰাফিক লাইব্ৰেৰী 'মেগনাম ফটোজ' স্থাপন কৰা হয়। ইয়াৰ পদাংক অনুসৰণ কৰি ১৯৮৯ চনত 'ক'ৰ্বিজ কৰ্পোৰেশ্যন' কৰা হয়। এই ফটোগ্ৰাফিক লাইব্ৰেৰীবোৰে ফটোগ্ৰাফী আৰু স্থিৰচিত্ৰৰ অধিকাৰ বিক্ৰী কৰে।
- ১৯১২ চনত বিশ্বৰ 'প্ৰেছ ফটোগ্ৰাফাৰ' সংস্থাই কেপেনহেগেনত 'ডেনিছ ইউনিয়ন অৱ প্ৰেছ ফটোগ্ৰাফাৰছ্' স্থাপন কৰে।
- ১৯৪৬ চনত আমেৰিকাৰ 'দ্য নেশ্বনেল প্ৰেছ ফটোগ্ৰাফাৰছ্ এচোছিয়েশ্বন' স্থাপন কৰা হয়। ১৯৮৪ চনত 'বৃটিছ ফটোগ্ৰাফাৰছ্ এচোছিয়েশ্বন' গঠন কৰা হয়। এই অনুষ্ঠানটো ২০০৩ চনত পুনৰ গঠন কৰা হয়।
- বৰ্তমান বিশ্বত সাতটা প্ৰধান আন্তঃৰাষ্ট্ৰীয় ফটোগ্ৰাফী বঁটা আছে। ইয়াৰে 'পুলিটঝাৰ বঁটা'ত থকা দুটামান শিতান ফটোগ্ৰাফী', শ্ৰেষ্ঠ ৱৰ্ল্ড প্ৰেছ ফটো', 'বৰ্ষটোৰ শ্ৰেষ্ঠ ফটো' ইত্যাদি।

৮.৮ ফটোগ্রাফীৰ সৈতে জড়িত কিছুমান আইনগত অসুবিধা/সমস্যা

দেশভেদে নীতিগত ফটোগ্রাফীৰ সৈতে জড়িত আইন-কানুনবোৰ বেলেগ বেলেগ। ফটো এখনে ফটোগ্রাফাৰ এগৰাকীক সংশ্লিষ্ট দেশ এখনৰ আইন-কানুনৰ গণ্ডীৰ ভিতৰত নানা অসুবিধাত পেলাব পাৰে। প্ৰত্যেক দেশৰে ফটোগ্রাফিকেল প্ৰকাশৰ সীমা বেলেগ বেলেগ। সেয়েহে ফটো-সাংবাদিকসকল নিজ নিজ দেশৰ ফটোগ্রাফী বিষয়ক সকলো নীতিগত আৰু নৈতিক নিৰ্দেশনা সম্পৰ্কে অৱগত হোৱা উচিত।

ফটো সাংবদিকে মনত ৰাখিবলগীয়া আন এটা কথা হ'ল ব্যক্তিৰ গোপনীয়তাৰ অধিকাৰ। এই অধিকাৰ ভংগ হোৱাৰ বাবে নানা ধৰণৰ বিতৰ্কৰ সূত্ৰপাত হয়। আধুনিক ফটো সাংবাদিকতাৰ জগতত প্ৰায়েই বিতৰ্কৰ সৃষ্টি কৰা বিষয় এটা হ'ল ফটোৰ কাৰচাজি (photo manipulation)। সেয়েহে বিতৰ্ক এৰাই চলিব পৰাকৈ ফটো তোলাটো হ'ল ফটো-সাংবাদিকৰ বাবে এটা সদায় মনত ৰাখিবলগীয়া কথা। ফটোৱে যিহেতু কোনো ঘটনাৰ বিষয়ে বৰ্ণনা দাঙি ধৰিব পাৰে সেয়েহে ফটোগ্রাফাৰে এখন বিষয়বস্তুৰ সত্যতা প্ৰতিপন্ন কৰিব পৰা সৎ ফটো তোলাৰ দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰিব লাগে। সাধাৰণ পঢ়ুৱৈ-দৰ্শকে সদায় ঘটনা এটাৰ প্ৰকৃত দিশটো চাব খোজে। সেয়েহে কোনো ঘটনা ছবিৰ সহায়ত পৰিৱেশন কৰাৰ সময়তে ফটো-সাংবাদিকগৰাকীৰ মনোভাৱৰ মান (standard of intention) সকলো সন্দেহৰ উৰ্ধত থাকিব লাগে। বৃত্তিটোৰ সুবিধাবোৰ গ্ৰহণ আৰু ব্যৱহাৰ কৰাৰ সময়ত ফটো-সাংবাদিক এগৰাকীয়ে তেওঁৰ প্ৰেছৰ স্বতন্ত্ৰতাৰ অধিকাৰৰ অপপ্ৰয়োগ কৰাৰ পৰা বিৰত থাকিব লাগে।

ফটোগ্রাফী আৰু আইনৰ মাজত প্ৰায়েই 'কপিৰাইট' স্বত্বক লৈ সংঘাতৰ সৃষ্টি হয়। ফটো তোলাৰ স্থান সদায় ফটোগ্রাফাৰৰ বিচাৰ্য হোৱা উচিত। তেওঁ ৰাজহুৱা স্থান, ব্যক্তিগত স্থান নে সুৰক্ষাৰ প্ৰশ্ন জড়িত থকা স্থানত ফটো তুলিছে সেই কথাটো সদায় স্পষ্টকৈ জানিব লাগে। এই মুহূৰ্তলৈকে ফটোগ্রাফীৰ সৈতে জড়িত নীতিগত নিৰ্দেশাৱলী আৰু আইন-কানুনবোৰক লৈ বিতৰ্কৰ অৱসান ঘটা নাই। আইন বিশেষজ্ঞসকলে ব্যক্তিগত-ৰাজহুৱা স্থানত কেমেৰাৰ ব্যৱহাৰ সম্পৰ্কে তথা কোনো জনপ্ৰিয় ব্যক্তিৰ কাম-কাজ ফটোৰ জৰিয়তে ৰাজহুৱা কৰাৰ সুবিধা-অসুবিধা সম্পৰ্কে স্পষ্ট নীতি নিৰ্ধাৰণ কৰি উলিয়াব পৰা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ফটো-সংবাদিক মানে কি?

.....

প্ৰশ্ন নং ৬ ঃ বিশ্বৰ প্ৰথম ফটো-সাংবাদিকগৰাকী কোন আৰু কিয় তেওঁক তেনেদৰে ভবা হয়?

.....

প্ৰশ্ন নং ৭ ঃ দুটা ফটোগ্রাফিক লাইব্ৰেৰীৰ নাম লিখক?

.....



৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাণিজ্যিক খণ্ড, বিজ্ঞানভিত্তিক অগ্রগতি, কলা-সংস্কৃতিৰ বিকাশে ফটোগ্রাফীকো বিকাশৰ উচ্চ শিখৰলৈ গতি কৰাত সহায় কৰিছে।
- সাম্প্রতিক সংবাদ মাধ্যমত ফটোগ্রাফীয়ে দৈনন্দিন তথা কর্ম-পৰিৱেশৰ ছবি প্রকাশ কৰাত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে।
- কেইবাটাও কাৰিকৰী আৱিষ্কাৰ-উদ্ভাৱনৰ উমৈহতীয়া ফলাফল হ'ল— ফটোগ্রাফীৰ বিকাশ। ই হ'ল কলা-বিজ্ঞানৰ প্রয়োগ সম্পর্কে থকা জ্ঞান আৰু প্রতিচ্ছবি সৃষ্টিৰ অনুশীলন।
- ফটোগ্রাফী শব্দটো গ্রীক শব্দ 'ফটোজ'ৰ পৰা সৃষ্ট। ইয়াৰ অর্থ হ'ল 'পোহৰ' আৰু 'ৰেখা'। সহজ অথত 'ৰেখাৰ সহায়ত কৰা উপস্থাপন' অথবা 'একেলগে অংকন কৰা'। ফটোগ্রাফী বুলিলে 'পোহৰৰ সহায়ত আঁকা ছবিৰ কথা বুজোৱা হয়।
- ১৮৩৯ চনত বার্লিনৰ জ্যোর্তিবিজ্ঞানী জোঁৱান ভন মিডলাৰে পোন প্রথমবাৰৰ বাবে 'ফটোগ্রাফী' শব্দটো ব্যৱহাৰ কৰিছিল। সেই চনৰে ২৫ ফেব্রুৱাৰীত প্রকাশিত 'VOssiche Zeitung' নামৰ বাতৰি-কাকতখনত কথাটো ছপা হৈছিল।
- পিনহোল কেমেৰা হ'ল এটা লেন্সবিহীন কেমেৰা। এটা পোহৰ সৰকিব নোৱাৰা বাকচৰ সমুখৰফালে এটা সৰু ছিদ্র থাকে। এই ছিদ্রৰ মাজেৰে সমুখত থকা বস্তুৰ পৰা প্রতিফলিত পোহৰ সৰকি গৈ বাকচটোৰ বিপৰীত দিশত এটা ওলোটা প্রতিচ্ছবিৰ সৃষ্টি কৰে।
- খৃষ্টীয় ষষ্ঠ শতিকাত ব্যৱহৃত এবিধ বিশেষ কেমেৰাৰ নাম হ'ল 'কেমেৰা অৱছ্ক্যুৰা'। বাইজেণ্টিয়ামৰ গণিতজ্ঞ-স্থপতিবিদ এন্থেনিয়া অৱ ট্রেনার্ছে এই কেমেৰাটো ব্যৱহাৰ কৰিছিল।
- ১৮৫৫ চনত পদার্থ বিজ্ঞানী জেমছ ক্লার্ক মেক্সৱেলে বিকশাই তোলা ধাৰণা এটাৰ ভিত্তিত ১৮৬১ চনত স্থায়ী ৰঙীন ফটো সৃষ্টিৰ কৌশল উদ্ভাৱন কৰা হয়।
- ১৯০৭ চনত লুমিয়েৰ ভ্রাতৃদ্বয়ে এণ্ট'ক্র'ম প্রক্রিয়া উদ্ভাৱন কৰাৰ লগে লগে আলুৰ মাৰৰ পৰা তৈয়াৰ কৰা ৰঞ্জক দ্রব্য সনা দানাৰে তৈয়াৰী ম'চেইক ৰঙীন ফিল্টাৰৰ তৰপেৰে ৰঙীন ফটো সৃষ্টি কৰা সম্ভৱপৰ হৈ উঠিল।
- ফটো এখন বিভিন্ন ধৰণৰ 'শ্বট'ৰ সহায়ত তুলিব পাৰি। দুটামান 'শ্বট'ৰ নাম হ'ল— ৰাইড শ্বট, মিড শ্বট, ক্লজ আপ, কাট ইন-কাট এৱে শ্বট, টু শ্বট, অ'ভাৰ শ্বোল্ডাৰ শ্বট ইত্যাদি।
- ফটো-সাংবাদিকতা হ'ল সংবাদ মাধ্যমৰ অবিচ্ছেদ্য অংগ। ইয়াৰ সহায়ত কোনো ঘটনাক ছবিৰ সহায়ত পৰিৱেশন কৰা হয়। ফটো-সাংবাদিকতাই কোনো সংবাদৰ সততা আৰু নিৰপেক্ষতাৰ নীতিগত মূল্য বৃদ্ধি কৰে।
- ফটো-সাংবাদিক এগৰাকীৰ কাম অন্য সাংবাদিকৰ সমানেই গুৰুত্বপূর্ণ। তেওঁলোকেও যিকোনো ভৌতিক অথবা প্রাকৃতিক ঘটনাৰ বিষয়ে তৎক্ষণাত সংবাদ প্রেৰণ কৰে।

- নীতিগত ফটোগ্ৰাফীৰ সৈতে জড়িত আইন-কানুনবোৰ দেশভেদে বেলেগ বেলেগ হয়। স্বাভাৱিকভাৱেই কোনো ফটোক লৈ সৃষ্টি হোৱা আইনী জটিলতা সমাধান কৰাৰ পদ্ধতি তথা নীতি-নিয়মবোৰো দেশ অনুসৰি ভিন ভিন হয়।
- ফটো-সাংবাদিকসকলে নিজ নিজ দায়িত্ব অনুসৰি সংবাদ প্ৰস্তুত কৰাৰ সময়ত নিজ নিজ দেশৰ নীতিগত নিৰ্দেশাৱলী আৰু নৈতিক প্ৰমূল্যবোৰ মানি চলিব লাগে।



৮.১০ অধিক জানিবলৈ

1. Davenport, Alma (1991) The History of Photography. Boston : Focal Press
2. Rosenblum, Naomi (2007) A World History of Photography. Abbeville Press Publishers.
3. Gernsheim, Helmut (1986) A Concise History of Photography. New York : Dover Publications

৮.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ 'কেমেৰা অৱছ্ক্যুৰা' নামটো পোন প্ৰথমে ১৬০৪ চনত জাৰ্মান জ্যোতিৰ্বিজ্ঞানী জোৱান কেপলাৰে ব্যৱহাৰ কৰিছিল। ই হ'ল এনে এটা আলোকযন্ত্ৰ যিটোত কোনো নিৰ্দিষ্ট বস্তু এটাৰ প্ৰতিচ্ছবি চৌপাশৰ পৰিৱেশটোৰ সৈতে ধৰি ৰাখিব পৰা যায়। এনে আলোকযন্ত্ৰৰে তোলা ফটোৰ ফ'কাছ আৰু উজ্বলতা আন কেমেৰাতকৈ উন্নত আছিল।

২ নং প্ৰশ্নৰ উত্তৰঃ (ক) জিয়ামবাটিষ্টা ডেলা পোৰ্টা

(খ) চ'লাৰগ্ৰাফী

(গ) ১৬০৪

(ঘ) টিপাইন ডে লা ৰ'চে

৩ নং প্ৰশ্নৰ উত্তৰঃ (ক) মন'ক্ৰ'ম

(খ) এন'টক্ৰ'ম

(গ) কোডাক

৪ নং প্ৰশ্নৰ উত্তৰঃ 'হোৱাইট বেলেন্স' হ'ল ডিজিটেল কেমেৰাত থকা এটা সুবিধা। ইয়াৰ সহায়ত লঘু পোহৰৰ ৰঙৰ উষ্ণতা মিলাই লোৱা হয়। যান্ত্ৰিক কেমেৰাবোৰৰ ক্ষেত্ৰত ফটোগ্ৰাফাৰে

হাতেৰে ফিল্মৰ ষ্টক আৰু ৰং সংশোধনকাৰী ফিল্টাৰ ব্যৱহাৰ কৰি ৰঙৰ উষ্ণতা নিজৰ মতে মিলাই লয়। 'হোৱাইট বেলেন্সৰ সহায়ত আমি ফটো এখনত স্বাভাৱিক ৰংবোৰ বন্দী কৰিব পাৰোঁ।

'শ্বাটা'ৰ স্পীড' হ'ল ফটো এখনৰ বিষয়বস্তুটোৰ প্রতিচ্ছবি কিমান সময় পোহৰত 'এক্সপোজড্' হৈ থাকিব সেয়া নির্ধাৰণ আৰু নিয়ন্ত্রণ কৰাৰ হিচাপ।

৫ নং প্রশ্নৰ উত্তৰঃ সংবাদ মাধ্যমৰ এটা অপৰিহার্য অংগ হ'ল ফটো-সাংবাদিকতা। কোনো ঘটনাক ছবিৰ ৰূপ দি প্রকাশ নাইবা সম্প্রচাৰ কৰাটোৱেই হ'ল ফটো-সাংবাদিকতা। অধিকাংশ সময়তে ফটো-সংবাদৰূপে পৰিৱেশন কৰা সংবাদবোৰৰ সততা আৰু নিৰপেক্ষতাৰ মান সন্দেহৰ উর্ধত থাকে।

৬ নং প্রশ্নৰ উত্তৰঃ ৰোমানিয়াৰ চিত্রকৰ আৰু লিথ'গ্রাফাৰ কেৰ'ল ছাথমাৰীক বিশ্বৰ প্রথমগৰাকী ফটো-সাংবাদিক বুলি গণ্য কৰা হয়। তেওঁ ১৮৫৩-৫৬ চনত অট'মান সাম্রাজ্য আৰু ৰাছিয়াৰ মাজত হোৱা ক্রিমিয়ান যুদ্ধৰ বাতৰি ফটোসহ প্রকাশ কৰিছিল।

৭ নং প্রশ্নৰ উত্তৰঃ বিশ্বৰ দুটা ফটোগ্রাফিক লাইব্রেৰী হ'ল ১৯৮৯ চনত স্থাপন কৰা 'দ্য ক'র্বিজ কর্পোৰেশ্যন' আৰু ১৯৯৩ চনত স্থাপন কৰা 'দ্য গ্রেট্রী ইমেজেছ্'।



৮.১২ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ফটোগ্রাফীৰ ধাৰণা বুলিলে কি বুজা?

প্রশ্ন ২ ঃ চমু টোকা লিখা

(ক) কেমেৰা অৱছ্ক্যুৰা

(খ) পিনহোল কেমেৰা

(গ) ডিজিটেল কেমেৰা

(খ) চুটি প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ ফটোগ্রাফীৰ বিকাশ আৰু অগ্রগতি বর্ণনা কৰক।

প্রশ্ন ২ ঃ কম্পোজিশ্যন, হোৱাইট বেলেন্স, শ্বাটাৰ স্পীড, এক্সপ'জাৰ আদি বিষয়ৰ গুৰুত্ব ব্যাখ্যা কৰি ফটোগ্রাফীৰ কাৰিকৰী ধাৰণাবোৰ বর্ণনা কৰক।

(গ) দীঘল প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ ফটো-সাংবাদিকতা মানে কি বুজাই লিখক।

প্রশ্ন ২ ঃ ফটো-সাংবাদিকতাৰ সৈতে জড়িত আইনগত সমস্যাবোৰৰ ধাৰণাটো বহলাই ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ ভাৰতত ফটোগ্রাফী বিকাশ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ চলচ্চিত্রৰ ইতিহাস

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ চলচ্চিত্রৰ বৈশিষ্ট্য
৯.৪ চলমান ছবিৰ ইতিহাস
৯.৪.১ লুমিয়েৰ ভাতৃদ্বয়
৯.৪.২ হলিউড
৯.৫ ভাৰতীয় চলচ্চিত্র
৯.৫.১ দাদা চাহেব ফাল্কেৰ অৱদান
৯.৫.২ নিৰ্বাক যুগ
৯.৫.৩ সবাক যুগ
৯.৬ আঞ্চলিক চলচ্চিত্র
৯.৬.১ অসমীয়া চলচ্চিত্র
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্রগতিৰ খতিয়ান
৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গণ সংযোগৰ মাধ্যম হিচাপে চলচ্চিত্র আৰু ইয়াৰ বৈশিষ্ট্য সম্পর্কে জানিব পাৰিব
- চলমান ছবিৰ আৰম্ভণি আৰু পৃথিৱীত চিনেমাৰ জন্মৰ বিষয়ে জানিব পাৰিব
- ভাৰতীয় চলচ্চিত্রৰ ইতিহাস সম্পর্কে ধাৰণা লাভ কৰিব
- অসমীয়া চলচ্চিত্রৰ ইতিহাস বর্ণনা কৰিব পাৰিব।

৯.২ পৰিচয়

আলোকচিত্র আৰু ইয়াৰ চমু বুৰঞ্জীৰ বিষয়ে আলোচনা কৰাৰ পাছত আমি এতিয়া সাম্প্রতিক কালৰ গণ সংযোগৰ অত্যন্ত গুৰুত্বপূর্ণ বিষয় এটাৰ ওপৰত আলোকপাত কৰিম। গণ সংযোগৰ অতিকৈ পুৰণি মাধ্যম হিচাপে চলচ্চিত্রক আমি কেতিয়াও অৱহেলা কৰিব নোৱাৰো। সেয়েহে এই অধ্যায়ত আমি এটি প্রয়োজনীয় মাধ্যম সম্পর্কে আলোচনা কৰিম।

চিনেমা অথবা চলচ্চিত্রক আধুনিক পৃথিৱীৰ এক চমৎকাৰ মাধ্যম বুলি ক'ব পৰা যায়। নিঃসন্দেহে নিৰ্বাক যুগৰ পৰা বর্তমানৰ আধুনিক ডিজিটেল ডল্‌বি আৰু টেকনো চেভী চলচ্চিত্রৰ

জনপ্রিয়তাৰ বিষয়ে কোনো সন্দেহ নাই। বর্তমান যুগত গোলকীয় বাণিজ্যত চলচ্চিত্র সস্তীয়া পণ্যত পৰিণত হোৱাৰ তুলনাত ভাৰতীয় চলচ্চিত্রই বছৰ বছৰ জুৰি বৈচিত্র্যময় হৈ পৰিছে আৰু সর্ব দিশতে নিত্য নতুন কাৰিকৰী কৌশলেৰে উচ্চ স্থানত অৱতীর্ণ হৈছে। এই গণ মাধ্যমটোৰ সমপর্যায়ৰ অন্য এক মনোৰঞ্জক, আবেদনশীল আৰু প্রেৰণাদায়ক মাধ্যম বিচাৰি পাবলৈ কঠিন।

৯.৩ চলচ্চিত্রৰ বৈশিষ্ট্য

ৰেডিঅ' আৰু দূৰদর্শনৰ পূর্বেই চলচ্চিত্রৰ আগমন ঘটিছিল। ইয়াৰ আগমনৰ লগে লগে উৎকণ্ঠা আৰু মোহনীয়তাই দর্শকক আবৰি ধৰিছিল। এক কথাত চলচ্চিত্র যেন এটি ধুমকেতু। ই ইমান প্রভাৱশালী আছিল যে যেতিয়া মানুহে ইয়াৰ চলমান ৰূপটো সর্বপ্রথমে দেখিবলৈ পায় তেতিয়া মানুহবোৰে চলচ্চিত্রৰ ছবিবোৰ সঁচাকৈয়ে তেওঁলোকৰ ফাললৈ আহিছে বুলি ভাবি হলৰ পৰা পলায়ন কৰিছিল।

মানুহৰ আবেদন সৃষ্টিত চলচ্চিত্রৰ অতুলনীয়। কিছুমান গুণগত মানৰ বাবে চলচ্চিত্র অন্য মাধ্যমৰ পৰা পৃথক। তলত চলচ্চিত্রৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা হ'ল।

- **গণ মাধ্যম হিচাপে চলচ্চিত্রঃ** যিহেতুকে গৰিষ্ঠ সংখ্যক দর্শকে চলচ্চিত্র উপভোগ কৰে, সেইবাবে চলচ্চিত্র হ'ল গণ মাধ্যম। দৃশ্য-শ্রব্য মাধ্যম হিচাপে চলচ্চিত্রই শব্দ, পোহৰ আৰু কার্যৰ দ্বাৰা বহু বার্তা বহন কৰে।
- **মনোৰঞ্জনৰ আহিলা হিচাপে চলচ্চিত্রঃ** চলচ্চিত্র প্রধানকৈ মনোৰঞ্জনৰ মাধ্যম। দর্শকক মনোৰঞ্জন কৰিব পৰা গুণৰ বাবে ইয়াৰ মানদণ্ড অধিক।
- **সহযোগী মাধ্যমঃ** চলচ্চিত্র এটি সহযোগী মাধ্যম কিয়নো ই বহুসংখ্যক লোকৰ সহযোগিতাপূর্ণ চেষ্টাৰ ফল। অর্থাৎ চলচ্চিত্র বহু সংখ্যক লোকৰ অৰিহণাৰে সমৃদ্ধ। যেনে — প্রযোজক, পৰিচালক, চিত্র নাট্যকাৰ, নৃত্য পৰিচালক, সংগীত পৰিচালক, এক্সন (সমৰ) পৰিচালক, সম্পাদক, ৰূপসজ্জা, দৃশ্যগ্রহণৰ উপৰিও অভিনেতা আৰু অভিনেত্রী আদি জড়িত থাকে। এই সকলো ব্যক্তিৰ সামূহিক কামৰ ফলত একোখন চলচ্চিত্রই প্রযোজনাৰ ৰূপ পায়।
- **শিল্প মাধ্যমঃ** চলচ্চিত্র নির্মাণ এক প্রকাৰ বিশুদ্ধ শিল্প। একোখন চলচ্চিত্র একোজন পৰিচালকৰ ভাস্কর্য। ই হ'ল একোজন পৰিচালকৰ লেখত ল'ব লগীয়া নান্দনিক দৃষ্টিভংগী। অন্য শিল্পবোৰৰ দৰে চলচ্চিত্রও এক ধৰণৰ ব্যক্তিগত সৃষ্টি, এক ধৰণৰ প্রতিভাশালী উপহাৰ যিয়ে নানা সঁজুলিৰে এটা কাহিনীক এটা মাধ্যমলৈ ৰূপান্তৰ ঘটায়।
- **উন্নয়নৰ মাধ্যম হিচাপে চলচ্চিত্রঃ** গণ সংযোগৰ বাবে চলচ্চিত্র এক গুৰুত্বপূর্ণ মাধ্যম। চলচ্চিত্রই দর্শকৰ মনত ইন্দ্রজালৰ সৃষ্টি কৰে, যিয়ে দর্শকক ক্ষণিকৰ বাবে এক ঐন্দ্রিজালিক জগতলৈ লৈ যায়। প্রাৰম্ভিক স্তৰত চলচ্চিত্র মনোৰঞ্জনৰ মাধ্যম হিচাপে বিবেচনা কৰা হৈছিল আৰু ইয়াৰ প্রভাৱশীলতালৈ চাই ই গণসংযোগৰ উন্নত মানৰ মাধ্যম হোৱাৰ সম্ভাৱনীয়তাক স্বীকাৰ কৰিব পাৰি। দর্শকৰ ওপৰত ইয়াৰ দীর্ঘ স্থায়ী প্রভাৱৰ বাবে ই উচ্চস্তৰৰ গণ মাধ্যম হিচাপে ব্যৱহৃত হ'ব পাৰে।

- **চিত্তাকর্ষক মাধ্যম হিচাপে চলচ্চিত্র ঃ** দর্শকে একোখন চলচ্চিত্র অনুধাৱন কৰিবৰ বাবে ইয়াৰ সৈতে একাত্ম হোৱাটো প্রয়োজনীয়। তেওঁলোকে চলচ্চিত্রত যি শুনে বা দেখে তাৰ প্রতি মনোযোগী হোৱা উচিত কাৰণ নতুন চিন্তা আৰু বার্তাৰ সম্প্রসাৰণ কৰাৰ লগতে মনো�ৰঞ্জন প্রদান কৰে। যেতিয়া চলচ্চিত্রই বিষয়বস্তু, বার্তা আৰু মনো�ৰঞ্জন দর্শকৰ মাজত বিলাই দিয়ে, তেওঁলোকে কি শুনিছে বা দেখিছে সেয়া মনোযোগ দিয়া উচিত।
- **বাস্তৱিক কিন্তু ব্যয়বহুল মাধ্যমঃ** চলচ্চিত্রই বাস্তৱতাক ইন্দ্রজাললৈ ৰূপান্তৰ কৰে। চলচিত্রই যি সৃষ্টি কৰে সেয়া সত্য অথবা বাস্তৱ বুলি দর্শকে মানি লয়। সেয়ে চলচ্চিত্রই বাস্তৱ অভিজ্ঞতা আহৰণৰ নানা ধৰণৰ সম্ভাৱনীয়তা দর্শকলৈ আগবঢ়ায়। অৱশ্যে চলচ্চিত্রৰ সৈতে মূলধনৰ কথাও জড়িত হৈ থাকে। চলচ্চিত্র তুলানামূলকভাৱে ৰেডিঅ' আৰু দূৰদর্শনতকৈ ব্যয়বহুল।
- **পুৰণি বৈদ্যুতিক মাধ্যমঃ** চলচ্চিত্র অন্য দুটা (আকাশবাণী, দূৰদর্শন) বৈদ্যুতিক মাধ্যমতকৈ বহু পুৰণি। আকাশবাণী (১৯২৭) আৰু দূৰদর্শনৰ (১৯৫৯) আগমনৰ আগতে চলচ্চিত্রৰ (১৮৯৫) চনত আগমন ঘটিছিল আৰু জনসাধাৰণক মনোৰঞ্জন প্রদান কৰিছিল, লগতে ই অতি জনপ্রিয় মাধ্যম হৈ পৰিছিল।
- **অতি প্রভাৱশালী মাধ্যমঃ** যেতিয়াৰ পৰা ইয়াক গণসংযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈছে তেতিয়াৰে পৰা চলচ্চিত্র অতিকৈ প্রভাৱশালী মাধ্যম হৈ পৰিছে । ইয়াৰ দৃশ্য-শ্রাব্য প্রকৃতিয়েই ইয়াৰ প্রভাৱশালীতাৰ উৎস। দেখা মাত্রেই বিশ্বাস ওপজা চলচ্চিত্র মানুহবোৰে উপভোগ কৰি চৰিত্রবোৰৰ সৈতে এক আৱেগিক সম্পর্ক গঢ়ি তোলে আৰু চলচ্চিত্রত কেতিয়াবা জীৱনতকৈও বিশাল ৰূপটো উদ্ভাসিত হয়।



অনুশীলনী

বলিউডৰ এখন ছবি অথবা এখন অসমীয়া ছবি চাওক আৰু ইয়াৰ বৈশিষ্ট্য তথা ৰেডিঅ' বা টেলিভিছনৰ লগত এই মাধ্যমৰ পার্থক্যসমূহ বর্ণনা কৰিবলৈ যত্ন কৰক।

৯.৪ চলমান ছবিৰ ইতিহাস

৯.৪.১ লুমিয়েৰ ভাতৃদ্বয়

লুমিয়েৰ ভাতৃদ্বয় আছিল মূলতঃ ফৰাছী আৱিষ্কাৰক আৰু আলোকচিত্রৰ যন্ত্রপাতি প্রস্তুত কাৰক। এওঁলোকেই **চিনেমেট'গ্রাফ নামৰ এটি কেমেৰা তথা প্রজেক্টৰ উলিয়ায় আৰু প্রথম চলমান ছবি ৰেকর্ড কৰিবলৈ সক্ষম হয়। আগষ্ট লুমিয়েৰ** (১৯ অক্টোবৰ ১৮৬২ — ১০ এপ্রিল ১৯৫৪) আৰু তেওঁৰ ভাতৃ লুই লুমিয়েৰে (৪ অক্টোবৰ ১৮৬৪ — ৬ জুন ১৯৪৮) 'La Sortie des ouvriers de l'usine Lumiere' ৰ

প্ৰথমখন চলমান ছবি প্ৰস্তুত কৰি উলিয়ায় ১৮৯৫ চনত। এজন চিত্ৰকৰৰ এই দুই পুত্ৰই স্কুলীয়া জীৱনত বিজ্ঞানত বিশেষ সাফল্য দেখুওৱাবলৈ সক্ষম হৈছিল। পেৰিছৰ এখন ৰেষ্টুৰাত ১৮৯৫ চনৰ ২৮ ডিচেম্বৰ তাৰিখে প্ৰথম চলমান ছবিৰ প্ৰদৰ্শন কৰে আৰু ভূয়সী প্ৰশংসা লাভ কৰে।

লুমিয়েৰ ভাতৃদ্বয়ে ব্যৱহাৰ কৰা প্ৰথমটো যন্ত্ৰই কেমেৰাৰ কামো কৰিছিল আৰু প্ৰদৰ্শনৰ কামো কৰিছিল। সেই সময়ত প্ৰতি ছেকেণ্ডত ১৬ টা ফ্ৰেমত চলমান ছবি ৰেকৰ্ড কৰা হৈছিল। তেওঁলোকৰ প্ৰথম অৱস্থাৰ ছবিবোৰ মূলতঃ দৈনন্দিন ফৰাছীসকলৰ জীৱন যাত্ৰাক লৈয়ে সীমাৱদ্ধ আছিল। যেনেকৈ এখন ট্ৰেইন অহা, তাচপাত খেলা, কেচুৰা শুওৱা, সেনাবাহিনীৰ মাৰ্ছিং, চহৰৰ ৰাষ্টাৰ বিভিন্ন কাম-কাজ আদিয়ে আছিল তেওঁলোকৰ প্ৰথম অৱস্থাৰ ছবিসমূহৰ বিষয়বস্তু। ১৮৯৬ চনৰ ভিতৰত তেওঁলোকে প্ৰায় ৪০ খন মান এনে ধৰণৰ ছবি প্ৰস্তুত কৰি উলিয়াইছে। কিছুমান হাস্যৰস যোগাব পৰা ছবিও তেওঁলোকে নিৰ্মাণ কৰিছিল। লুমিয়েৰ ভাতৃদ্বয়ে প্ৰথম নিউজৰীল ফৰাছী আলোকচিত্ৰ সমিতিৰ অধিৱেশনৰ ওপৰত প্ৰস্তুত কৰিছিল আৰু তেওঁলোকে তথ্যচিত্ৰ তথা কাহিনীৰ চিত্ৰও প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

৯.৪.২ হলিউড

হলিউড হৈছে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়াৰ ল'চ এঞ্জেলেছৰ এখন জিলা। ইয়াৰ সাংস্কৃতিক পৰিচয়, চলচিত্ৰ জগতৰ ঐতিহাসিক কেন্দ্ৰবিন্দু ৰূপে পৰিচিত হোৱাৰ কাৰণে হলিউড আৰু ভিন্ন সূঁতিৰ চলচ্চিত্ৰ নিৰ্মাতা হিচাপে পৰিচিত হৈছিল। তেওঁ প্ৰধানকৈ জাতিভেদ সমস্যা, ধৰ্মীয় সংস্কাৰ আৰু নাৰীৰ অধিকাৰৰ দৰে বিষয়বস্তুৰ সৈতে সম্পৰ্ক ৰাখিছিল। 'অমৰ জ্যোতি' এগৰাকী লাঞ্ছিতা নাৰীৰ প্ৰতীক ধৰ্মী চলচ্চিত্ৰ য'ত নায়কে পোতক তুলিবলৈ চেষ্টা কৰিছিল। ইয়েই বোধহয় নাৰীৰ অধিকাৰৰ ওপৰত নিৰ্মিত ভাৰতবৰ্ষৰ সৰ্বপ্ৰথম চলচ্চিত্ৰ ৰূপে পৰিগণিত হৈছিল। মাৰ্কিন চিনেমাৰ এটি অন্য নাম হিচাপে পৰিগণিত হৈছে। ১৯১২ চনৰ ভিতৰত প্ৰায়বোৰ চিনেমা প্ৰযোজনা সংস্থাই ইয়াৰ জলবায়ু আৰু বিশেষকৈ মেক্সিক'লৈ যোৱাৰ সুবিধাৰ কাৰণে ল'চ এঞ্জেলেছত ষ্টুডিঅ' স্থাপন কৰিছিল। বায়'গ্ৰাফ কোম্পানীয়ে ১৯০৬ চনত এই চহৰতে A Daring Hold up in Southern California নামৰ এখন ছবি প্ৰস্তুত কৰিছিল। ১৯০৯ চনৰ আগষ্ট মাহৰ পৰা চেলিগ পলিস্ক'প কোম্পানী নামৰ সংস্থাটোৱে ল'চ এঞ্জেলেছৰ প্ৰথম ষ্টুডিঅ' সজোৱাৰ কাম আৰম্ভ কৰে।

ডি ডব্লিউ গ্ৰিফিঠ নামৰ চলচিত্ৰ পৰিচালকজনে হলিউডৰ প্ৰথমখন ছবি নিৰ্মাণ কৰে। ইন অ'ল্ড কেলিফৰ্ণিয়া নামৰ ১৭ মিনিটৰ এই ছুটি ছবিখন ১৯১০ চনৰ ১০ মাৰ্চ তাৰিখে মুকলি কৰা হয়। এই ছবিখনৰ সকলো ছুটিং হলিউডৰ গাঁওখনতেই

কৰা হৈছিল। ১৯১১ চনৰ ২৬ অক্টোবৰ তাৰিখে নেষ্টৰ ম'চন পিক্সাৰ কোম্পানীয়ে হলিউডৰ ষ্টুডিঅ'ত প্ৰথমখন ছবি প্ৰস্তুত কৰে। সেই সময়ত বহু প্ৰযোজকে ম'চন পিক্সাৰ পেটেণ্টচ কোম্পানীৰ পৰা শাস্তিমূলক অনুজ্ঞাপত্ৰ প্ৰয়োজনৰ বাবে পূৰ্ব উপকুলৰ পৰা এই অংশলৈ তেওঁলোকৰ আন্তঃগাঁঠনি স্থানান্তৰ কৰে।

১৯২০ চনৰ ভিতৰত মাৰ্কিন চলচিত্ৰ উদ্যোগ হিচাপে হলিউড পৃথিৱীত বিখ্যাত হৈ পৰে। ১৯১৮ চনত এইচ জে হোৱাইটলিয়ে এ এছ বাৰ্ণছ নামৰ এজন ব্যক্তিক হোৱাইটলি হাইটছ সাজিবৰ বাবে দায়িত্ব দিয়ে।

৯.৫ ভাৰতীয় চলচ্চিত্ৰ

৯.৫.১ দাদা চাহেব ফাল্কেৰ অৱদান

ভাৰতত সাধুকথা কোৱাৰ ঐতিহ্য যুগ যুগ ধৰি চলি আহিছে। এই পৰম্পৰাক ক্ৰমে আধুনিক সা-সৰঞ্জামৰ সহায়েৰে উপস্থাপন কৰিবলৈ প্ৰয়াস কৰা হয়। ভাৰতীয় প্ৰাচীন পৰম্পৰাগত মহাকাব্যৰ কাহিনী হাতেৰে অকাঁ নিৰ্বাক ছবিৰে পৰ্দাত উপস্থাপন কৰি মৌখিক শব্দ সংযোগেৰে কাহিনীক পৰিৱেশন কৰা হৈছিল। এই কাহিনীসমূহ প্ৰধানকৈ পৰিচিত দেৱ-দেৱীক লেম্পৰ সহায়ত অংকিত আইনাৰ স্লাইদত সুসজ্জিত মসৃণ গতিৰে উপস্থাপন কৰিছিল। সেয়েহে যেতিয়া গতিশীল ছবি বা চলচ্চিত্ৰৰ আগমন ঘটিছিল, সেই সময়ত ভাৰতীয় দৰ্শকসকলৰ কাৰণে সেয়া আছিল যেন যুগ যুগ ধৰি চলি অহা সেই পৰম্পৰাৰেই এক অত্যাধুনিক যান্ত্ৰিক উপস্থাপন। হয়তো এই প্ৰাচীন ঐতিহ্য তথা গীত-নৃত্য আৰু নাটকীয় উপস্থাপনৰ পৰম্পৰাৰ ভিত্তিতেই হয়তো প্ৰাৰম্ভৰ পৰাই ভাৰতীয় চলচিত্ৰত গান আৰু নৃত্যৰ সমাৱেশ বিদ্যমান।

প্ৰথম অৱস্থাত ঐতিহাসিক আৰু পৌৰাণিক কাহিনীসমূহেই চলচিত্ৰৰ ক্ষেত্ৰত বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল। এইবোৰৰ মূল বৈশিষ্ট আছিল ধৰ্মপ্ৰচাৰ আৰু ভাৰতীয় মূল্যবোধ। দাদাচাহেব ফাল্কেক ভাৰতীয় চলচিত্ৰৰ পিতৃপুৰুষ হিচাপে আখ্যা দিয়া হয়। ভাৰতত চলচিত্ৰৰ যি আন্দোলন গঢ়ি উঠিছিল সেই আন্দোলনৰ পুৰোধা ব্যক্তি আছিল ফাল্কে।

১৮৯৬ চনত লুমিয়েৰ ভাতৃদ্বয়ৰ ছখন নিৰ্বাক ছবি ব'ম্বেৰ ৰাটছন হোটেলত প্ৰদৰ্শন কৰা হৈছিল। ১৮৯৯ চনত চেলুলয়ডৰ জৰিয়তে হৰিচন্দ্ৰ ভাটৱাডেকাৰে দুখন ছুটি চিনেমা প্ৰদৰ্শন কৰিছিল। হৰিলাল সেন আৰু এফ বি থানাৱালা আছিল আন দুজন ব্যক্তি যি ১৯০০ চনত কলিকতা আৰু ব'ম্বেত কেইখনমান ছুটি ছবিৰ প্ৰযোজনা কৰিছিল। ১৯১২ চনত এন জি চিত্ৰে আৰু আৰ জি টৰ্ণিয়ে নিৰ্মাণ কৰা প্ৰথম নিৰ্বাক ছবি পুণ্ডলীক মুকলি কৰা হয়।

ভাৰতবৰ্ষৰ সৰ্বপ্ৰথম স্বতন্ত্ৰ নিৰ্বাক ছবি ৰাজা হৰিচন্দ্ৰ জন্ম দিয়ে দাদা চাহেব

ফাল্কেয়ে। ইয়াৰ লগে লগেই ভাৰতীয় চলচিত্ৰ উদ্যোগেও জন্ম লাভ কৰে। ধীৰেণ গাংগুলী, বাবুৰাও পেইন্টাৰ, চুচেট সিংহ, আৰ্দেশীৰ ইৰাণী, ভি. সান্তাৰাম কুৰি শতিকাৰ উল্লেখনীয় চলচ্চিত্ৰ নিৰ্মাতা আছিল।

দাদা চাহেব ফাল্কে ১৯১৮ চনত ফাল্কে এণ্ড কোম্পানী নামৰ তেওঁৰ প্ৰতিষ্ঠানটো স্থাপন কৰে মহাৰাষ্ট্ৰৰ নাছিকত। এইটোৱেই আছিল ভাৰতৰ প্ৰথম স্বতন্ত্ৰ সংস্থা। যাৰ ষ্টুডিঅ'ত এখন ছবি প্ৰস্তুত কৰাৰ কাম কৰিব পৰা গৈছিল। কেৱল কাহিনী চিত্ৰৰ কাৰণেই যে ফাল্কে জনপ্ৰিয় আছিল তেনে নহয়, কেবাখনো ছুটি ছবি আৰু তথ্যচিত্ৰৰ জৰিয়তে ভাৰতীয় চলচিত্ৰ উদ্যোগলৈ ফাল্কেৰ যি অৱদান সেয়া অনস্বীকাৰ্য। উল্লেখ্য যে ফাল্কে গংগাৱটাৰাম নামৰ এখন সবাক ছবিও নিৰ্মাণ কৰিছিল। যিখন আছিল তেওঁৰ জীৱনৰ শেষ ছবি।

৯.৫.২ নিৰ্বাক যুগ

আমি ইতিপূৰ্বে আলোচনা কৰিছো যে আগষ্ট আৰু লুই নামৰ ফৰাচী ভাতৃদ্বয়ে ১৮৯৫ চনৰ ২৮ ডিচেম্বৰ তাৰিখে প্ৰথমে চলমান ছবি প্ৰদৰ্শন কৰে। সেই সময়ত বৃটিছ শাসনাধিস্থ ভাৰতত তেনে কোনো প্ৰযুক্তি ব্যৱহাৰ কৰাৰ কথা কল্পনাও কৰানাছিল। ৰাজনৈতিক প্ৰেক্ষাপটত স্বাধীনতা আন্দোলনৰ জোৱাৰে চুই যোৱা সাধাৰণ জনতাৰ বাবে বিনোদনৰ মূল আহিলাসমূহ আছিল নৌতাংকী বা কাঠ পুতলীৰ দৰে পৰম্পৰাগত লোকমাধ্যম। আঢ্যৱন্তসকলৰ কাৰণে নৃত্য বা সংগীতৰ ব্যৱস্থাও নথকা নহয়। তেনে এক পৰিস্থিতিত ১৮৯৬ চনত লুমিয়েৰ ভাতৃদ্বয়ে ভাৰততো তেওঁলোকৰ নৱ আৱিস্কৃত এই বিশেষ গণমাধ্যম প্ৰদৰ্শন কৰিবলৈ আহিছিল। ব'ম্বেৰ ৰাটচন হোটেলত প্ৰদৰ্শিত এয়াই আছিল প্ৰথম চিনেমেট'গ্ৰাফী প্ৰদৰ্শন।

পূৰ্বে উল্লেখ কৰা হৈছে যে ভাটাৱদেকাৰ আৰু হীৰালাল সেন এই দুই ব্যক্তিৰ উদ্যোগত ১৮৯৭ আৰু ১৮৯৯ চনত দুখন চুটি ছবি নিৰ্মাণ কৰা হৈছে। এই দুখন আছিল দুখন প্ৰদৰ্শিত থিয়েটাৰৰ ৰেকৰ্ডিং মাত্ৰ। ১৯০০ চনত থানোৱালা নামৰ এজন ব্যক্তিয়ে 'Splendid view of Bombay' আৰু 'The Taboot Procession' নামৰ দুখন ছবি প্ৰস্তুত কৰিছিল। এই দুখন আছিল বিশেষ কিছু ঘটনাৰ তথ্য সম্বলিত ৰূপ।

সেই সময়ত বহুতো চিনেমাধৰ্মী বিনোদন সামগ্ৰী বিদেশৰ পৰা আমদানী কৰা হৈছিল যেনেকৈ 'Life of Christ' (1901), Aladin and the wonderful Lamp (1902), Alibaba and 40 Thieves (1903) আৰু Napoleon Bonaparte (1904)। ইয়াৰ মূল কাৰণ হৈছে সেই সময়ত ভাৰত বৃটিছ সাম্ৰাজ্যৰ অধীনত আছিল আৰু দেশখনত ইংৰাজী ভাষী বহু লোকে বসবাস কৰিছিল। ইয়াৰ ফলতেই চিনেমাৰ দৰে নতুন প্ৰযুক্তিসমূহৰ ভাৰতলৈ আগমন হৈছিল যাৰদ্বাৰা ভাৰতীয় চলচ্চিত্ৰ নিৰ্মাতাসকল অনুপ্ৰাণিত হৈছিল?

ভাৰতলৈ চলচ্চিত্র মূলত এক বাণিজ্যৰ পণ্য হিচাপে অনা হৈছিল। পাশ্চাত্যত এটা দশক ধৰি যদিও বিভিন্ন ছবিৰ নির্মাণ কৰি থকা হৈছিল। কিন্তু ১৯১৩ চনতহে প্রথম পূর্ণ দৈর্ঘ্যৰ ছবি হিচাপে দাদা চাহেব ফাল্কেয়ে ৰাজা হৰিচন্দ্র নির্মাণ কৰে। ১৯১৪ চনত মোহিনী ভস্মাসুৰ নামৰ ছবিখনে মুক্তি পায়। উল্লেখ্য যে কমলাবাই গোখলে, সত্যৱান সাবিত্রী (১৯১৪), সত্যবাদী ৰাজা হৰিচন্দ্র (১৯১৭), শ্রীকৃষ্ণৰ জন্ম (১৯১৮) আৰু কালীয় মর্দন (১৯১৯) এই ছবিসমূহৰ জৰিয়তে নির্বাক জগতত প্রথম মহিলাই অভিনয় কৰে। প্রণিধানযোগ্য যে ১৯২০ চনৰ ভিতৰত প্রায় ২৭ খন নির্বাক ছবি প্রযোজনা কৰা হৈছে। এই ছবিসমূহৰ বিষয়বস্তু আছিল মূলত পৌৰাণিক কাহিনীধর্মী। ৰাজা হৰিচন্দ্রৰ মূলত পৌৰাণিক কাহিনীধর্মী। ৰাজা হৰিচন্দ্রৰ সাফল্যই এই ধাৰা অব্যাহত ৰাখিছিল। ১৯৩০ ৰ দশকত সবাক ছবিয়ে মুক্তি লাভ কৰাৰ আগলৈকে এনেধৰণৰ কাহিনীৰ ছবি নির্মাণ কৰি অহা হৈছে।

৯.৫.৩ সবাক যুগ

ভাৰতবর্ষৰ প্রথম সবাক চিত্র 'আলম আৰা' ইম্পেৰিয়েল ফিল্ম কোম্পানীয়ে প্রযোজনা কৰিছিল আৰু ১৯৩১ চনত আর্দেশীৰ ইৰাণীৰ পৰিচালনাত বোম্বেৰ মেজেষ্টিক চিনেমা হ'লত মুক্তি লাভ কৰিছিল। ১৯৩১ চনত সবাক চিত্রৰ নির্মাণ কার্য ভাৰতর্ষৰ বহুতো ঠাইত হৈছিল। চলিচ্চিত্র নির্মাতাৰূপে পৰিগণিত হৈছে।

ভি. সান্তৰাম বিতর্কিতভাৱে সেই সময়ৰ নতুনত্ব অনা আৰু অত্যুৎসাহী চলচ্চিত্র নির্মাতা আছিল। তেওঁৰ প্রথম চলচ্চিত্র 'অযোধ্যা কা ৰাজা' (১৯৩২) ৰ পৰা তেওঁ এজন সমাজ সচেতক।

পৌৰাণিক কাহিনীৰ পিছত পৰিয়ালকেন্দ্রিক ঘটনাই ভাৰতীয় চলচ্চিত্রত এক প্রকাৰ ৰাজত্ব কৰিছিল। ১৯৩০ চনৰ পৰা ১৯৪৬ চনলৈ ভাৰতৰ সময় আছিল ৰূপান্তৰণৰ সময় কিয়নো দ্বিতীয় বিশ্বযুদ্ধ, ভাৰতৰ স্বাধীনতা আন্দোলন আৰু দেশ বিভাজনৰ হিংসা আদি অপ্রীতিকৰ ঘটনাই দেশবাসীক হতাশগ্রস্ত কৰিছিল। সেই সময়ত খুব কম সংখ্যক চলচ্চিত্র নির্মাতাই এই সামাজিক সমস্যাসমূহক চলচ্চিত্রৰ বিষয় হিচাপে গ্রহণ কৰিছিল অথবা ভাৰতৰ স্বাধীনতা আন্দোলনক তেওঁলোকৰ কাহিনীৰ পটভূমি হিচাপে গঢ় দিছিল। ১৯৫০ চনত ভাৰতৰ চলচ্চিত্রই ৰঙীন ৰূপ ধাৰণ কৰিছিল। তথাপিও বেছি ভাগ চলচ্চিত্র ১৯৬০ চনৰ মাজভাগলৈকে ক'লা বগা ৰূপতেই নির্মিত হৈছিল। এই সময়ৰ বহু পৰিমাণে ৰোমাণ্টিক সংগীতধর্মী আৰু অতি নাটকীয় উপাদানক গুৰুত্ব দিয়া হৈছিল।

- **সোণালী পঞ্চাশঃ** ১৯৫০ চনত দেখা গৈছিল যে মেহবুব, বিমল ৰয়, গুৰু দত্ত আৰু ৰাজ কাপুৰৰ দৰে মহান পৰিচালকৰ উত্থানে ভাৰতীয় চলচ্চিত্রৰ প্রেক্ষাপট সলনি কৰিছিল। ১৯৬০ চনৰ শেষত আৰু ১৯৭০ চনৰ আৰম্ভণিত ৰোমাণ্টিক

চলচ্চিত্র আৰু ক্রিয়াশীলধর্মী চলচ্চিত্রই যথেষ্ট গুৰুত্ব পাইছিল আৰু ধর্মেন্দ্র, ৰাজেশ খান্নাৰ দৰে অভিনেতাই দেশবাসীৰ হিয়াৰ আমঠু হৈ পৰিছিল। ১৯৭০ চনৰ মধ্যভাগত ৰোমাণ্টিক চলচ্চিত্রই প্রতিক্রিয়াশীল, হিংসাত্মক আৰু চৰ্দাৰ-ডকাইতৰ কাহিনীলৈ ৰূপান্তৰিত হৈছিল।

- **নতুন ধাৰাৰ চলচ্চিত্র ঃ** নতুন ধাৰাৰ সৃষ্টিকাৰী পৰিচালকসকলে প্রায়েই কাৰিকৰী কৌশল, মননশীল চিন্তাক তেওঁলোকৰ বিষয়বস্তুত প্রয়োগ কৰিছিল। যদিও এইটো কেতিয়াও স্পষ্ট ৰূপত আন্দোলন হিচাপে গণ্য হোৱা নাছিল তথাপিও নতুন ধাৰাৰ চলচ্চিত্রৰ বিষয়ে সক্রিয় আলোচনা-বিলোচনা কৰিছিল আৰু চলচ্চিত্রৰ বিষয়ে ব্যৱসায়িক-কলাসুলভ উভয় দিশৰ সফলতাকে দেখুওৱাত সহায় কৰিছিল।
- **ভাৰতবর্ষত নতুন ধাৰাৰ বিৱর্তনঃ** ১৯৬০ চনত সংবেদনশীল চলচ্চিত্র নির্মাতা আৰু কাহিনীকাৰে সস্তীয়া আত্মাহীন নৃত্য আৰু গীতেৰে ভৰপূৰ চলচ্চিত্রক লৈ হতাশাত ভুগিছিল আৰু নান্দনিক দৃষ্টিভংগীৰ দ্বাৰা বাস্তৱক প্রতিনিধিত্ব কৰিব পৰা চলচ্চিত্রক মূল সূঁতিলৈ আনিবলৈ যত্ন কৰিছিল। এই সময়ত বহুতো চলচ্চিত্র ৰাজ্য চৰকাৰৰ বিত্তীয় সাহার্যৰে নির্মিত হৈছিল যাতে ভাৰতীয় চলচ্চিত্রই এক গুণগত কলাসুলভ চলচ্চিত্রলৈ উত্তৰণ ঘটিব পাৰে।

  সত্যজিৎ ৰায়ে তেওঁৰ প্রথম চলচ্চিত্র পথেৰ পাঁচালিৰ (১৯৫৫) দ্বাৰা ভাৰতীয় চলচ্চিত্রৰ গুৰি ধৰোঁতা হৈ পৰিছিল যাক শেষতীয়াকৈ 'ভাৰতীয় সমান্তৰাল চলচ্চিত্র' হিচাপে জনা যায়। ঋত্বিক ঘটকে তেওঁৰ প্রথম চলচ্চিত্র 'নাগৰিক' নির্মাণ কৰিছিল ১৯৫২ চনত, পিছে তেওঁৰ দ্বাৰা নির্মিত অযান্ত্রিকৰ (১৯৫৮) দ্বাৰাহে ভালদৰে পৰিচিত হৈছিল আৰু সমান্তৰাল চলচ্চিত্রৰ এক শক্তিশালী ব্যক্তি হৈ পৰিছিল। মৃণাল সেনে তেওঁৰ প্রথম চলচ্চিত্র 'ৰাতভৰ' ১৯৫৫ চনত নির্মাণ কৰিছিল।

  মৃণাল সেনৰ ভুবন শোম (১৯৬৯) আৰু মণি কৌলৰ উচকী ৰোটী (১৯৬৯) দুয়োখনক ৰাজ্যিক চলচ্চিত্র বিত্তীয় নিগমৰ দ্বাৰা বিত্তীয় সাহার্য দিয়া হৈছিল, তেওঁলোকে ফ্রেন্সৰ নভেল ভগৰ দ্বাৰা অনুপ্রাণিত হৈ ভাৰতীয় চলচ্চিত্রলৈ এক নতুন সংবেদনশীলতাৰ সৈতে নতুনত্ব আনিছিল। এই আন্দোলন নতুন ধাৰাৰ চলচ্চিত্র অথবা নতুন ভাৰতীয় চলচ্চিত্র হিচাপে পৰিচিত হৈছিল।

  দৃশ্য গ্রহণ সম্পর্কত কিছুমান চলচ্চিত্র নির্মাতাৰ কোনো আগতীয়া ধাৰণা নাছিল। সংগীত আৰু দৃশ্য ৰূপ চৰিত্রৰ মানসিকতা আৰু গতিশীলতাৰ ওপৰত ভিত্তি কৰিহে কৰা হৈছিল।

  FTII ৰ স্নাতক কুমাৰ ছাহানী, মণি কৌল, চৈয়দ মির্জা,শ্যাম বেনেগাল আৰু কেতন মেহতা নতুন ধাৰা ভাৰতীয় হিন্দী চলচ্চিত্রৰ মুধাফুটা ব্যক্তি আছিল। মণি কৌলৰ 'আষাড় কা এক দিন' (১৯৭১) আৰু দুবিধা (১৯৭৩), কুমাৰ চাহানীৰ

মায়া দৰ্পন (১৯৭২) আৰু শ্যাম বেনেগলৰ অংকুৰ (১৯৭৩), সত্তৰ দশকত হিন্দী চলচ্চিত্রৰ এই নতুন গতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্রহণ কৰিছিল। এম. এছ. সত্যুৰ 'গৰম হাৱা' (১৯৭৩) এই নতুন ধাৰাৰ গুৰুত্বপূৰ্ণ সংযোজন। গোবিন্দ নিহালিনি বেনেগলৰ কেমেৰামেন হিচাপে প্রবেশ কৰিছিল আৰু পৰিচালক ৰূপে তেওঁৰ প্রথম পৰিচয় 'আক্রোশ' (১৯৮০) ৰ হৈছিল। তেওঁ একেধাৰে সামাজিক, ৰাজনৈতিক ধাৰাৰ চলচ্চিত্র পার্টী (১৯৮৪), তমস (১৯৮৭) আৰু দৃষ্টি (১৯৯০) পৰিচালনা কৰিছিল। এই ক্ষেত্রত চৈয়দ মির্জাই উল্লেখনীয় ৰাজনৈতিক দর্শনৰ চলচ্চিত্র 'অৰবিন্দ দেশাই কী অজীৱ দাস্তান' (১৯৭৮), এলবার্ট পিন্টো কো গুচ্ছা ক্যো আটা হ্যে (১৯৮০), মোহন যোশী হাজিৰ হো (১৯৮৪) আৰু চলিম লংগ্রে পে মত ৰো (১৯৮৯) নির্মাণ কৰিছিল। বিংশ শতিকাৰ ৭০ ৰ আৰু ৮০ ৰ দশকৰ আৰম্ভণি ভাগত ভাৰতীয় নতুন ধাৰাৰ চলচ্চিত্রৰ যি সফলতা উদযাপিত হৈছিল সেই কৃতিত্ব বহুলভাৱে শ্যাম বেনেগললৈ যায়। তেওঁৰ দ্বাৰা পৰিচালিত এই চাৰিখন চলচ্চিত্র- অংকুৰ (১৯৭৩), নিশান্ত (১৯৭৫), মন্থন (১৯৭৬) আৰু ভূমিকা (১৯৭৭) ই সর্বোচ্চ কলা সুলভতাৰ সৈতে ব্যৱসায়িক সফলতাও আনিছিল। প্রধানকৈ FTII আৰু ৰাষ্ট্রীয় নাট্য বিদ্যালয়ৰ দ্বাৰা নতুন প্রতিভাক লৈ যেনে — শ্বাবানা আজমী, নাছিৰুদ্দিন শ্বাহ, ওম পুৰী, স্মিতা পাটিল, কুলভূষণ খাৰবান্দা আৰু অমৰশ পুৰীক লৈ বেনেগলে বহুধৰণৰ স্পর্শকাতৰ আৰু চিত্তাকর্ষক চলচ্চিত্র পৰিচালনা কৰিছিল।

- **নতুন ধাৰাৰ চলচ্চিত্র সংস্থা আৰু প্রতিষ্ঠানঃ** ১৯৪৩ চনত বোম্বেত প্রথম চলচ্চিত্র সংস্থা স্থাপিত হৈছিল। ১৯৪৭ চনত কলকতাত সত্যজিৎ ৰায়ে চলচিত্র সংস্থা স্থাপন কৰিছিল। ১৯৭০ চনৰ আৰম্ভণিতে সমগ্র ভাৰতবর্ষ জুৰি প্রায় ১৫০ খন চলচ্চিত্র সংস্থা গঢ়ি উঠিছিল। এই সংস্থাৰ জৰিয়তে মানুহে উৎকৃষ্ট ভাৰতীয় চিনেমা চাব পাৰিছিল আৰু উৎকৃষ্ট বিদেশী চলচ্চিত্রও চোৱাৰ সুবিধা লাভ কৰিছিল। ১৯৫২ চনত ফিল্ম ডিভিজনৰ দ্বাৰা পোনপ্রথমে আন্তঃৰাষ্ট্রীয় চলচ্চিত্র মহোৎসৱৰ আয়োজন বোম্বে, মাদ্রাজ আৰু কলকতাত অনুষ্ঠিত হৈছিল। ইউৰোপীয় ধ্রুপদী চলচ্চিত্র যেনে দি চিকাৰ 'বাইচাইকেল থিফ্ছ' মহোৎসৱত প্রদর্শিত হৈছিল আৰু ভৰপুৰ সংগীত নৃত্যৰে স্থূল মনোৰঞ্জনধর্মী ভাৰতীয় চলচ্চিত্র দেখি হতাশাগ্রস্ত হোৱা যুৱ পৰিচালকৰ মাজত আশাৰ সঞ্চাৰ কৰিছিল। চলচ্চিত্র প্রশিক্ষণ প্রতিষ্ঠান ১৯৬১ চনত পুনেত প্রতিষ্ঠা কৰা হৈছিল আৰু ৰাষ্ট্রীয় চলচ্চিত্রৰ যাদুঘৰ ১৯৬৪ চনত প্রতিষ্ঠা হৈছিল। ভাৰতীয় চলচ্চিত্র বিত্তীয় নিগম ১৯৬০ চনত চৰকাৰৰ দ্বাৰা প্রতিষ্ঠিত হৈছিল যাৰ উদ্দেশ্য আছিল পৰিচালকসকলক ব্যৱসায়িক সীমাৰ বাহিৰত থাকি কাহিনী চিত্র নির্মাণ কৰিবলৈ দিয়াটো।

  ১৯৬০ চনৰ পৰা ১৯৮০ চনলৈকে নির্মিত হোৱা কলাধর্মী অথবা সমান্তৰাল ধাৰাৰ চলচ্চিত্রসমূহ নির্মাণ কৰা হৈছিল। কিছুমান পৰিচালকে ভাৰতীয় পটভূমিক

বিষয়বস্তু হিচাপে চৰকাৰৰ আর্থিক সাহার্যত লৈ কৰা চলচ্চিত্রক ৰাজ্য চৰকাৰে অর্থ সাহার্য দিছিল। তেওঁলোকৰ চলচ্চিত্রসমূহ ৰাজ্যিক চলচ্চিত্র মহোৎসৱ আৰু চৰকাৰী প্রচাৰ মাধ্যমত প্রদর্শিত হৈছিল। এই সকলোবোৰ কাৰকে ভাৰতীয় চিনেমালৈ এক বৈপ্লিৱক পৰিবর্তন আনিছিল। ফলত ভাৰতীয় চিনেমাৰ এক নতুন ৰূপ নির্মিত হৈছিল যাক নতুন ধাৰাৰ বা নতুন ভাৰতীয় চলচ্চিত্র বুলি অভিহিত কৰা হৈছে।

- **অতিক্রম হোৱা অতীতঃ** মুম্বাইত আশীৰ দশকত ভাৰতীয় চলচ্চিত্র দুভাগত বিভক্ত হৈছিল। গোবিন্দ নিহালিনিৰ প্রযোজনা 'অর্ধ সত্য'ৰ বিষয় আছিল অপৰাধ আৰু ৰাজনীতিৰ মাজত সম্পর্ক। মহেশ ভাটৰ আগমন হৈছিল তেওঁৰ দ্বাৰা অতি উচ্চ মানদণ্ডৰ ব্যৱসায়িক চলচ্চিত্রৰ যোগেদি। তেওঁৰ 'অর্থ' ই (১৯৮৩) অপাৰ সাফল্যৰ স্বাক্ষৰ বহন কৰিছিল। এই চলচ্চিত্রৰ বিষয় চিৰন্তন ত্রিকোণীয় প্রণয় আছিল। তথাপিও ইয়াৰ চলচ্চিত্রীয় মূল্যই (Cinematic values) একে ধাৰাৰ অন্য চলচ্চিত্রতকৈ ইয়াক নিলগাই ৰাখিছিল। উল্লেখনীয় যে এই চলচ্চিত্র ভাৰতীয় নাৰীৰ নাৰী স্বাধীনতাৰ ওপৰত ভিত্তি কৰি নির্মাণ কৰা হৈছিল যিটো বিষয় কাচিৎহে হিন্দী চলচ্চিত্রসমূহত প্রদর্শিত হয়।
- **১৯৯০ চনঃ** বিংশ শতিকাৰ ৯০ ৰ দশকত বিশ্বায়নৰ প্রক্রিয়াই ভাৰতীয় চলচ্চিত্রকে ধৰি সমগ্র চলচ্চিত্রৰ ৰূপটোৰ পৰিবর্তন ঘটালে। নতুন ধাৰাৰ চলচ্চিত্রৰ গুণাগুণক এচামে সাংস্কৃতিক পণ্য দ্রব্যত পৰিণত কৰাৰ বাবে ক্ষুৰধাৰ সমালোচনা কৰিলে, পৰম্পৰাক জনপ্রিয়তালৈ পৰিণত, পৰিয়ালৰ প্রমূল্য, সম্পর্কৰ পবিত্রতা এক প্রকাৰ পণ্য হৈ পৰিল। মুঠতে বিদেশী দূৰদর্শনৰ চেনেল আৰু বহুজাতিক কোম্পানীসমূহৰ আগ্রাসনে থলুৱা উদ্যোগৰ অস্তিত্বহীন কৰাত সমাজ জীৱনলৈ ভাবুকি আনিলে।

  এই চলচ্চিত্রই দর্শকক এক ধৰণৰ কৃত্রিম নিৰাপত্তা প্রদান কৰিলে। ফলত অপাৰ জনপ্রিয়তা অর্জন কৰিলে। এই ধাৰাটো সুৰজ বাৰজাতিয়াৰ 'হম আপকে হ্যেয় কোন' ৰ দৰে চলচ্চিত্রৰে আৰম্ভ কৰিলে য'ত ১৪ টা সংগীতৰ দৃশ্য আছিল আৰু ই এক ধৰণৰ সুখৰ ইন্দ্রজাল ৰচিলে য'ত যৌথ পৰিয়ালৰ এখন বিয়াৰ আচাৰ-বিধিক ঐতিহ্যময় কৰি তোলা হৈছিল। দুর্ভাগ্যজনক কথা যে বাৰজাতিয়াৰ চেলুলয়দ পৰিয়ালক পিছে আধুনিক সময়তহে প্রয়োজন হয়, অকল বস্তুগত অর্থত ব্যৱসায় বিস্তৃতিৰ, ঐশ্চর্যৰ মজ্জাৰ বাবে।

  অন্যান্য চলচ্চিত্র যেনে দিলৱালে দুলহনিয়া লে জায়েংগে, দিলটো পাগল হ্যে আৰু কুছ কুছ হোতা হোত পিতৃপ্রধান নিয়ম কানুনক সন্মান, পৰম্পৰা আৰু নিয়ম নীতিৰ প্রতি আস্থা প্রদর্শন তথা পবিত্রতা ৰক্ষাৰ বাবে এক আচৰণমূলক সংকেত উপস্থাপন কৰা হৈছিল য'ত জ্যেষ্ঠক সন্মান প্রদর্শন আৰু একোটা জাতি বা গোটত অন্তর্ভুক্ত হোৱাৰ আকাংক্ষা প্রদর্শন কৰা হৈছিল নতুবা প্রেম, বন্ধুত্ব

আৰু দায়িত্ববোধ, অভ্যন্তৰীণ সংঘাত নিৰাময়ৰ স্বৰূপ প্রদর্শিত হৈছে। হিন্দী চলচ্চিত্রক কেৱল তেনে ধৰণে ভবাটো উচিত নহ'ব। এই সময়ছোৱাতে চলচ্চিত্র পৰিচালক মণি ৰত্নম (ৰোজা), গুলজাৰ (মার্চিছ), কাজাদ গুষ্টাড (বোম্বে বয়জ), নাগেশ কুক্যনুৰ (হায়দৰাবাদ ব্লুজ) আৰু দীপা মেহতাই (ফায়াৰ) এনে ধৰণৰ চলচ্চিত্র পৰিচালনা কৰিছিল যিয়ে ব্যক্তি স্বতন্ত্রবোধ, নতুন বিষয়বস্তু উপস্থাপন আৰু এক মনোমুগ্ধকৰ পৰিবেশ প্রদান কৰিছিল। এই সকলোবোৰে পিছে ভাৰতীয় চলচ্চিত্রৰ শক্তি সামর্থ, ৰং ৰূপ আৰু ইয়াৰ উল্লেখযোগ্যতাক উৰাই ঘূৰাই একে বিষয়বস্তুকে সলনি কৰি থাকে। এইটো হ'ল এক ধৰণৰ গুণগত দিশ য'ত ভাৰতীয় চলচ্চিত্রক এনে ধৰণে নির্মাণ কৰা হয় যে বাকী সকলো কলা মাধ্যম যেন - দূৰদর্শন, নাটক, বিজ্ঞাপন, সংগীত আৰু তথ্য প্রযুক্তিৰ নতুন ধৰণক সাঙুৰি নগৰীয়া সংস্কৃতিক প্রভাৱান্বিত কৰে। ইয়ে যথাযথ ৰাজনৈতিক জীৱনকো প্রভাৱান্বিত কৰি আহিছে। তামিলনাড়ুত চলচ্চিত্র তাৰকাই কেবা দশক জুৰি শাসন কৰি আহিছে আৰু ইয়াৰ ফিল্ম ক্লাৰসমূহ হৈছে ভোট বেংক। অন্ধ্রপ্রদেশত এবাৰ এজন অভিনেতাই তেলেগুৰ 'নিজৰ গৌৰৱ' ৰূপে পৰিচয় দিছিল।

অন্যান্য ঠাইত অভিনেতাই নিজৰ জনপ্রিয়তাক কেন্দ্র কৰি ৰাজ্যসভাই হওঁক অথবা লোকসভাই হওঁক আসন লাভ কৰি আহিছে।

৯.৬ আঞ্চলিক চলচ্চিত্র

দেশৰ অতি উচ্চ মানদণ্ডৰ চলচ্চিত্র নির্মাতাসকল আঞ্চলিক ভাষাৰ চলচ্চিত্র জগতৰ পৰাই আহিছে। যেনে — বাংলা, মালায়লম, তামিল আৰু কানাড়া। এই সকলৰ ভিতৰত অৱশ্যে স্বর্গীয় সত্যজিৎ ৰায় অন্যতম আছিল।

অদুৰ গোপাল কৃষ্ণনৰ প্রথম চলচ্চিত্র 'স্বয়ংবৰম' (১৯৭২) এ মালায়লম নব্য ধাৰাৰ চলচ্চিত্রৰ পৰিসৰ বিস্তৃত কৰিছিল। অৰবিন্দৰ প্রথম চলচ্চিত্র উত্তৰায়নম (১৯৭৪) এই আন্দোলনক শক্তিশালী কৰিছিল। জন আব্রাহম, কে. আৰ. মোহনম আৰু পি. এ. বেকাৰ আদিয়ে নতুন মালায়লম চলচ্চিত্রৰ নির্মাণত স্বাভাৱিকভাৱে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। কানাড়া দক্ষিণ ভাৰতৰ অন্য এটা চলচ্চিত্র উদ্যোগ আছিল, য'ত দক্ষিণ ভাৰতৰ আন্দোলনৰ মুখ্য স্থান আছিল। বি. ভি. কৰণ, গিৰিশ কর্ণাড, গিৰিশ কশাৰৱালী কানাড়া সমান্তৰাল চলচ্চিত্রৰ বাহক আছিল। গিৰিশ কশাৰৱালী (পুনে ফিল্ম ইনষ্টিটিউট) চলচ্চিত্র শিক্ষা প্রতিষ্ঠান পুনেৰ স্নাতক আছিল আৰু তেওঁ ১৯৭৭ চনত প্রথম পৰিচালনা কৰিছিল 'ঘট শ্রদ্ধা' যিয়ে সর্বশ্রেষ্ঠ ছবিৰ ৰাষ্ট্রীয় পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল।

অসমৰ জাহ্নু বৰুৱাই তেওঁৰ প্রথম চলচ্চিত্র অপৰূপা (১৯৮১) পৰিচালনা কৰিছিল। তেওঁৰ হালধীয়া চৰায়ে বাওধান খায় (১৯৮৭)ত আন্তঃৰাষ্ট্রীয় পর্যায়ত স্বীকৃতি লভিছিল যাৰ বিষয়বস্তু আছিল অসমৰ গ্রাম্য সমাজৰ সামাজিক সমস্যা। তেওঁৰ আগতে ভবেন্দ্রনাথ শইকীয়াই

অবিৰতভাৱে অৰ্থবহ জনপ্ৰিয় চলচ্চিত্ৰ পৰিচালনা কৰিছিল আৰু মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁৰ চলচ্চিত্ৰই পুৰস্কাৰ লভিবলৈ সক্ষম হৈছিল। বৰ্তমানেও মঞ্জু বৰাৰ দৰে বহু পৰিচালকে অসমত আত্মপ্ৰকাশ কৰিছে।

৯.৬.১ অসমীয়া চলচ্চিত্ৰ

অসমীয়া চলচ্চিত্ৰ নানা ধৰণৰ পৰিবৰ্তনৰ মাজেৰে আগবাঢ়িছে। প্ৰথম অসমীয়া চলচ্চিত্ৰ 'জয়মতী' জ্যোতিপ্ৰসাদ আগৰৱালাই ১৯৩৫ চনত মুক্তি দিছিল। 'জয়মতী' এনে সময়ত নিৰ্মাণ কৰা হৈছিল যিটো সময়ত চলচ্চিত্ৰৰ আন্তঃগাঁথনি তথা ইয়াৰ বাবে পৰিবেশ পৰিস্থিতি একেবাৰে অনুকুল নাছিল। জ্যোতিপ্ৰসাদ আগৰৱালাই কলকাতাত বাংলা চলচ্চিত্ৰৰ প্ৰসাৰ দেখি এই সুবৃহৎ আঁচনি খন প্ৰস্তুত কৰিলে। আৰম্ভণিতে তেওঁ এটা সৰু অস্থায়ী ষ্টুডিঅ' ভোলাগুৰি চাহ বাগিছাৰ কাৰ্যালয়ত স্থাপন কৰিছিল। তেওঁৰ সকলো পৰিশ্ৰমৰ ফল, তেওঁ উদ্যম আৰু সাহসত দৰ্শকে চেঁচা পানী ঢালিলে। তথাপি তেওঁ হতাশ হোৱা নাছিল আৰু তেওঁ দ্বিতীয়খন চলচ্চিত্ৰ 'ইন্দ্ৰমালতী' ১৯৩৯ চনত নিৰ্মাণ কৰি উলিয়াইছিল।

উল্লেখযোগ্য যে প্ৰথম অসমীয়া চলচ্চিত্ৰ 'জয়মতী'ৰ পাছৰ পৰা অসমীয়া ভাষাৰ আৰু অসমৰ অন্যান্য উপভাষাৰ ৩০০ খনতকৈ অধিক চলচ্চিত্ৰৰ প্ৰযোজনা হৈছে। ইয়াৰ পৰাই কিছুসংখ্যক চলচ্চিত্ৰই ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বীকৃতি লভিবলৈ সক্ষম হৈছিল। এইবোৰৰ সাৰবস্তু প্ৰেম কাহিনীৰ পৰা পৌৰাণিক কাহিনীলৈ, ইতিহাসৰ পৰা কৌতুকধৰ্মীলৈ, দেশভক্তিৰ পৰা ভৌতিকলৈ বিয়পি আছিল আৰু দৰ্শকে চেলুলয়ডত বিচিত্ৰ অভিজ্ঞতা লাভ কৰিছিল।

নক'লেও হ'ব যে অসমীয়া চলচ্চিত্ৰই সময়ে সময়ে ৰাষ্ট্ৰীয় পুৰস্কাৰ আৰু আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছিল। বিংশ শতিকাৰ পঞ্চাশৰ দশকত হোৱা প্ৰযোজনা হোৱা চলচ্চিত্ৰ যেনে — পিয়লী ফুকন, মাক আৰু মৰম, তেজীমলাই ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক লাভ কৰিছিল। একে সময়তে 'পূবেৰুণ' -এ বাৰ্লিন চলচ্চিত্ৰ মহোৎসৱত আন্তঃৰাষ্ট্ৰীয় সমাদৰ লাভ কৰিছিল।

- **অসমীয়া চলচ্চিত্ৰৰ সোণালী যুগঃ** অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ সোণালী যুগ প্ৰযোজনাসমূহৰ গতিশীলতাৰ ওপৰত নিৰ্ভৰশীল। এই যুগটোত বাৰ্ষিক কিমান চলচ্চিত্ৰ নিৰ্মাণ হৈছিল তেনে কথাৰ ওপৰত নহয়, বিষয়বস্তু আৰু চলচ্চিত্ৰ কৌশলৰ ওপৰত ভিত্তি কৰিহে কৰা হৈছে। এই সকলোবোৰ বিংশ শতিকাৰ সত্তৰ আৰু আশীৰ দশকত ঘটিছিল যেতিয়া যোগ-বিয়োগ, ওপজা সোণৰ মাটি, ভাইটি, চামেলী মেমচাহাব, মেঘমুক্তি, দূৰণিৰ ৰং, আজলী নৱৌ, সেন্দুৰ, ঘৰসংসাৰ, বোৱাৰী, সোণমইনা আৰু বৃহৎ সংখ্যক অন্যান্য সফল চলচ্চিত্ৰ প্ৰযোজনা কৰা হৈছিল।

অসমৰ কেইগৰাকীমান জনপ্রিয় চলচ্চিত্র নির্মাতা হ'ল জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণু প্রসাদ ৰাভা, ফণী শর্মা, পার্বতী প্রসাদ বৰুৱা, কমল নাৰায়ণ চৌধুৰী, ড° ভূপেন হাজৰিকা, শিৰ প্রসাদ ঠাকুৰ, অজান বৰুৱা, পদুম বৰুৱা, নিপ বৰুৱা, শৈল বৰুৱা, ব্রজেন বৰুৱা, আব্দুল মজিদ, জাহ্নু বৰুৱা, ড° ভবেন্দ্র নাথ শইকীয়া, মুনিন বৰুৱা, মঞ্জু বৰা আৰু বহুতো।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূর্ণ কৰক।

ক) ..... ক ভাৰতীয় চলচ্চিত্রৰ পিতৃ জ্ঞান কৰা হয়।

খ) প্রথমখন ভাৰতীয় সবাক চলচ্চিত্র ..... ইম্পেৰিয়েল ফিল্ম কোম্পানীয়ে প্রযোজনা কৰিছিল আৰু ..... এ পৰিচালনা কৰিছিল।

গ) ..... চলচ্চিত্রখনৰ জৰিয়তে সত্যজিৎ ৰায়ে চলচ্চিত্রৰ অগ্রগামী ব্যক্তি হিচাপে পৰিচিত হৈছিল যাক পাছলৈ ভাৰতীয় সমান্তৰাল চলচ্চিত্র বুলি জনা যায়।

ঘ) ..... ৰ পৰা ..... নির্মিত হোৱা কলাসুলভ অথবা সমান্তৰাল চলচ্চিত্র সাধাৰণত চৰকাৰী অনুদানযোগ্য হিচাপে স্বীকৃতি দিয়া হৈছে।

ঙ) জ্যোতিপ্রসাদ আগৰৱালাৰ দ্বাৰা নির্মিত প্রথম অসমীয়া চলচ্চিত্র 'জয়মতী'য়ে মুক্তি পাইছিল ..... চনত।

প্রশ্ন নং ২ ঃ লুমিয়েৰ ভাতৃদ্বয় কোন আছিল?

.....

প্রশ্ন নং ৩ ঃ প্রথম অসমীয়া চলচ্চিত্র 'জয়মতী' জ্যোতিপ্রসাদ আগৰৱালাই ..... চনত মুক্তি দিছিল।

প্রশ্ন নং ৪ ঃ কানাড়া সমান্তৰাল চলচ্চিত্রৰ বাহক কেইগৰাকীমানৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৫ ঃ বিংশ শতিকাৰ পঞ্চাশৰ দশকত ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা কেইখনমান চলচ্চিত্রৰ নাম উল্লেখ কৰক।

.....



৯ .৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

চলচ্চিত্ৰ আকাশবাণী আৰু দূৰদৰ্শনতকৈ আগতে আহিছিল আৰু আৰম্ভণিৰ সময়ৰ পৰাই সদায়ে দৰ্শকক মোহিত কৰি আহিছে। চলচ্চিত্ৰ হ'ল এটা গণ মাধ্যম আৰু ই এটা গণ মাধ্যমৰ সকলো চৰিত্ৰ বহন কৰে। প্ৰকৃতিগতভাৱে চলচ্চিত্ৰই প্ৰাথমিক মনোৰঞ্জন প্ৰদান কৰে আৰু ই দৰ্শকৰ ওপৰত বিস্তৃত প্ৰভাৱ পেলাবলৈ সক্ষম হয়।

চলচ্চিত্ৰ কেৱল গণ মাধ্যমেই নহয়, ই হ'ল সামগ্ৰিকভাৱে সকলো কাৰ্য কৰিব পৰা এক গণ মাধ্যমো যি একেবাৰতে বহু মানুহৰ সহযোগিতা লাভ কৰিব পৰা এক মাধ্যম।

দৰ্শকে এখন চলচ্চিত্ৰৰ ভাগ্য নিৰ্ণয়ত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। যিকোনো চলচ্চিত্ৰ নিৰ্মাতাৰ বাবে দৰ্শক হ'ল গ্ৰহণযোগ্যতাৰ প্ৰাথমিক ধাৰণা কিয়নো দৰ্শক হ'ল চলচ্চিত্ৰৰ ভাগ্য গঢ়োতা তথা ভাঙোতাও।

ভাৰতীয় চলচ্চিত্ৰৰ আৰম্ভণি দাদা চাহেব ফাল্কেৰ দ্বাৰা নিৰ্মিত ৰাজা হৰিশ্চন্দ্ৰ, যিখন প্ৰথম ভাৰতীয় চলচ্চিত্ৰ হিচাপে বিবেচনা কৰা হয়। সেই তেতিয়াৰে পৰাই ভাৰতীয় চলচ্চিত্ৰ উদ্যোগে পাছলৈ ঘূৰি চোৱা নাই আৰু বহুতো চলচ্চিত্ৰ নিৰ্মাতাই বছৰজুৰি পৃথিৱীৰ সৰ্ববৃহৎ চলচ্চিত্ৰ উদ্যোগ ভাৰতীয় চলচ্চিত্ৰ উদ্যোগ প্ৰতিষ্ঠাত বৰঙণি যোগাই আহিছে। আৰ্দেশীৰ ইৰানী, ৰাজ কাপুৰ, হীৰালাল সেন, ধীৰেণ গাংগুলী, মেহবুব, গুৰু দত্ত আদি হ'ল উল্লেখযোগ্য চলচ্চিত্ৰ নিৰ্মাতাৰ উদাহৰণ।

ভাৰতত এক অভিজাত আঞ্চলিক চলচ্চিত্ৰ উদ্যোগো আছে। অসমীয়া চলচ্চিত্ৰ উদ্যোগকো ইয়াৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ উদ্যোগ বুলি ধৰা হয়, যাক ১৯৩৫ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ যত্নত স্থাপন কৰা হৈছিল। জাহ্নু বৰুৱা, ড° ভৰেন্দ্ৰনাথ শইকীয়া, মঞ্জু বৰা আদি হ'ল কেইজনমান অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ বিশিষ্ট ব্যক্তি। তথ্যচিত্ৰ হ'ল চলচ্চিত্ৰ নিৰ্মাণৰ অন্য এক প্ৰকাৰ যাৰ দ্বাৰা নিৰ্মাতাই বাস্তৱতাক প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰে। তেওঁলোক হ'ল অকাহিনী চিত্ৰৰ দ্বাৰা বাস্তৱ জীৱনৰ ঘটনাক প্ৰতিনিধিত্ব কৰোতা যিয়ে সামাজিক সমস্যা আৰু বাস্তৱ বিষয়ৰ মাজত সম্পৰ্ক স্থাপন কৰে।



৯ .৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থঃ

১। গণমাধ্যম আৰু সম্প্ৰচাৰ সাংবাদিকতা— ড° অংকুৰণ দত্ত; অসম প্ৰকাশন পৰিষদ।

২। অসমীয়া চলচিত্ৰঃ ১৯৩৫-১৯৯৬— অৰুণলোচন দাস; শিশু-শশী প্ৰকাশন।

৩। টুনেণ্টি ফ'ৰ ফ্ৰেমছ— উৎপল দত্ত; ষ্টুডেণ্টছ ষ্টৰ্ছ।

ইংৰাজী গ্ৰন্থঃ

1. The Cinemas of India, By Yves Thoraval
2. The Oxford Guide to Film Studies, By John Hill and Pamela Church Gibson
3. Mahurat, Edited by Ankuran Dutta, Cotton College

৯ .৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ নব্য ধাৰাৰ চলচ্চিত্ৰ সমূহ প্ৰধানকৈ গভীৰ তাত্ত্বিক চলচ্চিত্ৰ, য'ত জনপ্ৰিয় চলচ্চিত্ৰৰ বৈশিষ্ট্য অভাৱ যেনে — যৌনতা, নাটকীয়তা আৰু হিংসা যিবোৰ ভাৰতীয় জনপ্ৰিয় চলচ্চিত্ৰৰ মূল বৈশিষ্ট্য। তেওঁলোকে শৈলীৰ ওপৰত নিৰ্ভৰশীল চলচ্চিত্ৰ নিৰ্মাণ কৰে। অন্যান্য ব্যৱসায়িক চলচ্চিত্ৰৰ তুলনাত বহুত ওপৰত সত্য ঘটনাক প্ৰতিনিধিত্ব কৰাটোৱেই হ'ল নব্য ধাৰাৰ চিনেমাৰ মূল বৈশিষ্ট্য। প্ৰায়ে ইয়াক কলাসুলভ অথবা আৰ্ট মুভি বুলি কোৱা হয়। নব্য ধাৰাৰ চলচ্চিত্ৰসমূহত কাৰিকৰী সৰ্বোচ্চতা, কলাসুলভতা আৰু নান্দনিক গুণৰ সমাহাৰ ঘটে।

২ নং প্ৰশ্নৰ উত্তৰঃ দৰ্শকে চলচ্চিত্ৰৰ ভাগ্য গঠনত এক নিৰ্ণায়কৰ ভূমিকা পালন কৰে। কাৰিকৰী কৌশলৰ চমৎকাৰিতা অথবা শিল্প সুলভতাৰ সৰ্বোচ্চতা অথবা নিৰ্মাণত খৰচৰ পৰিমাণৰ ওপৰত ইয়াৰ সফলতা নিৰ্ভৰ নকৰে, যেতিয়ালৈকে দৰ্শকে ইয়াক গ্ৰহণ নকৰে, বক্স অফিচত দৰ্শকৰ গ্ৰহণযোগ্যতাৰ সীমাবদ্ধতাই হ'ল চলচ্চিত্ৰ এখনৰ বিফলতা। সেয়ে এজন চলচ্চিত্ৰ নিৰ্মাতাই দৰ্শকৰ মনত আবেদন সৃষ্টি কৰিব পৰা চলচ্চিত্ৰহে নিৰ্মাণ কৰা উচিত।

৩ নং প্ৰশ্নৰ উত্তৰঃ কলাসুলভ চলচ্চিত্ৰ সমূহ হ'ল অতিশয় গুৰুত্বপূৰ্ণ চলচ্চিত্ৰ। এইসমূহ চলচ্চিত্ৰত ব্যৱসায়িক দৃষ্টিভংগীক পাছৰ শাৰীত থয় য'ত শিল্পসুলভ মূল্যক অগ্ৰাধিকাৰ দিয়া হয়। কলাসুলভ তথ্যচিত্ৰৰ উদ্দেশ্য হ'ল সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক দৃষ্টিভংগীক এক নান্দনিক গুণেৰে প্ৰতিনিধিত্ব কৰা।

অন্যহাতেদি ব্যৱসায়িক চলচ্চিত্ৰসমূহ ব্যৱসায়িক মানসিকতা অথবা ব্যৱসায়িক লাভালাভৰ অৰ্থে নিৰ্মাণ কৰা হয়। এইবোৰক সূত্ৰধৰ্মী চলচ্চিত্ৰ আখ্যা দিয়া হয় য'ত যৌনতা, হিংসা, সংগীত, নৃত্য আৰু চৰিত্ৰৰ মহত্ব আৰু ঘটনাৰ সমাবেশ ঘটে।

৪ নং প্ৰশ্নৰ উত্তৰঃ ক) দাদা চাহেব ফাল্কে

খ) আলম আৰা, আৰ্দেশীৰ ইৰাণী

গ) পথেৰ পাঁচালী

ঘ) ১৯৬০ চনৰ পৰা ১৯৮০ চনলৈকে

ঙ) ১৯৩৫ চনত

৫ নং প্ৰশ্নৰ উত্তৰঃ ১৯৫২ চনত চলচ্চিত্ৰ আইন (এক্ট) মতে চাৰি প্ৰকাৰৰ মানদণ্ডৰ প্ৰমাণপত্ৰ

প্রদান কৰা হয়। এই প্রকাৰসমূহৰ ভিতৰত U প্রমাণ পত্র লাভ কৰা চলচ্চিত্রসমূহ সকলো বয়সৰ দর্শকে উপভোগ কৰিব পাৰে। A প্রমাণপ্রাপ্ত চলচ্চিত্র কেৱল প্রাপ্ত বয়স্কসকলৰ বাবেহে প্রদর্শন কৰিব লাগে। UA প্রমাণপ্রাপ্ত চলচ্চিত্র সমূহে ১২ বছৰৰ তলৰ শিশুসকলৰ অভিভাৱক কিছুমান নির্দেশাৱলী দিয়ে। S প্রমাণপ্রাপ্ত চলচিত্রসমূহ কিছুমান বিশেষ দর্শকৰ বাবেহে (যেনে -ডাক্তৰ, শিল্পী, আদিৰ আগত প্রর্দশন কৰিব পাৰে।)

৬ নং প্রশ্নৰ উত্তৰঃ তথ্যচিত্র হ'ল অকাহিনী য'ত চিত্র নির্মাতাই পৃথিৱীৰ সত্যচিত্র অংকন কৰিবলৈ চেষ্টা কৰে। তথ্যচিত্রত কাল্পনিক কাহিনী বা ঘটনাৰ কোনো স্থান নাই। প্রত্যেকখন তথ্যচিত্রৰ ঘটনাসমূহ পূর্ব কল্পিত নহয়। তথ্যচিত্র নির্মাতাই আচলতে ক্ষেত্রলৈ গৈ এক উদ্দেশ্য সন্মুখত ৰাখি নিৰীক্ষণৰ যোগেদি সত্য ঘটনাৰ তথ্য চলচ্চিত্রত আবদ্ধ কৰে।



৯ .১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ভাৰতত নতুন ধাৰাৰ চলচ্চিত্রৰ গুৰি ধৰোঁতা চলচ্চিত্র নির্মাতা কেইগৰাকিমানৰ নাম উল্লেখ কৰক।

প্রশ্ন ২ ঃ লুমিয়েৰ ভাতৃদ্বয়ে কত আৰু কেতিয়া প্রথম চলমান ছবিৰ প্রদর্শন কৰে?

প্রশ্ন ৩ ঃ ভাৰতীয় চলচ্চিত্রৰ পিতৃপুৰুষ হিচাপে কাক আখ্যা দিয়া হয়?

(খ) চুটি প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ কলাধর্মী চলচ্চিত্র আৰু জনপ্রিয় চলচ্চিত্রৰ মাজৰ বৈসাদৃশ্যবোৰ উদাহৰণ সহ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ নতুন ধাৰাৰ চলচ্চিত্র বুলিলে কি বুজে? উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ তথ্যচিত্র বুলিলে কি বুজে? তথ্যচিত্রৰ বৈশিষ্ট্য কি লিখক।

প্রশ্ন ৪ ঃ সত্যজিৎ ৰায় কোন আছিল? ভাৰতীয় চলচ্চিত্রলৈ তেওঁৰ অৱদান সম্পর্কে লিখক।

(গ) দীঘল প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ অসমীয়া চলচ্চিত্র উদ্যোগৰ ইতিহাস আৰু সমৃদ্ধি সম্পর্কে আলোচনা কৰক। লগতে এই উদ্যোগটোলৈ ড° ভবেন্দ্রনাথ শইকীয়াৰ অৱদান সম্পর্কে লিখক।

প্রশ্ন ২ ঃ চলচ্চিত্রৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰক আৰু চলচ্চিত্র নির্মাণত দর্শকৰ ভূমিকা সম্পর্কে লিখক।

*** ***** ***

অধ্যায় ১০ ঃ ৰেডিঅ'ৰ ইতিহাস

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ৰেডিঅ' মানে কি ঃ সংজ্ঞা আৰু উৎপত্তি
১০.৪ ৰেডিঅ'ৰ বৈশিষ্ট্য
১০.৫ ৰেডিঅ' অনুষ্ঠান সম্প্রচাৰৰ ইতিহাস
১০.৫.১ বিশ্বত ৰেডিঅ'ৰ আত্মপ্রকাশ আৰু বিকাশ
১০.৫.২ ভাৰতত ৰেডিঅ'ৰ উৎপত্তি আৰু বিকাশ
১০.৬ এফ এম আৰু সমূহীয়া ৰেডিঅ'
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- ৰেডিঅ'ৰ ধাৰণা সম্পর্কে ব্যাখ্যা কৰিব পাৰিব।
- বিশ্বত এই প্রচাৰ মাধ্যমবিধৰ বিকাশ আৰু প্রগতিৰ ইতিহাস জানিব পাৰিব।
- ভাৰতত ৰেডিঅ'ৰ বিকাশ সম্পর্কে আলোচনা কৰিব পাৰিব।
- এফ এম আৰু সমূহীয়া ৰেডিঅ' বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

ৰেডিঅ' হ'ল এটা বিশ্বজনীন প্রচাৰ মাধ্যম। ই এটা সময়ত বিপুল সংখ্যক জনগণৰ মাজত কোনো বার্তা প্রচাৰ কৰিব পৰা সংযোগ মাধ্যম। এই দৰে বিপুল সংখ্যক শ্রোতাৰ মাজত কোনো বার্তা প্রচাৰ কৰা কামটোক 'সম্প্রচাৰ' অথবা 'Broadcasting' বোলে।

এই অধ্যায়ত আপুনি ৰেডিঅ'ৰ সংজ্ঞা, ইয়াৰ বৈশিষ্ট্য, বিশ্বত ইয়াৰ ইতিহাস তথা ভাৰতত ইয়াৰ বিকাশ, প্রভাৱ, অল ইণ্ডিয়া ৰেডিঅ'ৰ বিকাশ তথা প্রগতি, ইয়াৰ উদ্দেশ্য, সমূহীয়া ৰেডিঅ' তথা এফ এম ৰেডিঅ'ৰ ধাৰণা আদিৰ বিষয়ে আলচ কৰিব পাৰিব।

ইয়াৰ আগৰ অধ্যায়ত আমি ছপা মাধ্যমৰ ইতিহাস, ফটোগ্রাফী আৰু চিনেমাৰ আৰম্ভণিৰ বিষয়ে কিছু কথা আলোচনা কৰিছিলো। ইয়াৰ পৰৱর্তী অধ্যায়ত আমি গণ মাধ্যম হিচাপে সবাতোকৈ জনপ্রিয় টেলিভিছনৰ বুৰঞ্জীৰ কিছু কথা আপোনালোকক জনোৱাৰ প্রয়াস কৰিম।

১০.৩ ৰেডিঅ' মানে কি ঃ সংজ্ঞা আৰু উৎপত্তি

ৰেডিঅ' হ'ল এটা গণ সংযোগ মাধ্যম। ইয়াৰ জৰিয়তে একে সময়তে কোনো এক বার্তা অগণন শ্রোতাৰ মাজত প্রচাৰ কৰিব পাৰি।

১৮৯৬ চনত ইটালীৰ গৱেষক বিজ্ঞানী গুগলিল্‌ম' মার্ক'নিয়ে (Guglielmo Marconi) এটা যন্ত্র উদ্ভাৱন কৰিছিল। এই যন্ত্রটোক পাছলৈ ৰেডিঅ' নাম দিয়া হৈছিল। যন্ত্রটোৰ সহায়ত কোনো তাঁৰ ব্যৱহাৰ নকৰাকৈ এখন ঠাইৰ পৰা আন এখন ঠাইলৈ ধ্বনি প্রেৰণ কৰিব পৰা গৈছিল।

সাধাৰণতে আমি কোনো ৰেডিঅ' ষ্টেশ্যনৰ পৰা প্রচাৰ কৰা বার্তা অথবা অনুষ্ঠান শুনিবলৈ ব্যৱহাৰ কৰা যতন বিধকে ৰেডিঅ' বুলি জানো। অন্য অর্থত সেয়েহে আমি ৰেডিঅ'ক কম্পনাংকৰ সৈতে (Frequencies) বিদ্যুৎ চৌম্বকীয় তৰংগৰ (Electronic waves) স্পন্দনৰ (Modulation) দ্বাৰা সংকেত প্রেৰণ পদ্ধতি বুলিও ক'ব পাৰোঁ। বিদ্যুৎ চৌম্বকীয় তৰংগক ৰেডিঅ' তৰংগ (Radio waves) বোলা হয়। এনে তৰংগ স্পন্দিত (Oscillating) বিদ্যুৎ চৌম্বকীয় ক্ষেত্রৰ মাজেদি গতি কৰে। এনে ক্ষেত্রই আকৌ আকাশ অথবা মহাকাশৰ শূন্যতাৰে সঞ্চাৰিত হয়। বিচ্ছুৰিত তৰংগৰ কিছুমান বৈশিষ্ট্য, যেনে — এমপ্লিটিউড (amplititude), কম্পনাংক (frequencies) নাইবা ফেজ'ৰ প্রণালীবদ্ধ পৰিবর্তন সাধন কৰি তাৰ মাধ্যমেৰে তথ্য সৰবৰাহ কৰা হয়। যেতিয়া কোনো এক বিদ্যুৎ পৰিবাহীৰ মাজেদি ৰেডিঅ' তৰংগ পাৰ হৈ যায়, তেতিয়া স্পন্দিত ক্ষেত্রখনে পৰিবাহীত এক পৰৱর্তী বিদ্যুৎ প্রৱাহ (alternating current) আবিষ্ট (induce) কৰে। ৰেডিঅ' ছেট ব্যৱহাৰ কৰি ইয়াক ধৰা পেলাই তথ্য কঢ়িওৱা ধ্বনি তথা অন্য সংকেতলৈ ৰূপান্তৰিত কৰিব পৰা যায়।

- **ৰেডিঅ' শব্দৰ অর্থ আৰু ব্যৱহাৰ (শব্দৰ উৎপত্তি)ঃ** আদিতে ৰেডিঅ'ক 'অনাতাৰ টেলিগ্রাফী' (Wireless telegraphy) বুলিও কোৱা হৈছিল। সাগৰৰ মাজৰ পৰা বিদ্যুৎ চৌম্বকীয় তৰংগৰ ৰূপত (কোনো তাঁৰ সংযোগ অবিহনে) অদৃশ্য টেলিগ্রাফিক বার্তা প্রেৰণ কৰিবলৈ ইয়াক ব্যৱহাৰ কৰা হৈছিল। ভূমি ভাগত একেটা বার্তাকে গ্রাহক যন্ত্রৰ সহায়ত ধৰা পেলোৱা হৈছিল। অনাতাঁৰ তথ্য প্রচাৰ প্রক্রিয়াটোকে পোন প্রথমে ৰেডিঅ' বুলি নামকৰণ কৰা সকল হ'ল গ্রাহক যন্ত্র নির্মাণকাৰীসকল। ৰেডিঅ' নামটো ইংৰাজী ভাষাৰ ক্রিয়াপদ 'to radiate' -ৰ পৰা ওলাইছে।

  সম্প্রচাৰ (broadcasting) মানে হ'ল শ্রব্য সংকেতৰ বিতৰণ। এনে সংকেতৰ জৰিয়তে অগণন শ্রোতাৰ বাবে অনুষ্ঠান প্রচাৰিত কৰা হয়। ৰেডিঅ'ৰ শ্রোতা সাধাৰণ ৰাইজো হ'ব পাৰে নাইবা আপেক্ষিকভাৱে বিশাল উপ-শ্রোতাবর্গও হ'ব পাৰে। এনে উপ-শ্রোতাবর্গৰ উদাহৰণ হ'ল শিশু অথবা চেমনীয়াহঁত।

  ইংৰাজী শব্দ Broadcast -ৰ অর্থ হ'ল এখন বহল পথাৰত বীজ সিঁচৰতি কৰা। এই শব্দটো মিডৱেষ্টার্ন আমেৰিকাৰ ৰেডিঅ' অভিযন্তাসকলে পোন প্রথমে ব্যৱহাৰ কৰিছিল।

ইয়াৰ দ্বাৰা তেওঁলোকে ৰেডিঅ' সংকেতৰ তদ্রুপ বিতৰণৰ কথা বুজাইছিল। সম্প্রচাৰে গণ প্রচাৰ মাধ্যমৰ এটা বিশাল অংশ আগুৰি আছে। যেতিয়া কম সংখ্যক শ্রোতাই লাউড স্পীকাৰ আদিৰ দৰে মাধ্যমৰ সহায়ত সীমিত পৰিসৰৰ ভিতৰত কোনো অনুষ্ঠান শুনে তেতিয়া তাক 'সীমাবদ্ধ প্রচাৰ' অথবা narrowcasting বোলা হয়।

১০.৪ ৰেডিঅ'ৰ বৈশিষ্ট্য

অন্য গণ প্রচাৰ মাধ্যমবোৰৰ দৰে ৰেডিঅ'ৰো কেইটামান স্বকীয় বৈশিষ্ট্য আছে। ইয়াৰো কিছুমান সবল দিশ আৰু দুর্বল দিশ আছে। মাধ্যমটো ফলপ্রসুভাৱে ব্যৱহাৰ কৰাৰ আগতে এই কথাবোৰ ভালদৰে বুজি লোৱা উচিত।

- পোনপ্রথমে মনত ৰাখিব লাগিব যে ৰেডিঅ' হ'ল এটা দৃষ্টিগোচৰ নোহোৱা মাধ্যম (blind medium)। ই শ্রোতাৰ মনত কল্পনাশক্তি জাগ্রত কৰে। ৰেডিঅ' অনুষ্ঠান এটা শুনি থকাৰ সময়ত শ্রোতাই কর্ণগোচৰ হোৱা কথাবোৰ মনৰ চকুৰে দেখা পায় তথা কণ্ঠস্বৰৰ গৰাকীক মানসপটত আঁকি লয়। সেয়েহে ৰেডিঅ' অনুষ্ঠান লেখক তথা ধাৰাভাষ্যকাৰে (commentator) শ্রোতাৰ মনত উপযুক্ত ছবিৰ সৃষ্টি কৰিব পৰা সাৱধানতা সহকাৰে বুজি পায় আৰু অনুষ্ঠানটোৰ স্মৃতি যুগমীয়া হয়।
- ৰেডিঅ'ৰ জৰিয়তে লাখ লাখ লোকৰ সৈতে কথা হ'ব পাৰি। টেন্সমিটাৰ অথবা প্রেৰক যন্ত্রৰ পৰিধিৰ ভিতৰত প্রতিখন ঘৰ, গাওঁ, নগৰ, চহৰ তথা দেশৰ গ্রাহক যন্ত্রবোৰত একে সময়তে একে ৰেডিঅ' সংকেত ধৰা পৰে।
- ছপা মাধ্যমত স্থানাভাৱ ঘটিব পাৰে, ৰেডিঅ'ত সময়ৰ অভাৱ ঘটে।
- ৰেডিঅ'ৰ গতি তীব্র। ইয়াৰ তাৎক্ষণিকতাৰ সৈতে অন্য প্রচাৰ মাধ্যমে ফেৰ মাৰিব নোৱাৰে। ই আমাক আজি ঘটা সকলো ঘটনা সংবাদ ৰূপে জনাব পাৰে নাইবা ঘটনাটো ঘটা মাত্রকে আমাক হুবহু অৱগত কৰাব পাৰে।
- ৰেডিঅ' ইয়াৰ সৰল বিন্যাসৰ বাবে জনাজাত। অন্য প্রচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ' সংলগ্ন মৌলিক যতনটো তেনেই সৰল। সেয়েহে ইয়াৰ সহজলভ্যতা অইন মাধ্যমতকৈ বহু গুণে অধিক।
- ৰেডিঅ'ৰ কোনো সীমা নাই। ভৌগোলিক সীমা আৰু নাগৰিকত্বৰ ধাৰণাই পৃথক কৰা সকলো ব্যক্তিৰে ই কাষ চাপিব পাৰে। ইয়াৰ কোনো নির্দিষ্ট ভূ-খণ্ড ভিত্তিক সীমা নাথাকে। তদুপৰি ই নিৰক্ষৰতাৰ বাধাও হেলাৰঙে অতিক্রম কৰিব পাৰে।
- অন্য প্রচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ' হ'ল ব্যয় সার্থককাৰী মাধ্যম। মূলধনী ব্যয় আৰু পৰিচালনা ব্যয় উভয় ক্ষেত্রতে এই কথা প্রযোজ্য।
- আশে পাশে ৰেডিঅ' বাজি থাকিলেও মানুহে অন্য কাম কৰি থাকিব পাৰে।
- ৰেডিঅ'ৰ দ্বাৰা প্রতি গৰাকী শ্রোতাৰ সৈতে সম্পর্ক স্থাপন কৰা হয় । ই এটা ব্যক্তিগত সম্পর্ক গঢ়ি তোলা মাধ্যম। ই শ্রোতাৰ অন্তৰংগ সঙ্গী।

- ৰেডিঅ'ৰ প্ৰকৃতি ক্ষণস্থায়ী।
- ৰেডিঅ' কেৱল ধ্বনিৰ ওপৰত নিৰ্ভৰশীল।
- ৰেডিঅ' সমাৰোপন বিকৃতিৰ (interference) দ্বাৰা আক্ৰান্ত হ'ব পাৰে।

সবল দিশসমূহ ঃ

- ৰেডিঅ'ই শ্ৰোতাৰ কল্পনাশক্তি জাগ্ৰত কৰে আৰু মানসপটত ছবি ভাহি উঠাত সহায় কৰে যিটো টেলিভিছনৰ ক্ষেত্ৰত নঘটে।
- এটা দিশৰ পৰা চাবলৈ গ'লে ৰেডিঅ' হ'ল এটা সাৰ্বজনীন মাধ্যম। ই যিকোনো দূৰত্ব তথা নিৰক্ষতাৰ দৰে অন্তৰায়বোৰ অনায়াসে অতিক্ৰম কৰিব পাৰে।
- ৰেডিঅ'ৰ এটা শীঘ্ৰতা আছে যিটোৰ সৈতে অন্য প্ৰচাৰ মাধ্যমে ফেৰ মাৰিব নোৱাৰে।
- অন্য প্ৰচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ' নমনীয়। কম সময়ৰ ভিতৰতে ৰেডিঅ'ৰ নিৰ্দ্ধাৰিত কাৰ্যসূচী বাদ দি কোনো প্ৰাসংগিক অথবা জৰুৰী অনুষ্ঠান সম্প্ৰচাৰ কৰিব পাৰি।
- ৰেডিঅ' হ'ল ব্যয় সাৰ্থককাৰী মাধ্যম। ইয়াৰ মূলধনী ব্যয় আৰু পৰিচালনা ব্যয় নিচেই সামান্য।
- ৰেডিঅ'ৰ প্ৰধান সুবিধা হ'ল আমি ইয়াৰ অনুষ্ঠান শুনি থাকি অন্য কামো কৰিব পাৰো।
- ৰেডিঅ' ইয়াৰ সৰল গঠনৰ বাবে জনাজাত। অন্য প্ৰচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ' সংলগ্ন মৌলিক যতনটো তেনেই সৰু। সেয়েহে ইয়াৰ সহজলভ্যতা অইন মাধ্যমতকৈ বহুগুণে অধিক।
- ৰেডিঅ'ৰ কোনো সীমা নাই। ভৌগোলিক সীমা আৰু নাগৰিকত্বৰ ধাৰণাই পৃথক কৰা সকলো ব্যক্তিৰে ই কাষ চাপিব পাৰে। ই নিৰক্ষতাৰ বাধাও অতিক্ৰম কৰিব পাৰে।

দুৰ্বল দিশসমূহ ঃ

- ৰেডিঅ' সম্প্ৰচাৰৰ প্ৰকৃতি ক্ষণস্থায়ী।
- ৰেডিঅ'অনুষ্ঠান সম্প্ৰচাৰৰ মান দুৰ্বল হ'লে শ্ৰোতাই শুনাৰ আগ্ৰহ হেৰুৱাই পেলাব পাৰে।
- ৰেডিঅ' কেৱল ধ্বনি নিৰ্ভৰশীল মাধ্যম। দৃশ্যৰ অনুপস্থিতিত ইয়াৰ প্ৰভাৱ কম হোৱাৰ সম্ভাৱনা থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'সম্প্ৰচাৰ' (broadcasting) আৰু 'সীমিত প্ৰচাৰ'ৰ (narrowcasting) মাজত কিহৰ প্ৰভেদ আছে?

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ৰেডিঅ'ৰ তিনিটা মৌলিক বৈশিষ্ট্য উল্লেখ কৰক ?

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ ৰেডিঅ'ৰ সংজ্ঞা দিয়ক। ৰেডিঅ' কোনে উদ্ভাৱন কৰিছিল ?

.....

.....

.....

.....

১০.৫ ৰেডিঅ' অনুষ্ঠান সম্প্ৰচাৰৰ ইতিহাস

বৰ্তমান আমি আটায়ে ৰেডিঅ' শব্দটোৰ সৈতে পৰিচিত। লগতে আমি 'ৰেডিঅ' অনুষ্ঠান সম্প্ৰচাৰ' বোলা কথাষাৰিও প্ৰায়েই শুনিবলৈ পাওঁ। ৰেডিঅ'ই সংযোগৰ এক বিশ্বজনীন মাধ্যমৰ ৰূপ ধাৰণা কৰিছে। ৰেডিঅ'ৰ উদ্ভাৱন ঘটাৰ আগতে 'অনাতাঁৰ টেলিগ্ৰাফ' ব্যৱস্থাৰো যোগাযোগ স্থাপন কৰা হৈছিল। দিশ নিৰ্দেশনাৰ কামত এই পদ্ধতিটো ব্যৱহাৰ কৰা হৈছিল। সেয়েহে ক'ব পাৰি যে 'অনাতাঁৰ টেলিগ্ৰাফ' ব্যৱস্থাৰে যোগাযোগ স্থাপন কৰা হৈছিল। সেয়েহে ক'ব পাৰি যে 'অনাতাঁৰ টেলিগ্ৰাফ ব্যৱস্থাই বৰ্তমানৰ ৰেডিঅ' উদ্ভাৱনৰ পথ সুচল কৰি তুলিছিল।

১০.৫.১ বিশ্বত ৰেডিঅ'ৰ আত্মপ্ৰকাশ আৰু বিকাশ

ৰেডিঅ' কোনে উদ্ভাৱন কৰিছিল সেই বিষয়টোক লৈ কিছু বিতৰ্কৰ অৱকাশ আছে। দৰাচলতে ৰেডিঅ' হ'ল এলানি বৈজ্ঞানিক উদ্ভাৱনৰ সৈতে আনুষংগিকভাৱে বিকাশ ঘটা এটা প্ৰণালী। ই বিভিন্ন বিজ্ঞানীৰ নানা গৱেষণা প্ৰক্ৰিয়াৰ ফচল। তেওঁলোকৰ পৰীক্ষা-নিৰীক্ষাই ৰেডিঅ' উ দ্ভাৱনৰ পথ সুচল কৰি তুলিছিল। আমি গুগ্‌লিল্‌ম' মার্ক'নিকেই ৰেডিঅ'ৰ জন্মদাতা বুলি মানি লৈছো। ১৮৯৬ চনত ইটালীয়ান উদ্ভাৱক গুগ্‌লিল্‌ম মার্ক'নিয়ে (গ্ৰেট বৃটেইন) পোন প্ৰথমবাৰৰ বাবে 'অনাতাঁৰ টেলিগ্ৰাফী' (Wireless Telegraphy) আৱিষ্কাৰ কৰিছিল। তেওঁ ৰেডিঅ' তৰংগক কিদৰে দীৰ্ঘ দূৰত্বলৈ বার্তা প্ৰেৰণ কৰিবৰ বাবে ব্যৱহাৰ কৰিব পৰা যায় সেয়া উপযুক্ত আহিলাৰে প্ৰমাণ কৰি দেখুৱাইছিল। যিহেতু মার্ক'নিয়ে ৰেডিঅ' তৰংগ ব্যৱহাৰ কৰা প্ৰথম গৰাকী ব্যক্তি (কোনো তাঁৰ সংযোগ সংযোগ নকৰাকৈ দীৰ্ঘ দূৰত্বলৈ বার্তা প্ৰেৰণকাৰী), সেয়েহে তেওঁকেই ৰেডিঅ'ৰ জনক বুলি বিবেচনা কৰা হয়।

১৯০৭ চনত আমেৰিকা আৰু জার্মানীৰ গৱেষকসকলে প্রমাণ কৰি দেখুৱালে যে কথা আৰু অন্য ধ্বনি সৰবৰাহ কৰিবলৈ ৰেডিঅ' তৰংগ তৈয়াৰ কৰিব পৰা যায়। এনেদৰে 'ৰেডিঅ' টেলিফোন সংযোগ' (Radio Telegraphy) ব্যৱস্থাৰ সূত্রপাত হ'ল।

জনা উচিত



১৯০৯ চনত 'অনাতাঁৰ টেলিগ্রাফী'ৰ বিকাশত মার্ক'নিৰ অৱদানক স্বীকৃতি প্রদান কৰি তেওঁক পদার্থ বিজ্ঞান বিভাগৰ নোবেল বঁটাৰে সন্মানিত কৰা হৈছিল। আন এগৰাকী বিজ্ঞানীৰ সৈতে তেওঁ যুটীয়াভাৱে এই বঁটা লাভ কৰিছিল (আন গৰাকী বিজ্ঞানী কোন?)

আমি জানো যে যুদ্ধকালীন অৱস্থাত বার্তা তথ্য প্রেৰণ হ'ল সকলোৰে বাবে এক এৰাব নোৱাৰা কার্য। বিশেষকৈ ১৯১৪ চনৰ পৰা প্রথম বিশ্বযুদ্ধৰ কালছোৱাত 'ৰেডিঅ' টেলিফোন' বহুলভাৱে ব্যৱহৃত হৈছিল।

এই যুদ্ধখনৰ পিছৰ পৰাই সম্প্রচাৰৰ বাবে অনাতাঁৰ ব্যৱস্থাই জনপ্রিয়তা অর্জন কৰিলে। এই সময়ছোৱাত যুদ্ধকালীন প্রয়োজনীয়তা হিচাপে বহুতো লোকক অনাতাঁৰ বার্তা সংকেত প্রেৰণ তথা গ্রহণ আৰু ৰেডিঅ' টেলিফোন সংযোগ স্থাপনৰ কলা শিকাবলৈ প্রশিক্ষণ দিয়া হৈছিল। যুদ্ধৰ শেষত এই অনাতাঁৰ অপাৰেটৰসকল নিবনুৱা হৈ পৰিছিল। বহুতে পাছলৈ নিজাকৈ ঘৰুৱাভাৱে নির্মিত যতন ব্যৱহাৰ কৰি সংযোগ কৰি অনাতাঁৰ সংযোগ স্থাপনক এটা অভিৰুচি (hobby) ৰূপ দিছিল।

ৰেডিঅ'ৰ জৰিয়তে অনুষ্ঠান সম্প্রচাৰৰ সম্ভাৱনীয়তাটো এটা দুর্ঘটনাবশতঃ আৱিষ্কৃত হোৱা ঘটনা। ১৯১৬ চনত পিটছ্বার্গৰ (আমেৰিকা) এটা যন্ত্র (ৰেডিঅ') নির্মাণকাৰী কোম্পানীৰ অভিযন্তাসকলে পৰীক্ষামূলক কণ্ঠস্বৰ প্রচাৰৰ চেষ্টা চলাই আছিল। এদিন তেওঁলোকে কথোপকথন আৰু গ্রামোফোন ৰেক'র্ডৰ সংগীত সলনা-সলনিকৈ প্রচাৰ কৰি চোৱাৰ সিদ্ধান্ত ল'লে। অপ্রত্যাশিতভাৱে তেওঁলোকে তেওঁলোকৰ পৰীক্ষামূলক কার্য শুনি ভাল পোৱা বহুতো শ্রোতাৰ সঁহাৰি লাভ কৰিলে। এই শ্রোতাসকল আছিল ঘৰুৱাভাৱে নির্মিত যতন ব্যৱহাৰ কৰা এমেছাৰ ৰেডিঅ' শ্রোতা। এইসকল শ্রোতাই (amateurs) সংগীতানুষ্ঠান শুনি ইমান ভাল পালে যে তেনে অনুষ্ঠান আকৌ শুনাবলৈ তেওঁলোকে অনুৰোধ পত্র প্রেৰণ কৰিবলৈ ধৰিলে।

কিছুদিনৰ পাছতেই নিয়মীয়া অনুষ্ঠান সম্প্রচাৰ আৰম্ভ হ'ল। ষ্টেশ্যনটোক পাছলৈ (KDKA) নামেৰে (পিটছ্বার্গ, আমেৰিকাত অৱস্থিত) অনুজ্ঞাপত্র প্রদান কৰা হ'ল। এইটোৰেই হ'ল পৃথিৱীৰ প্রথমটো তথা বহু বছৰলৈ পৃথিৱীৰ একমাত্র ৰেডিঅ'

অনুষ্ঠান সম্প্রচাৰকাৰী ষ্টেশ্যন(Broadcasting station)। এই ষ্টেশ্যনটো এতিয়াও সক্রিয় হৈ আছে।

সোনকালেই পৃথিৱীৰ বিভিন্ন দেশৰ প্রাক্তন অনাতাঁৰ অপাৰেটৰসকলে সম্প্রচাৰ সেৱা আগবঢ়োৱাৰ অর্থে কর্তৃপক্ষক হেঁচা দিবলৈ বিভিন্ন ক্লাব গঠন কৰিলে। চৰকাৰবোৰেও লাহে লাহে এই উদ্ভাৱনৰ অস্তিত্ব স্বীকাৰ কৰিলে। এনে দৰে বিভিন্ন দেশত পর্যায়ক্রমে ৰেডিঅ' অনুষ্ঠানৰ সম্প্রচাৰ আৰম্ভ হ'ল।

আৰম্ভণিৰ কালছোৱাত আমেৰিকাত অসংখ্য ৰেডিঅ' ষ্টেশ্যন মূৰ দাঙি উঠিছিল। ষ্টেশ্যনবোৰে ওপৰা-উপৰিকৈ অনুষ্ঠান প্রচাৰ কৰিবলৈ লোৱাৰ ফলত শ্রোতাই কোনোটো অনুষ্ঠানেই শুনিবলৈ নোপোৱা হৈছিল। এই অৱস্থা নিয়ন্ত্রণ কৰিবলৈ আৰু আকাশী তৰংগৰ সমুচিত বিতৰণৰ বাবে আমেৰিকাৰ কংগ্রেছে 'সংযোগ আইন -৩৪' (Communication Act-34) গৃহীত কৰিছিল। ইয়াৰ দ্বাৰা দুটা ষ্টেশ্যনৰ মাজত দেখা দিয়া সমাৰোপন সমস্যাটো (Interference problems) আঁতৰ কৰাৰ চেষ্টা চলোৱা হৈছিল। অন্য দেশবোৰেও এই পন্থা অনুসৰণ কৰিছিল। ইয়াৰ পাছতেই সমগ্র বিশ্বতে ৰেডিঅ'ৰ এক সোণালী যুগৰ যাত্রা আৰম্ভ হৈছিল।

১০.৫.২ ভাৰতত ৰেডিঅ'ৰ বিকাশ

১৯২৩ চনৰ জুন মাহত মুম্বাইৰ ৰেডিঅ' ক্লাবে ভাৰতৰ প্রথমটো ৰেডিঅ' অনুষ্ঠান প্রচাৰ কৰিছিল। ইয়াৰ পাছতেই এটা 'সম্প্রচাৰ সেৱা' প্রণালী তৈয়াৰ কৰা হৈছিল। ১৯২৭ চনৰ জুলাই মাহত এই সেৱাৰ জৰিয়তে মুম্বাই আৰু ক'লকাতাৰ পৰা একে সময়তে পৰীক্ষামূলকভাৱে ৰেডিঅ' অনুষ্ঠান প্রচাৰ কৰা হৈছিল। এই মর্মে ভাৰত চৰকাৰ আৰু 'ইণ্ডিয়ান ব্রডকাষ্টিং কোম্পানী লিমিটেড' নামৰ ব্যক্তিগত কোম্পানী চুক্তিবদ্ধ হৈছিল। ১৯৩০ চনত ভাৰত চৰকাৰে কোম্পানীটোক ৰাষ্ট্রীয়কৃত কোম্পানীলৈ ৰূপান্তৰিত কৰিছিল। তাৰ পাছৰ পৰা কোম্পানীটোৱে 'ইণ্ডিয়ান ষ্টেট ব্রডকাষ্টিং ছার্ভিছেজ' নামেৰে প্রচাৰ সেৱা চলাই গৈছিল। এই পৰীক্ষামূলক সম্প্রচাৰৰ সফলতাই চৰকাৰক উৎসাহিত কৰিলে। ১৯৩৫ চনত সম্প্রচাৰ সেৱাক স্থায়ী ৰূপ প্রদান কৰা হ'ল। ইয়াৰ বাবে এটা পৃথক বিভাগ গঠন কৰা হৈছিল। ১৯৩৬ চনৰ জুন মাহত ISBS-ক (Indian State Broadcasting Service) অল ইণ্ডিয়া ৰেডিঅ' (AIR) বুলি নতুনকৈ নামকৰণ কৰা হয়। ১৯৫৭ চনৰ পৰা AIR- ক 'আকাশ বাণী' নাম দিয়া হয়। অৱশ্যে ইংৰাজী ভাষাৰ অনুষ্ঠানত ইয়াক এতিয়াও 'অল ইণ্ডিয়া ৰেডিঅ' বুলিয়েই কোৱা হয়।

সম্প্রচাৰৰ প্রশাসনিক নিয়ন্ত্রণ প্রথমে ভাৰত চৰকাৰৰ উদ্যোগ তথা শ্রম বিভাগৰ হাতত ন্যস্ত কৰা হৈছিল। ১৯৩৭ চনত এই কর্তৃত্ব সংযোগ বিভাগক অর্পণ কৰা হয়। ১৯৪১ চনৰ পৰা তথ্য আৰু সম্প্রচাৰ বিভাগে এই দায়িত্ব পালন কৰি আহিছে। পৰৱর্তী

সময়ত AIR আৰু দূৰদৰ্শনৰ প্ৰশাসনিক নিয়ন্ত্ৰণৰ ভাৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ (MIB) অধীনস্থ বিভাগ এটাৰ ওপৰত অৰ্পণ কৰা হয়। এই বিভাগটোক 'প্ৰসাৰ ভাৰতী (Prasar Bharati) নামেৰে জনা যায়।



জনা উচিত

মাইছো�ৰ (মহীশুৰ) বিশ্ববিদ্যালয়ৰ মহাৰাজাছ কলেজৰ অধ্যাপক এমভি গোপালাস্বামীয়ে 'আকাশবাণী' নামটো সৃষ্টি কৰিছিল। সেই সময়ত মাইছোৰ ৰেডিঅ' ষ্টেশ্যনটোত প্ৰথম 'আকাশবাণী' নামটো প্ৰয়োগ কৰা হৈছিল। পাছলৈ সমগ্ৰ ভাৰতৰে চৰকাৰী ৰেডিঅ' সেৱাটো আকাশবাণী ৰেডিঅ' নামেৰে জনাজাত হৈ পৰিল।

- **স্বাধীনতাৰ সময়ৰ পৰা আকাশবাণীৰ বিকাশঃ** ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত দেশত **আকাশবাণীৰ** ছটা ষ্টেশ্যন আৰু ওঠৰটা ট্ৰেন্সমিটাৰৰ নেটৱৰ্ক এটাই গঢ় লৈ উঠিছিল। সমগ্ৰ ভূখণ্ডৰ ২.৫% অঞ্চল তথা মাত্ৰ ১১ % বাসিন্দাক এই সেৱাই সামৰি লৈছিল। স্বৰাজোত্তৰ কালত দেশত ৰেডিঅ' নেটৱৰ্ক দ্ৰুতগতিত বিয়পি পৰে।
  বৰ্তমান **আকাশবাণীৰ** প্ৰায় ২৩১ টা ৰেডিঅ' ষ্টেশ্যন আৰু ৩৭৩ টা ট্ৰেন্সমিটাৰৰ (ইয়াৰে ১৪৯ টা মিডিয়াম ৱেভ অথবা MW, ৫৪টা শ্ৰৰ্টৱেভ অথবা SW আৰু ১৭০ টা ফ্ৰিকুৱেন্সি মডুলেশ্যন অথবা FM ট্ৰেন্সমিটাৰ) এটা বিশাল নেটৱৰ্ক আছে। এতিয়া ই পৃথিৱীৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশখনৰ মুঠ ভূ-খণ্ডৰ ৯১.৮২ % অঞ্চল তথা ৯৯.১৬ % বাসিন্দালৈ প্ৰচাৰ সেৱা আগবঢ়ায়। আকাশবাণীৰ জৰিয়তে ২৪ টা প্ৰধান তথা ১৪৬ টা উপভাষাত গৃহ প্ৰচাৰ সেৱা আগবঢ়োৱা হয়। বৈদেশিক প্ৰচাৰ সেৱাৰ জৰিয়তে ১৭ টা ৰাষ্ট্ৰীয় আৰু ১০ টা বিদেশী মুঠ ২৭ টা ভাষাত অনুষ্ঠান সম্প্ৰচাৰ কৰা হয়।
- **আকাশবাণীৰ অনুষ্ঠান সম্প্ৰচাৰ পদ্ধতিঃ** আকাশবাণীয়ে তিনিটা পৰ্যায়ত অনুষ্ঠান সম্প্ৰচাৰ কৰে। পৰ্যায়কেইটা হ'ল — ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু স্থানীয়।
- **ৰাষ্ট্ৰীয় পৰ্যায়** (National Level)ঃ ৰাষ্ট্ৰীয় ছেনেলটোক প্ৰথম পৰ্যায়ৰ মৰ্যাদা দিয়া হয়। ইয়াৰ জৰিয়তে অনুষ্ঠানসমূহ সম্প্ৰচাৰ কৰা হয়। ১৯৮৮ চনৰ ১৮ মে'ৰ পৰা ইয়াৰ কাম-কাজ আৰম্ভ কৰা হৈছিল। এই ছেনেলৰ যোগেদি প্ৰতি ঘন্টাৰ মূৰে মূৰে হিন্দী আৰু ইংৰাজী ভাষাত সংবাদ বুলেটিন সম্প্ৰচাৰ কৰা হয়। লগতে সংসদৰ অধিবেশন চলি থকা সময়ত 'প্ৰশ্নকাল' (Question Hour) আৰু অন্য বিষয়ভিত্তিক অনুষ্ঠানো সম্প্ৰচাৰিত হয়। এই অনুষ্ঠানসমূহে ৰাষ্ট্ৰীয় জীৱনৰ বিবিধতাক প্ৰতিফলিত কৰে।
- **আঞ্চলিক পৰ্যায়** (Regional Level) ঃ আকাশবাণীৰ আঞ্চলিক ষ্টেশ্যনসমূহ সাধাৰণতে ৰাজ্যৰ ৰাজধানী আৰু প্ৰত্যেক ৰাজ্যৰে প্ৰধান ভাষিক সাংস্কৃতিক ক্ষেত্ৰ বুলি চিহ্নিত

অঞ্চলবোৰত স্থাপন কৰা হৈছে। এই ষ্টেশ্যনবোৰে আঞ্চলিক ভাষাত অনুষ্ঠান সম্প্রচাৰ কৰে। ইয়াৰ জৰিয়তে দেশৰ আঞ্চলিক সংস্কৃতিৰ বৈচিত্র্য প্রতিফলিত হয়।

- **স্থানীয় পর্যায়** (Local Level)ঃ দেশৰ বিভিন্ন অংশৰ পৰা সৰু সৰু নগৰ চহৰৰ শ্রোতাৰ চাহিদা আৰু ৰুচি পূৰণ কৰাৰ বাবে আকাশবাণীয়ে বহুকেইটা FM মাধ্যমৰ ৰেডিঅ' ষ্টেশ্যন স্থাপন কৰিছে (২০০৮ চনত ষ্টেশ্যনৰ সংখ্যা ১৭০ টা হৈছেগৈ)। এনে প্রতিটো ষ্টেশ্যনে একোটা ক্ষুদ্র অঞ্চলৰ শ্রোতালৈ সেৱা আগবঢ়াই আহিছে। ইয়াৰ জৰিয়তে সম্প্রদায় একোটাৰ বাবে প্রয়োজনীয় নানা সা-সুবিধাৰ বার্তা প্রচাৰ কৰা হয়। আকাশবাণী ৰেডিঅ' ষ্টেশ্যনবোৰে স্থানীয় চাহিদা পূৰণ কৰে আৰু অনুষ্ঠান তৈয়াৰ কৰাত স্থানীয় শ্রোতাৰ অংশগ্রহণ সুনিশ্চিত কৰে। বিষয়বস্তু বাচনি তথা যুগুত কৰাত যুৱক-যুৱতীসকলেও এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- **বিবিধ ভাৰতী** (Vividh Bharati)ঃ বিবিধ ভাৰতী হ'ল আকাশবাণীৰ মনোৰঞ্জনমূলক আৰু ব্যৱসায়িক সেৱা। ১৯৫৭ চনত এই সেৱা সূচনা কৰা হয়। এতিয়াও ই দেশৰ সর্বত্র অতি জনপ্রিয়। এতিয়ালৈকে দেশৰ বিভিন্ন স্থানত ৪০ টা বিবিধ ভাৰতী ষ্টেশ্যন আছে। দেশৰ যিকোনো অংশৰ পৰা একেটা তৰংগ দৈর্ঘতে (wave length) ইয়াৰ অনুষ্ঠান শুনিবলৈ পোৱা যায়। মূল অনুষ্ঠানবোৰ কেন্দ্রীয়ভাৱে মুম্বাই কেন্দ্রৰ পৰা সম্প্রচাৰ কৰা হয়। **আকাশবাণীৰ** অন্য বিবিধ ভাৰতী ষ্টেশ্যনবোৰে সেই অনুষ্ঠানবোৰ ৰীলে কৰে। আঞ্চলিক ষ্টেশ্যনবোৰে (যেনে - গুৱাহাটী) নিজ নিজ ভাষাত কোনো এক পূর্বনির্দিষ্ট সময়ত কেইটামান নিজস্ব অনুষ্ঠানো সম্প্রচাৰিত কৰে।

  এই ৪০ টা বিবিধ ভাৰতী ষ্টেশ্যনক বাণিজ্যিক সম্প্রচাৰ সেৱা ষ্টেশ্যন (Station) বুলিও কোৱা হয়। এনে ষ্টেশ্যন দেশৰ প্রায় সকলোবোৰ প্রধান নগৰতে স্থাপন কৰা হৈছে। ই ভাৰতীয় জনসংখ্যাৰ ৯৭ % লোকক সামৰি লৈছে। ১৯৬৭ চনত বিবিধ ভাৰতীয়ে নিজকে এটা সম্পূর্ণ ব্যৱসায়িক সেৱা ৰূপে ঘোষণা কৰিছে। তেতিয়াৰে পৰা এই সেৱাৰ জৰিয়তে বিজ্ঞাপন প্রচাৰৰ সুবিধাও আগবঢ়োৱা হৈ আহিছে।

  নতুন প্রযুক্তিৰ উদ্ভাৱনৰ লগে লগে অনুষ্ঠান প্রচাৰ পদ্ধতি আগৰ মিডিয়াম ৱেভ ট্রেন্সমিশ্যনৰ সলনি উচ্চ মানবিশিষ্ট ডিজিটেল ষ্টিৰিঅ' এফ এম পদ্ধতিলৈ সলনি হৈছে।

  বিবিধ ভাৰতীৰ সেৱাৰ জৰিয়তে দিনটোৰ প্রায় ১৫ -১৭ ঘন্টা সময় মনোৰঞ্জনমূলক অনুষ্ঠান সম্প্রচাৰ কৰা হয়। এনে অনুষ্ঠানৰ ভিতৰত বোলছবিৰ গীত, ব্যংগ ৰচনা, চুটি নাটক আৰু আন্তঃক্রিয়াশীল অনুষ্ঠানসমূহ (interactive programme) থাকে। বিবিধ ভাৰতীৰ দুটামান জনপ্রিয় অনুষ্ঠান হ'ল — সংগীত সৰিতা, ভুলে বিছৰে গীত, হাৱা মহল, জয়মালা, ইনচে মিলিয়েঁ, ছায়া গীত, ইত্যাদি।

  প্রথিতযশা অভিনেতা-অভিনেত্রী, গায়ক-গায়িকা, স্বনামধন্য লেখক-লেখিকা, গীতিকাৰ, নির্দেশক আৰু সংগীত পৰিচালকসকলে বিবিধ ভাৰতী মঞ্চৰ জৰিয়তে নিজৰ বিভিন্ন ধৰণৰ অভিজ্ঞতা শ্রোতাৰ আগত সদৰি কৰে। 'উজালে উনকী য়াদোঁ কী' নামৰ এটা বিশেষ

অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাক কোনো এগৰাকী পুৰণি শিল্পীৰ কথা সোঁৱৰাই দি স্মৃতি ৰোমন্থনৰ জগতলৈ যোৱাৰ প্ৰয়াস কৰা হয়।

- আকাশবাণীৰ ব্যৱসায়িক সম্প্ৰচাৰ সেৱা (CBS) ঃ ১৯২৭ চনত ইণ্ডিয়ান ব্ৰডকাষ্টিং কোম্পানীয়ে ইয়াৰ সেৱা আৰম্ভ কৰি ভাৰতত ব্যৱসায়িক ৰেডিঅ' সম্প্ৰচাৰ সেৱাৰ ইতিহাস গঢ়িছিল। কোম্পানীটোৱে প্ৰায় সাত বছৰমান 'স্পট' (spot) তথা পৃষ্ঠপোষকতা থকা অনুষ্ঠানক (sponsored programme) বিজ্ঞাপনৰ ৰূপত প্ৰচাৰ কৰি প্ৰয়োজনীয় পুঁজি সংগ্ৰহ কৰিছিল।

  কিন্তু অল ইণ্ডিয়া ৰেডিঅ' গঠন কৰাৰ লগে লগে বাণিজ্যিক শুল্ক সংগ্ৰহৰ প্ৰক্ৰিয়াটোত যতি পৰিছিল। কাৰণ আকাশবাণীয়ে সম্প্ৰচাৰক, বিশেষকৈ উন্নয়নশীল দেশ এখনৰ সম্প্ৰচাৰ সেৱাক প্ৰধানত এটা সামাজিক সেৱা বুলি অভিহিত কৰিছিল। আৰম্ভণিতে বিবিধ ভাৰতীতো বিজ্ঞাপন প্ৰচাৰ কৰাৰ অনুমতি দিয়া হোৱা নাছিল।

  ১৯৬৬ চনত গঠিত ৰেডিঅ' তথা টেলিভিছন বিষয়ক প্ৰস্তাৱিত বিবিধ ভাৰতী ছেনেলটোৰ বাবে বিজ্ঞাপন গ্ৰহণৰ পৰামৰ্শ আগবঢ়োৱাকৈ এই মত প্ৰচলিত আছিল। ১৯৬৭ চনত বিবিধ ভাৰতীয়ে নিজকে ব্যৱায়িক সেৱা বুলি ঘোষণা কৰাৰ পাছতেই ইয়াৰ জৰিয়তে বিজ্ঞাপন প্ৰচাৰিত হ'বলৈ ধৰিলে।

- **আকাশ ভাৰতী** (Akash Bharati)ঃ ১৯৭৫ চনত দেশত আভ্যন্তৰীণ জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত সকলোবোৰ বিৰোধী দলেই ভাৱ প্ৰকাশৰ স্বাধীনতাক এটা প্ৰধান নিৰ্বাচনী বিষয় হিচাপে গ্ৰহণ কৰিলে। এই বিষয়টো আলোচনাৰ কেন্দ্ৰবিন্দু হৈ থাকোতেই ১৯৭৭ চনত দেশত লোক সভা নিৰ্বাচন অনুষ্ঠিত হ'ল।

  নতুন চৰকাৰে দায়িত্বভাৰ গ্ৰহণ কৰিয়েই আকাশবাণী আৰু দূৰদৰ্শনক স্বায়ত্ব শাসন প্ৰদান কৰাৰ আধাৰস্বৰূপ পৰামৰ্শ দান কৰিবলৈ তথা সংশ্লিষ্ট সকলো দিশ পৰীক্ষা কৰি চাবলৈ এটা কাৰ্যগোট গঠন কৰিলে। এই কাৰ্যগোটটোৱে এটা স্বতন্ত্ৰ ন্যাস (National Broadcast Trust, NBT) গঠনৰ পৰামৰ্শ দিলে। এই ন্যাসটোৰ নাম ৰখা হ'ল আকাশ ভাৰতী। আকাশবাণী আৰু দূৰদৰ্শনে এই ন্যাসৰ অধীনত কাম কৰিব বুলি কোৱা হ'ল। পাছলৈ 'আকাশ ভাৰতী' নামটোৰ সামান্য সংশোধন ঘটাই 'প্ৰচাৰ ভাৰতী' কৰি লোৱা হ'ল। সংসদত বিধেয়কখন গৃহীত হোৱালৈ এক সুদীৰ্ঘ কাল অপেক্ষা কৰিবলগীয়া হ'ল। অৱশেষত ১৯৯০ চনত ই এখন আইনত পৰিণত হ'ল। ইয়াকে 'প্ৰচাৰ ভাৰতী আইন ১৯৯০' নামকৰণ কৰা হ'ল।

- **প্ৰচাৰ ভাৰতী** (Prasar Bharati) ঃ প্ৰচাৰ ভাৰতী (ভাৰতীয় সম্প্ৰচাৰ নিগম) হ'ল ভাৰতত সৰ্ববৃহৎ ৰাজহুৱা সম্প্ৰচাৰ সেৱা। ই ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ এক স্বতন্ত্ৰ নিগম। দূৰদৰ্শন আৰু আকাশবাণীয়ে ইয়াৰ নিয়ন্ত্ৰণাধীন হৈ কাম-কাজ পৰিচালনা কৰি আছে।

১৯৯৭চনৰ ২৩ নবেম্বৰত প্ৰচাৰ ভাৰতী গঠন কৰা হয়। অন্য বহুতো দেশৰ দৰে চৰকাৰৰ মালিকীস্বত্ব থকা বৈদ্যুতিক প্ৰচাৰ মাধ্যমকো স্বনিয়ন্ত্ৰণৰ অধিকাৰ দিব লাগে বুলি উত্থাপিত হোৱা দাবীৰ ফলস্বৰূপে প্ৰসাৰ ভাৰতীৰ জন্ম হয়। যদিও ১৯৯০ চনতেই ভাৰতীয় সংসদে প্ৰচাৰ ভাৰতীয় আইনখন গৃহীত কৰিছিল, তথাপিও ১৯৯৭ চনৰ ১৫ ছেপ্তেম্বৰলৈ আইনখন বলবৎ কৰা হোৱা নাছিল।

এটা নিগম ৰূপে 'প্ৰচাৰ ভাৰতী'ক প্ৰচাৰ ভাৰতী বোৰ্ডে নিয়ন্ত্ৰণ কৰে। বোৰ্ডত এগৰাকী অধ্যক্ষ, প্ৰধান কাৰ্যবাহী বিষয়া (CEO), বোৰ্ডৰ সদস্যবৃন্দ তথা AIR আৰু দূৰদৰ্শনৰ লগতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াবৰ্গ থাকে।

- **ৰেডিঅ'ত অসমীয়া অনুষ্ঠানঃ** ১৯৩৯ চনত অল ইণ্ডিয়া ৰেডিঅ' কলিকতাৰ পৰা সৰ্বপ্ৰথম অসমীয়া অনুষ্ঠানটো প্ৰচাৰ কৰা হৈছিল। সেই সময়ত অনুষ্ঠান বাণীবদ্ধ কৰাৰ সুবিধা নাছিল। সেয়েহে অনুষ্ঠানবোৰ পোনপটীয়ভাৱে প্ৰচাৰ কৰা হৈছিল। অসমীয়া অনুষ্ঠানটোৰ ১০ মিনিটৰ আছিল। যুদ্ধকালীন উদ্দেশ্য প্ৰণোদিত (War propaganda) অনুষ্ঠানটো শ্ৰৰ্ট ৱেভ (SW) বেণ্ডত প্ৰচাৰ কৰা হৈছিল। পাছলৈ অনুষ্ঠানটোৰ সময় ১৫ মিনিট কৰি সপ্তাহত দুবাৰ প্ৰচাৰ কৰাৰ দিহা কৰা হৈছিল। পাছত পুনৰ অনুষ্ঠানটোৰ সময় বঢ়াই ২০ মিনিট কৰি সপ্তাহত তিনিদিন প্ৰচাৰ কৰিবলৈ লোৱা হৈছিল। ১৯৪৩ চনৰ পৰা এই অনুষ্ঠাটো দৈনিক ৩০ মিনিট সময় প্ৰচাৰ কৰা হৈছিল। ১৯৪৮ চনত 'অল ইণ্ডিয়া ৰেডিঅ' শ্বিলং-গুৱাহাটী' স্থাপন কৰাৰ সময়লৈকে ইয়াৰ সময় সলনি কৰা হোৱা নাছিল।

অল ইণ্ডিয়া ৰেডিঅ' কলিকতাৰ অসমীয়া অনুষ্ঠানটোৰ চোৱা চিতা কৰিছিল গীতিকাৰ-সুৰকাৰ কমল নাৰায়ণ চৌধুৰী আৰু পুৰুষোত্তম দাসে। পাছত উবেইদুল লটিফ বৰুৱা (আকাশবাণীৰ সৰ্বোচ্চ পদ মহানিৰ্দেশকৰ আসন শুৱনি কৰি অৱসৰ লৈছিল) গৈ তেওঁলোকৰ লগ লাগিছিল।

যদিও অসমীয়া ৰেডিঅ' অনুষ্ঠানৰ যাত্ৰা ১৯৪৩ চনৰ পৰা কলিকতাত আৰম্ভ হৈছিল বুলি ক'ব পাৰি, তথাপিও তেতিয়াৰে পৰা অসমত ৰেডিঅ' কেন্দ্ৰ স্থাপন কৰাৰ পাছতহে প্ৰকৃত অৰ্থত অসমীয়া অনুষ্ঠান প্ৰচাৰ আৰম্ভ হ'ল।

১৯৪৮ চনৰ ১ জুলাইৰ পৰা 'অল ইণ্ডিয়া ৰেডিঅ' গুৱাহাটী কেন্দ্ৰৰ কাম-কাজ আৰম্ভ হ'ল। যাত্ৰাৰ পাতনি মেলাৰ সময়ত কেন্দ্ৰটোক 'অল ইণ্ডিয়া ৰেডিঅ' শ্বিলং-গুৱাহাটী' বুলি কোৱা হৈছিল। কাৰণ দুটা কেন্দ্ৰই একেলগে কাম পৰিচালনা কৰিছিল। তেতিয়াৰ ৰাজনৈতিক ৰাজধানী শ্বিলঙত এটা আৰু সাংস্কৃতিক ৰাজধানী গুৱাহাটীত আনটো কেন্দ্ৰই টেলিফোন সংযোগ ব্যৱস্থাৰে যোগসূত্ৰ স্থাপন কৰি একে সময়তে একেটা অনুষ্ঠানকে প্ৰচাৰ কৰিছিল। কেন্দ্ৰৰ ষ্টুডিঅ'টো শ্বিলঙত আছিল। ষ্টেশ্যন নিদেৰ্শক মেহৰা মাছানিৰ নেতৃত্বত সেই সময়ছোৱাত প্ৰথমটো অনুষ্ঠান প্ৰস্তুতকাৰী বিষয়ৰ দলত কাম কৰা দুগৰাকীমান সাংস্কৃতিক জগতৰ পৰিচিত ব্যক্তি আছিল উবেইদুল লটিফ বৰুৱা, পুৰোষোত্তম দাস, ড. ভূপেন হাজৰিকা, ফণী তালুকদাৰ, বীৰেন্দ্ৰ কুমাৰ ফুকন, চৈয়দ আব্দুল মালিক, মৃগেন্দ্ৰ

নাথ চৌধুৰী, অবনী কুমাৰ দাস, নাৰায়ণ বেজবৰুৱা, ৰৌশনাৰা খাটুন, ৰঞ্জন বৰা, সত্য প্রসাদ বৰুৱা আদি। ঘোষক-ঘোষিকাৰ সর্বপ্রথম দলৰ কেইগৰাকীমান সদস্য-সদস্যা হ'ল স্বনামধন্য সাহিত্যিক পদ্ম বৰকটকী, আন্তঃৰাষ্ট্রীয় খ্যাতিসম্পন্ন অভিনেত্রী জ্ঞানদা কাকতি, গীতিকাৰ শিৱ ভট্টাচার্য আদি। এই লোকসকলৰ নেতৃত্বত অসমীয়া অনুষ্ঠান প্রাণ-প্রাচুর্য্যৰে বর্ণিত হৈ সম্প্রচাৰিত হ'বলৈ ধৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ 'আকাশবাণী' শব্দটোৰ জনক কোন?

.....

প্রশ্ন নং ৫ ঃ ভাৰতত সম্প্রচাৰ সেৱা কেতিয়া আৰম্ভ হৈছিল? আকাশবাণীয়ে কেনেদৰে আত্মপ্রকাশ কৰিলে?

.....

.....

প্রশ্ন নং ৬ ঃ ভাৰতত সম্প্রচাৰৰ পর্যায় তিনিটা কি কি?

.....

.....

.....

প্রশ্ন নং ৭ ঃ বিবিধ ভাৰতী কি?

.....

.....

.....

প্রশ্ন নং ৮ ঃ প্রচাৰ ভাৰতী কি?

.....

.....

.....



অনুশীলনী

তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ৰ ৱেবছাইটোৰ লগতে অন্য প্রাসংগিক লিংকবোৰ (related links) খুলি চাওক। দেশত সম্প্রচাৰ সেৱাৰ বিকাশ সম্পর্কীয় শেষতীয়া তথ্যবোৰ জানি থওক। 'ইণ্ডিয়া ২০... (ইণ্ডিয়া ২০১৩)' নামৰ কিতাপখনো পঢ়িব পাৰে।

১০.৬ এফ এম আৰু সমূহীয়া ৰেডিঅ'

যদিও বহু বছৰ ধৰি ৰেডিঅ'ই সবাতোকৈ জনপ্ৰিয় বৈদ্যুতিক প্ৰচাৰ মাধ্যমৰ আসনখন দখল কৰি আছিল, তথাপিও ১৯৫৯ চনত টেলিভিছনৰ উদ্ভাৱন ঘটাৰ লগে লগে বিশেষকৈ ডাঙৰ ডাঙৰ নগৰ-চহৰত ৰেডিঅ'ৰ শ্ৰোতাৰ সংখ্যা লাহে লাহে হ্ৰাস হ'বলৈ ধৰিলে। অল ইণ্ডিয়া ৰেডিঅ'ই অতি মন্থৰ গতিত ষ্টিৰিঅ'ফোনিক ধ্বনি আদিৰ দৰে প্ৰযুক্তিগত বিকাশক আদৰি লোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। এ এম ৰেডিঅ'ত সংগীত সংকেত গ্ৰহণৰ মানদণ্ডই যুৱ প্ৰজন্মক আকৰ্ষণ কৰিব পৰা নাছিল। এই ব্যৱধান আঁতৰ কৰিবলৈ তথা যুৱা প্ৰজন্মৰ প্ৰত্যাশা পূৰাবলৈ অল ইণ্ডিয়া ৰেডিঅ'ই এফ এম সম্প্ৰচাৰ সেৱা আৰম্ভ কৰিলে।

এফ এম মানে হ'ল 'ফ্ৰিকুৱেন্সী মডুলেশ্যন' (Frequency Modulation)। ইয়াত ব্যৱহৃত প্ৰযুক্তিৰ ফলত অনুষ্ঠান অধিক পৰিষ্কাৰকৈ শুনিবলৈ পোৱা যায়।

যুৱ প্ৰজন্মক আকৰ্ষণ কৰিবলৈ এফ এম ৰেডিঅ'ৰ অনুষ্ঠান উপস্থাপন শৈলীও সলনি কৰা হৈছে। বৰ্তমান এফ এমৰ জনপ্ৰিয়তালৈ লক্ষ্য কৰিলে ক'ব পৰা যায় যে অন্য নহ'লেও শ্ৰোতাৰ হিচাপত ৰেডিঅ'ৰ অতীত গৌৰৱ যেন পুনৰ উভতি আহিছে।

- **এফ এম ৰেডিঅ'ৰ সুবিধাসমূহ**
  - * উচ্চ মানবিশিষ্ট ধ্বনি
  - * ষ্টেৰিঅ' সংকেত প্ৰেৰণ (Transmission)
  - * সমাৰোপণ আৰু ধ্বনি প্ৰদূষণৰ পৰা যথেষ্ট মুক্ত
  - * দিনে-ৰাতি একে ধৰণৰ সেৱা প্ৰদান
  - * মূল্য সংযোজিত সেৱা আগবঢ়াব পৰা সামৰ্থ
- **আকাশবাণীৰ এফ এম সেৱাঃ** অল ইণ্ডিয়া ৰেডিঅ'ৰ দুটা প্ৰধান এফ এম ছেনেল আছে —

  i) এফ এম ৰেইনব' আৰু

  ii) এফ এম গোল্ড।

  বৰ্তমান এফ এম গোল্ড ছেনেলৰ সেৱা কেৱল মহানগৰ চাৰিখনৰ শ্ৰোতাইহে শুনিবলৈ পায়। এফ এম ৰেইনব' ছেনেলৰ অন্য পোন্ধৰখন চহৰতো ইয়াৰ সেৱা আগবঢ়াই আহিছে।

  এই ছেনেল দুটাৰে প্ৰধানকৈ জনপ্ৰিয় ভাৰতীয় আৰু পাশ্চাত্য সংগীত প্ৰচাৰ কৰা হয়। উপস্থাপন শৈলী আকৰ্ষণীয় আৰু সমসাময়িক। এই বাবে ছেনেল দুটাই নগৰীয়া যুৱ সমাজৰ মাজত বিপুল জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। এই ছেনেলৰ জৰিয়তে সংবাদ বুলেটিন আৰু সাময়িক প্ৰসংগৰ অনুষ্ঠানো প্ৰচাৰ কৰা হয়।
- **ব্যক্তিগত এফ এম সেৱা ঃ** ভাৰতীয় ব্যৱসায়িক ক্ষেত্ৰখনত বহুকেইটা ব্যক্তিগত এফ এম ছেনেলে আত্মপ্ৰকাশ কৰিছে। উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ ৰাজধানী চহৰকেইখনত ইতিমধ্যে ৮টা এফ এম ষ্টেশ্যনক সেৱা আগবঢ়োৱাৰ অনুমতি প্ৰদান কৰা হৈছে। গুৱাহাটীত ৪টা, শ্বিলঙত ২টা, আগৰতলাত ১টা আৰু অৰুণাচলত ১টা ছেনেলে অনুজ্ঞা লাভ কৰি অনুষ্ঠান সম্প্ৰচাৰ কৰি আছে।

ব্যক্তিগত এফ এম ছেনেলৰ অনুষ্ঠান উপস্থাপন প্ৰকৃতি তথা শৈলী AIR ৰ দৰে প্ৰতিস্থিত আৰু পৰম্পৰাগত উপস্থাপন শৈলীৰ সৈতে ভালেমান দিশত বৈসাদৃশ্য আছে। ব্যক্তিগত এফ এম ছেনেলবোৰৰ উমৈহতীয়া বৈশিষ্ট্য হ'ল সংগীতৰ যোগেদি শ্ৰোতাক সম্পূৰ্ণ মনোৰঞ্জন প্ৰদান কৰাৰ চেষ্টা আৰু ডিস্ক-জ'কী (DJ) শৈলীৰ উপস্থাপন।

- **সমূহীয়া ৰেডিঅ'** (Community Radio)ঃ সমূহীয়া ৰেডিঅ' হ'ল এনে এবিধ ৰেডিঅ' সেৱা যিটোৰ জৰিয়তে এটা সীমিত এলেকাৰ শ্ৰোতাৰ চাহিদা আৰু ৰুচি পূৰণৰ প্ৰয়াস কৰা হয়। ইয়াৰ জৰিয়তে কোনো এক নিৰ্দিষ্ট এলেকাৰ শ্ৰোতাৰ মাজত জনপ্ৰিয় বিষয়বস্তু প্ৰচাৰ কৰা হয়। বৃহৎ,ক্ষমতাশালী ৰেডিঅ' সেৱা সম্প্ৰচাৰকসকলক এই সেৱাৰ প্ৰতি সিমান মনোযোগ দিয়া দেখা নাযায়।

  ভাৰততবিংশ শতিকাৰ নৱৈৰ দশকৰ মাজভাগৰ পৰা সমূহীয়া ৰেডিঅ'ক বৈধতা প্ৰদান কৰাৰ অভিযান আৰম্ভ হৈছিল। সৰ্বোচ্চ ন্যায়ালয়ে ১৯৯৫ চনৰ পৰা ৰায়দান এটা খাৰিজ কৰি "আকাশীতৰংগ ৰাজহুৱা সম্পত্তি" বুলি ৰায়দান কৰাৰ পাছতেই এই অভিযান তীব্ৰতৰ হৈ পৰিছিল। ৰায়টোৱে সমগ্ৰ দেশৰে সমূহীয়া ৰেডিঅ' সেৱা সমৰ্থক দলবোৰক অনুপ্ৰাণিত কৰিছিল। কিন্তু শৈক্ষিক (শিক্ষানুষ্ঠান পৰিসৰৰ ভিতৰৰ পৰা পৰিচালিত) ৰেডিঅ' ষ্টেশ্যনবোৰক অনুজ্ঞা প্ৰদান কৰিহে এই সেৱাৰ পাতনি মেলা হৈছিল। এনে ষ্টেশ্যনবোৰে যথেষ্ট কঠোৰ চৰ্ত মানি লৈ কাম কৰিছিল।

  সমূহীয়া ৰেডিঅ' নীতিৰ অধীনত অনুষ্ঠান সম্প্ৰচাৰৰ অনুজ্ঞা লাভ কৰা ভাৰতৰ প্ৰথমটো শৈক্ষিক প্ৰতিষ্ঠান পৰিসৰৰ অন্তৰ্ভুক্ত (Campus Radio) ৰেডিঅ' ষ্টেশ্যন হ'ল আন্না এফ এম। ২০০৪ চনৰ ১ ফ্ৰেব্ৰুৱাৰীৰ পৰা কাম আৰম্ভ কৰা এই ষ্টেশ্যনটো পৰিচালনা কৰে শিক্ষা আৰু মাল্টি মিডিয়া গৱেষণা কেন্দ্ৰই (EM^2RC)। ষ্টেশ্যনটোৰ সকলোবোৰ অনুষ্ঠান আন্না বিশ্ববিদ্যালয়ৰ মিডিয়া ষ্টাডিজ বিভাগৰ শিক্ষাৰ্থীসকলে যুগুত কৰে।

  উত্তৰ-পূব ভাৰতত সৰ্বপ্ৰথম সমূহীয়া ৰেডিঅ'ৰ অনুষ্ঠান প্ৰচাৰ কৰা শৈক্ষিক প্ৰতিষ্ঠানটো হ'ল কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়। ২০০৯ চনৰ জানুৱাৰী মাহৰ ২৮ আৰু ২৯ তাৰিখে দুদিনৰ বাবে পৰীক্ষামূলকভাৱে এই অনুষ্ঠান প্ৰচাৰ কৰা হৈছিল। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু কমনৱেলথ্ এডুকেচনেল মিডিয়া চেণ্টাৰ ফ'ৰ এছিয়াৰ সহযোগত আয়োজন কৰা ষষ্ঠ সমূহীয়া ৰেডিঅ' সজাগতাৰ বাবে আঞ্চলিক আলাপ-আলোচনাৰ সভাৰ সৈতে সংগতি ৰাখি এই প্ৰচাৰ কৰা হৈছিল। জ্ঞান-তৰংগ (৯০.৪ মেগাহাৰ্টজ) নামৰ উত্তৰ-পূব ভাৰতৰ সৰ্বপ্ৰথম সমূহীয়া অনাতাঁৰ কেন্দ্ৰটোৰ দৈনন্দিন সম্প্ৰচাৰৰ কাম আৰম্ভ কৰা হয় ২০১০ চনৰ ২০ নৱেম্বৰৰ পৰা। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে এই কেন্দ্ৰটিৰ জৰিয়তে নিতৌ ২২ ঘণ্টাকৈ অনুষ্ঠান সম্প্ৰচাৰ কৰে। এইখিনিতে শিক্ষাৰ্থীসকলে জানি থোৱা ভাল যে উত্তৰ-পূৰ্বাঞ্চলৰ দ্বিতীয়টো সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ উদ্বোধন কৰা হয় এক মাৰ্চ ২০১১ তাৰিখে। ৰেডিঅ' লুইত (৯০.৮ মেগাহাৰ্টজ) নামৰ এই কেন্দ্ৰটিৰ জৰিয়তে গুৱাহাটী বিশ্ববিদ্যালয়ে

সমূহীয়া অনাতাঁৰৰ বিভিন্ন অনুষ্ঠান সম্প্রচাৰ কৰে।

এই প্রতিষ্ঠানসমূহে ৫০ ৱাটৰ (ERP) ৰেডিঅ' ষ্টেশ্যনৰ জৰিয়তে কাম কৰাৰ অভিজ্ঞতা লাভ কৰিছে। কেন্দ্রৰ পৰা প্রায় ১০ কিল'মিটাৰৰ পৰিধিৰ ভিতৰত প্রচাৰিত অনুষ্ঠান শুনিবলৈ পোৱা যায়। এন্টেনাৰ অনুজ্ঞাপ্রাপ্ত সর্বাধিক দৈর্ঘ হ'ল ৩০ মিটাৰ। সমূহীয়া অনুষ্ঠানবোৰ অতি কমেও ৫০ % অনুষ্ঠান যিমানদূৰ সম্ভৱ স্থানীয় ভাষা আৰু উপভাষা তৈয়াৰ কৰাত অধিক গুৰুত্ব দিয়া হয়। কিন্তু মনোৰঞ্জনমূলক অনুষ্ঠান প্রচাৰ কৰাৰ ক্ষেত্র তো তেনে কোনো নিষেধাজ্ঞা নাই। ভাৰতৰ সমূহীয়া আৰু ব্যৱসায় ভিত্তিক এফ এম ৰেডিঅ'ত সংবাদ অনুষ্ঠান পৰিৱেশন কৰাতো নিষেধ। কেৱল প্রতি ঘন্টাত পাঁছ মিনিটকৈ বিজ্ঞাপন প্রচাৰ কৰিব পাৰে। কেন্দ্রীয় অথবা ৰাজ্য চৰকাৰে পৃষ্ঠপোষকতা কৰা অনুষ্ঠানৰ বাহিৰে এই ৰেডিঅ'ৰ যোগেদি আন কোনো পৃষ্ঠপোষকতা থকা (sponsored) অনুষ্ঠান প্রচাৰ কৰিব নোৱাৰি।

প্রণিধানযোগ্য যে ২০১২ চনৰ ৫ নৱেম্বৰ তাৰিখৰ পৰা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে সমূহীয়া ৰেডিঅ'ৰ কার্যসূচী সকলো মানুহেই শুনিব পৰাকৈ উত্তৰ-পূব ভাৰতৰ সর্বপ্রথম ইণ্টাৰনেট ৰেডিঅ'— ই জ্ঞান তৰংগ (www.kkhsou.in/crs) স্থাপন কৰে। ইয়াৰ জৰিয়তে বর্তমান পৃথিৱীৰ সকলো ঠাইৰ পৰাই ইণ্টাৰনেটৰ জৰিয়তে সমূহীয়া অনাতাঁৰৰ কার্যসূচী শুনিব পাৰি।

অল ইণ্ডিয়া ৰেডিঅ'ৰো কেইটামান সমূহীয়া ৰেডিঅ' কেন্দ্র আছে। কিছু দিনৰ পূর্বে জনজাতি বাসিন্দাসকলৰ সুবিধার্থে উত্তৰ-পূর্বাঞ্চলৰ পাঁচখন ঠাইত (নাগালেণ্ড, মিজোৰাম, মেঘালয়) পৰীক্ষামূলকভাৱে এই কেন্দ্রকেইটা স্থাপন কৰা হৈছে।

কেইটামান সম্প্রদায়েও এফ এম ষ্টেশ্যন ব্যৱহাৰ কৰি উন্নয়নমূলক বিষয়ৰ সৈতে জড়িত অনুষ্ঠান প্রচাৰৰ অনুজ্ঞা লাভ কৰিছে। অনুজ্ঞাপ্রাপ্ত ষ্টেশ্যান কেইটামান হ'ল — অন্ধ্রপ্রদেশৰ মেডাকৰ সংযম ৰেডিঅ', মধ্যপ্রদেশৰ অর্ছাৰ ৰেডিঅ' বুণ্ডেলখণ্ড, কর্ণাটকৰ কোলাৰ জিলাৰ নাম্মাধ্বনি আৰু তামিলনাডুৰ মাডুৰাইৰ কাষৰ ৰানোলিৰ পীপলছ্ এক্শন ফৰ ৰুৰেল ডেভেলপমেন্ট (PARD)। সমূহীয়া ৰেডিঅ' কেন্দ্র স্থাপনৰ বাবে অনুজ্ঞা বিচৰা সম্প্রদায়ৰ সংখ্যা লাহে লাহে বাঢ়িব ধৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ এফ এম ৰেডিঅ'ৰ মূল সুবিধাসমূহ কি কি?

.....

.....

.....

প্রশ্ন নং ১০ ঃ সমূহীয়া ৰেডিঅ' মানে কি?

.....

.....

.....

প্রশ্ন নং ১১ ঃ উত্তৰ পূব ভাৰতৰ সর্বপ্রথম কমিউনিটি ৰেডিঅ' আৰু ইণ্টাৰনেট ৰেডিঅ' দুটাৰ নাম কি?

.....

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰেডিঅ' হ'ল এনে এটা গণসংযোগ মাধ্যম যিটোৰ জৰিয়তে একে সময়তে বিপুল সংখ্যক লোকৰ মাজত কোনো বার্তা প্রচাৰ কৰিব পৰা যায়।
- ৰেডিঅ'ৰ দুটা প্রাৰম্ভিক ৰূপ হ'ল অনাতাঁৰ টেলিগ্রাফী আৰু ৰেডিঅ' টেলিফোন।
- ৰেডিঅ' ৰ কিছুমান নিজা বৈশিষ্ট্য আছে।
- শ্রোতাৰ মাজত চলোৱা বিভিন্ন সমীক্ষাৰ দ্বাৰা তেওঁলোকৰ চাহিদা আৰু ৰুচিৰ বিষয়ে জানিব পৰা যায় আৰু সেই মতে ৰেডিঅ' অনুষ্ঠানসমূহ যুগুত কৰা হয়।
- সম্প্রচাৰ (Broadcasting) মানে হ'ল শ্রোতাৰ মাজত শ্রব্য সংকেত বিলাই দি অনুষ্ঠান প্রচাৰ কৰা প্রক্রিয়া। শ্রোতা মানে সাধাৰণ ৰাইজ অথবা শিশু আৰু যুৱক-যুৱতীৰ দৰে আপেক্ষিকভাৱে বৃহৎ উপ-শ্রোতাবৃন্দ হ'ব পাৰে।
- এটা গণ প্রচাৰ মাধ্যম হিচাপে ৰেডিঅ'ই অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই শ্রোতাৰ ওপৰত ব্যক্তিগত আৰু সামাজিক দুই ধৰণৰ প্রভাৱ পেলাব পাৰে।
- আকাশবাণীৰ এটা তিনি খলপীয়া সম্প্রচাৰ প্রণালী আছে। প্রণালীটো হ'ল ৰাষ্ট্রীয়, আঞ্চলিক আৰু স্থানীয় প্রচাৰ।
- আকাশবাণীৰ নিজা লক্ষ্য-উদ্দেশ্য আছে।
- 'বিবিধ ভাৰতী' হ'ল আকাশবাণীৰ মনোৰঞ্জনকাৰী আৰু ব্যৱসায়িক প্রচাৰ সেৱা।
- ভাৰতত ৰাজহুৱা সম্প্রচাৰ ক্ষেত্রত স্ব-নিয়ন্ত্রণৰ দাবীটো হ'ল এটা গভীৰ আলোচনাৰ বিষয়। এই বিষয়ত তিনিখন জৰুৰী কমিটি-বিধেয়ক হ'ল চন্দা কমিটি, প্রসাৰ ভাৰতী আৰু আকাশ ভাৰতী।
- এফ এম ৰেডিঅ'ই প্রচাৰ মাধ্যমৰূপে ৰেডিঅ'ৰ হৃত গৌৰৱ পুনৰ ঘূৰাই আনিছে আৰু সম্প্রচাৰক এক নতুন মাত্রা প্রদান কৰিছে।



১০.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। গণমাধ্যম আৰু সম্প্ৰচাৰ সাংবাদিকতা— ড° অংকুৰণ দত্ত (অসম প্ৰকাশন পৰিষদ)

ইংৰাজী গ্ৰন্থ ঃ

1. Radios programme production - a manual for Training, By Richard Aspinall, Published by UNESCO, Paris, 1973
2. A Manual For Broadcasters, By Robert Mc Leish, Focal Press, Linacre House, Jordan Hill, Burlington M A 01803, USA

১০.৯ অগ্ৰগতিৰ খতিয়ান



১ নং প্ৰশ্নৰ উত্তৰঃ সম্প্ৰচাৰ (Broadcasting) মানে হ'ল শ্ৰব্য সংকেতৰ বিতৰণ। এনে সংকেতৰ জৰিয়তে অগণন শ্ৰোতাৰ মাজত অনুষ্ঠান প্ৰচাৰিত কৰা হয়। ৰেডিঅ'ৰ শ্ৰোতা সাধাৰণ ৰাইজো হ'ব পাৰে নাইবা আপেক্ষিকভাৱে বিশাল উপ-শ্ৰোতাবৰ্গও হ'ব পাৰে। এনে উপ-শ্ৰোতাবৰ্গৰ উদাহৰণ হ'ল শিশু অথবা যুৱক-যুৱতীসকল।

ইংৰাজী শব্দ 'Broadcast' -ৰ অৰ্থ হ'ল এখন বহল পথাৰত বীজ সিঁচৰতি কৰা। এই শব্দটো মিডৱেষ্টাৰ্ন আমেৰিকাৰ ৰেডিঅ' অভিযন্তাসকলে প্ৰথমে ব্যৱহাৰ কৰিছিল। ইয়াৰ দ্বাৰা তেওঁলোকে ৰেডিঅ' সংকেতৰ তদ্ৰূপ বিতৰণৰ কথা বুজাইছিল। সম্প্ৰচাৰে গণ প্ৰচাৰ মাধ্যমৰ এটা বিশাল অংশ আগুৰি আছে।

অতি সীমিত সংখ্যক শ্ৰোতাৰ বাবে অনুষ্ঠান সম্প্ৰচাৰ কৰাকে 'সীমাবদ্ধ প্ৰচাৰ' অথবা 'Narrowcasting' বোলা হয়। সমূহীয়া ৰেডিঅ'ৰ ধাৰণাটো এনে ধৰণৰ প্ৰচাৰ সেৱাৰ সৃষ্টি হৈছে।

২ নং প্ৰশ্নৰ উত্তৰঃ ক) পোনপ্ৰথমে ক'ব পাৰি যে ৰেডিঅ' হ'ল এটা দৃষ্টি গোচৰ নোহোৱা মাধ্যম (Blind medium)। ই শ্ৰোতাৰ মনত কল্পনা শক্তি জাগ্ৰত কৰে।

খ) ৰেডিঅ'ৰ এটা প্ৰধান সুবিধা হ'ল ৰেডিঅ' শুনি থকা সময়ত অন্য কাম কাজো কৰি থাকিব পৰা যায়।

গ) ৰেডিঅ' কেৱল ধ্বনিৰ ওপৰত নিৰ্ভৰশীল।

৩ নং প্ৰশ্নৰ উত্তৰঃ ৰেডিঅ' হ'ল এটা গণসংযোগ মাধ্যম। ইয়াৰ জৰিয়তে কোনো এক বাৰ্তা অগণন শ্ৰোতাৰ মাজত প্ৰচাৰ কৰিব পাৰে।

১৮৯৬ চনত ইটালীৰ গৱেষক-বিজ্ঞানী গুগ্‌লিলম' মাক'নিয়ে এটা যন্ত্ৰ উদ্ভাৱন কৰিছিল। এই যন্ত্ৰটোক পাছলৈ ৰেডিঅ' নাম দিয়া হৈছিল। যন্ত্ৰটোৰ সহায়ত কোনো তাঁৰ ব্যৱহাৰ নকৰাকৈ এখন ঠাইৰ পৰা আন এখন ঠাইলৈ ধ্বনি প্ৰেৰণ কৰিব পৰা গৈছিল।

৪ নং প্ৰশ্নৰ উত্তৰঃ অধ্যাপক এম. ভি. গোপালাস্বামীয়ে ১৯৫৭ চনত 'আকাশবাণী' নামটো সৃষ্টি কৰিছিল।

৫ নং প্ৰশ্নৰ উত্তৰঃ১৯২৩ চনৰ জুন মাহত মুম্বাইৰ ৰেডিঅ' ক্লাবে ভাৰতত প্ৰথমটো ৰেডিঅ' অনুষ্ঠান প্ৰচাৰ কৰিছিল।

ইয়াৰ পাছতেই ভাৰতত এটা 'সম্প্ৰচাৰ সেৱা প্ৰণালী' তৈয়াৰ কৰা হৈছিল। ১৯২৭ চনৰ জুলাই মাহত এই সেৱাৰ জৰিয়তে মুম্বাই আৰু ক'লকাতাৰ পৰা একে সময়তে পৰীক্ষামূলকভাৱে ৰেডিঅ' অনুষ্ঠান প্ৰচাৰ কৰা হৈছিল। এই মৰ্মে ভাৰত চৰকাৰ আৰু 'ইণ্ডিয়ান ব্ৰডকাষ্টিং কোম্পানী লিমিটেড' নামৰ এটা ব্যক্তিগত কোম্পানী চুক্তিবদ্ধ হৈছিল। ১৯৩০ চনত ভাৰত চৰকাৰে এই কোম্পানীটোক এটা ৰাষ্ট্ৰীয়কৃত কোম্পানীলৈ ৰূপান্তৰিত কৰিছিল। তাৰ পাছৰ পৰা কোম্পানীটোৱে 'ইণ্ডিয়ান ষ্টেট ব্ৰডকাষ্টিং ছাৰ্ভিছ্‌ে' নামেৰে প্ৰচাৰ সেৱা চলাই গৈছিল। এই পৰীক্ষামূলক সম্প্ৰচাৰৰ সফলতাই চৰকাৰক উৎসাহিত কৰিলে। ইয়াৰে বাবে এটা পৃথক বিভাগ গঠন কৰা হৈছিল। ১৯৩৬ চনৰ জুন মাহত ISBS-ক অল ইণ্ডিয়া ৰেডিঅ' (AIR) বুলি নতুনকৈ নামকৰণ কৰা হয়। ১৯৫৭ চনত আনুষ্ঠানিকভাৱে AIR-ক আকাশবাণী নাম দিয়া হয়। অৱশ্যে ইংৰাজী ভাষাৰ অনুষ্ঠানত ইয়াক এতিয়াও 'অল ইণ্ডিয়া ৰেডিঅ' বুলিয়েই কোৱা হয়।

৬ নং প্ৰশ্নৰ উত্তৰঃ AIR-ৰ এটা তিনিখলপীয়া সম্প্ৰচাৰ পদ্ধতি আছে। পৰ্যায় তিনিটা হ'ল ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু স্থানীয় সম্প্ৰচাৰ।

৭ নং প্ৰশ্নৰ উত্তৰঃ 'বিবিধ ভাৰতী' হ'ল AIR-ৰ মনোৰঞ্জনমূলক আৰু ব্যৱসায়িক সেৱা। ১৯৫৭ চনত এই সেৱাৰ সুচনা কৰা হয়। এতিয়াও ই দেশৰ সৰ্বত্ৰ অতি জনপ্ৰিয়। এতিয়ালৈকে দেশৰ বিভিন্ন স্থানত ৪০ টা বিবিধ ভাৰতী ষ্টেশ্যন আছে। দেশৰ যিকোনো অংশৰ পৰা একেটা তৰংগ দৈৰ্ঘত একে সময়তে ইয়াৰ অনুষ্ঠানবোৰ কেন্দ্ৰীয়ভাৱে মুম্বাই কেন্দ্ৰৰ পৰা সম্প্ৰচাৰ কৰা হয়। অন্য আকাশবাণীৰ বিবিধ ভাৰতী ষ্টেশ্যনবোৰে (যেনে- গুৱাহাটী) নিজ নিজ ভাষাত কোনো পূৰ্বনিৰ্দিষ্ট সময়ত কেইটামান নিজস্ব অনুষ্ঠানো সম্প্ৰচাৰিত কৰে।

৮ নং প্ৰশ্নৰ উত্তৰঃ 'প্ৰচাৰ ভাৰতী' (ভাৰতীয় সম্প্ৰচাৰ নিগম হ'ল ভাৰতৰ সৰ্ববৃহৎ ৰাজহুৱা সম্প্ৰচাৰ সেৱা। ই ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ এক স্বতন্ত্ৰ নিগম। দূৰদৰ্শন আৰু আকাশবাণীয়ে এই নিগমৰ নিয়ন্ত্ৰণাধীন হৈ কাম-কাজ পৰিচালনা কৰি আহিছে।

১৯৯৭ চনৰ ২৩ নবেম্বৰত প্ৰসাৰ ভাৰতী গঠন কৰা হয়। অন্য বহুতো দেশৰ দৰে চৰকাৰৰ মালিকীস্বত্ব থকা বৈদ্যুত্যিক প্ৰচাৰ মাধ্যমকো স্বনিয়ন্ত্ৰণৰ অধিকাৰ দিব লাগে বুলি উত্থাপিত হোৱা দাবীৰ ফলস্বৰূপে প্ৰচাৰ ভাৰতীৰ জন্ম হয় যদিও ১৯৯০ চনৰ ১৫ ছেপ্তেম্বৰৰ পৰাহে বলবৎ কৰা হৈছিল।

এটা নিগমৰূপে 'প্ৰচাৰ ভাৰতী'ক প্ৰচাৰ ভাৰতী বোৰ্ডে নিয়ন্ত্ৰণ কৰে। বোৰ্ডত এগৰাকী অধ্যক্ষ, প্ৰধান কাৰ্যবাহী বিষয়া, বোৰ্ডৰ সদস্যবৃন্দ তথা আকাশবাণী আৰু দূৰদৰ্শনৰ লগতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াবৰ্গ থাকে।

১০ নং প্ৰশ্নৰ উত্তৰঃ এফ এম ৰেডিঅ'ৰ সুবিধাবোৰ হ'ল —

* উচ্চ মান বিশিষ্ট ধ্বনি
* ষ্টেৰিঅ' সংকেত প্ৰেৰণ
* সমাৰোপণ আৰু ধ্বনি প্ৰদূষণৰ পৰা যথেষ্ট মুক্ত
* দিনে-ৰাতি একে ধৰণৰ সেৱা প্ৰদান
* মূল্য সংযোজিত সেৱা আগবঢ়াব পৰা সামৰ্থ

১১ নং প্ৰশ্নৰ উত্তৰঃ সমূহীয়া ৰেডিঅ' হ'ল এনে এবিধ ৰেডিঅ' সেৱা যিটোৰ জৰিয়তে এটা সীমিত এলেকাৰ শ্ৰোতাৰ চাহিদা আৰু ৰুচি পূৰণৰ প্ৰয়াস কৰা হয়। ইয়াৰ জৰিয়তে কোনো এক নিৰ্দিষ্ট এলেকাৰ শ্ৰোতাৰ মাজত জনপ্ৰিয় বিষয়বস্তু প্ৰচাৰ কৰা হয়। বৃহৎ, ক্ষমতাশালী ৰেডিঅ' সেৱা সম্প্ৰচাৰকসকলৰ এই সেৱাৰ প্ৰতি সিমান মনোযোগ দিয়া নাযায়।

ভাৰতত বিংশ শতিকাৰ ৯০ ৰ দশকৰ দশকৰ মাজ ভাগৰ পৰা সমূহীয়া ৰেডিঅ'ক বৈধতা প্ৰদান কৰা দাবীত অভিযান আৰম্ভ হৈছিল।

১২ নং প্ৰশ্নৰ উত্তৰঃ উত্তৰ পূৰ্বাঞ্চলৰ সৰ্বপ্ৰথম সমূহীয়া ৰেডিঅ' হৈছে জ্ঞান তৰংগ আৰু প্ৰথম ইণ্টাৰনেট ৰেডিঅ' হৈছে— ই জ্ঞান তৰংগ।



১০.১০ আহি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ অল ইণ্ডিয়া ৰেডিঅ'ৰ নাম কেতিয়া আকাশবাণী কৰা হয়?

প্ৰশ্ন ২ ঃ প্ৰসাৰ ভাৰতী কেতিয়া স্থাপন কৰা হয়?

প্ৰশ্ন ৩ ঃ কমিউনিটি বা সমূহীয়া ৰেডিঅ' বুলিলে কি বুজে?

প্ৰশ্ন ৪ ঃ ৰেডিঅ' জ'কি মানে কি?

(খ) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ এফ এম ৰেডিঅ' মানে কি?

প্রশ্ন ২ ঃ ৰেডিঅ'ৰ উৎপত্তি আৰু বিকাশ সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ ৰেডিঅ'ৰ সংজ্ঞা দিয়ক।

(গ) দীঘলীয়া প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ আকাশবাণীৰ বিকাশ আৰু কার্যক্রমণিকা সম্পর্কে বর্ণনা কৰক।

প্রশ্ন ২ ঃ ভাৰতত ৰেডিঅ'ৰ বিকাশ সম্পর্কে ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃঅসমত আকাশবাণীৰ ইতিহাস সম্পর্কে এখন ৰচনা লিখক।

প্রশ্ন ৪ ঃ আকাশবাণীৰ গুৱাহাটী বা ডিব্রুগড়ৰ পৰা সম্প্রচাৰিত অনুষ্ঠানসমূহৰ বিষয়ে আপোনাৰ মতামত আগবঢ়াওক।

*** ***** ***

অধ্যায় ১১ ঃ ভাৰতত কমিউনিটী ৰেডিঅ'ৰ বিকাশ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ কমিউনিটী ৰেডিঅ' বা সমূহীয়া অনাতাঁৰৰ ধাৰণা
১১.৪ ভাৰতত এটা কমিউনিটী ৰেডিঅ' ষ্টেশ্যন বা সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ স্থাপনৰ বাবে নির্দেশনাৱলী
১১.৫ ভাৰতত কমিউনিটী ৰেডিঅ' ষ্টেশ্যনৰ উৎপত্তি আৰু ক্ৰমবিকাশ
১১.৬ উত্তৰ-পূবত কমিউনিটী ৰেডিঅ'ৰ বিকাশ আৰু উন্নয়ন
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্ৰগতিৰ খতিয়ান
১১.১০ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কমিউনিটী ৰেডিঅ' কি তাক বুজিব পাৰিব
- ভাৰতত কমিউনিটী ৰেডিঅ' স্থাপনৰ নির্দেশনাৱলী সম্পর্কে জানিব পাৰিব
- ভাৰতৰ উত্তৰ-পূবৰ বিশেষ প্ৰসংগৰে কমিউনিটী ৰেডিঅ'ৰ বিকাশ আৰু উন্নয়নৰ বিশ্লেষণ।

১১.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত বিশ্বত কমিউনিটী ৰেডিঅ'ৰ ধাৰণাৰ বিকাশ আৰু উন্নয়নৰ বিষয়ে আপোনালোকক পৰিচয় কৰাই দিয়া হৈছে। লগতে আপোনাকক ভাৰতত এফ-এম আৰু কমিউনিটী ৰেডিঅ'ৰ বিকাশৰ লগে লগে অনাতাঁৰৰ উন্নয়নৰ এক সামগ্ৰিক অৱলোকন আগবঢ়োৱা হৈছে। এই অধ্যায়ত আমি ভাৰতত কমিউনিটী ৰেডিঅ' স্থাপনৰ বাবে প্ৰয়োজনীয় নির্দেশনাৱলীৰ ওপৰত আলোকপাত কৰি কমিউনিটী ৰেডিঅ'ৰ ধাৰণাটি বিস্তৃতভাৱে আলোচনা কৰিম। ইয়াৰ উপৰিও ইয়াত ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ বিশেষ প্ৰাসংগিকতাৰে কমিউনিটী ৰেডিঅ'ৰ বিকাশৰ ধাৰাটোৰ বিষয়ে জানিবলৈ সক্ষম হ'ব।

১১.৩ কমিউনিটী ৰেডিঅ' বা সমূহীয়া অনাতাঁৰৰ ধাৰণা

তৃণমূল পর্যায়ৰ লোকসকলৰ মাজত উপনীত হ'বৰ বাবে কমিউনিটী ৰেডিঅ' এক বুনিয়াদী যোগাযোগৰ মাধ্যম। ই হ'ল স্থানীয় পর্যায়ত উন্নয়নৰ প্ৰয়োজনসমূহ প্ৰাধান্য দিয়াৰ

বাবে আৰু বিভিন্ন আলোচনা, তর্ক, প্রকাশ আৰু হেঁচা প্রয়োগৰ যোগেদি এনে উন্নয়ন ফলপ্রসূ কৰি তোলাৰ বাবে এক সক্রিয় অংশগ্রহণমূলক আৰু প্রভাৱশালী যোগাযোগ মাধ্যম। এনে ধৰণৰ অনাতাঁৰ কেন্দ্র জনসাধাৰণৰ দ্বাৰা প্রতিষ্ঠিত আৰু নিয়ন্ত্রিত হয় আৰু ইয়াক জনসাধাৰণৰ লাভৰ বাবেই পৰিচালিত কৰা হয়।

ই হ'ল যোগাযোগ ব্যৱস্থাক সর্বসাধাৰণৰ কায চপাই নিয়াৰ আৰু তেওঁলোকক এখন সুন্দৰ মঞ্চ প্রদান কৰাৰ ব্যৱস্থা। কমিউনিটী ৰেডিঅ'ই চহৰৰ অভিজাত মাধ্যম এটিক গ্রাম্য অঞ্চলৰ সাধাৰণ লোকৰ যোগাযোগৰ এটি আহিলালৈ ৰূপান্তৰিত কৰিছে।

AMARC, the World Association of Community Broadcasters-এ কমিউনিটী ৰেডিঅ'ক তলত দিয়া ধৰণে বর্ণনা কৰিছে—

"যেতিয়া ৰেডিঅ'ই সাধাৰণ নাগৰিকসকলৰ অংশগ্রহণ সম্ভৱ কৰি তোলে আৰু তেওঁলোকৰ ৰুচি-অভিৰুচিক সুৰক্ষিত কৰে; যেতিয়া ই ইয়াৰ মূখ্য উদ্দেশ্য বৃহৎ সংখ্যক লোকৰ ৰুচি, ৰসিকতা আৰু আশা-আকাংক্ষাক প্রতিফলিত কৰে; যেতিয়া ই প্রকৃততে সংশোধন কৰে, যেতিয়া ই দৈনন্দিন জীৱনৰ সমস্যাৰ ভিতৰত এটিৰ সমাধান আগবঢ়ায়; যেতিয়া ইয়াৰ অনুষ্ঠানসমূহত প্রতিটো বক্তব্যৰ তর্ক অনুস্থিত হয় আৰু ইয়াৰ সকলো মন্তব্যক সন্মান জনোৱা হয়; যেতিয়া সাংস্কৃতিক বিভিন্নতাক বাণিজ্যিক স্বচ্ছন্দপতাৰ আধাৰত উৎসাহিত কৰা হয়; যেতিয়া মহিলাসকলে যোগাযোগৰ মাধ্যমত মূল ভূমিকা গ্রহণ কৰে আৰু তেওঁলোক কেৱল এটি মিঠা মাত বা আকর্ষমৰ সামগ্রী হৈ নাথাকে; যেতিয়া কোনো ধৰণৰ একচ্ছত্রিতাক সহ্য কৰা নহয়, আনকি বৃহৎ সংগীত কোম্পানীৰ একচ্ছত্রিতাকো সহ্য কৰা নহয়; যেতিয়া প্রত্যেকৰে মাত কোনো বিভেদ নোহোৱাকৈ বতাহত উৰি ফুৰে; সেয়াই হ'ল সমূহীয়া অনাতাঁৰ।"

উপর্যুক্ত সংজ্ঞাসমূহ কোনো ধৰণৰ অন্তিম মন্তব্য নহয়। বহুতো পৰিস্থিতিত য'ত নেকি এটা প্রতিস্থিত কমিউনিটী ৰেডিঅ' থাকে তাৰো সংজ্ঞাত বিভিন্নতা আহিব পাৰে। মনত ৰাখিবলগীয়া মূল কথাটো হ'ল কমিউনিটী ৰেডিঅ' সদায়ে সর্বসাধাৰণৰ সেৱাত উৎসর্গিত অনুষ্ঠান। যিসকল কমিউনিটী ৰেডিঅ'ৰ পৰিচালক, তেওঁলোকে সম্প্রচাৰ কৰি থকা সর্বসাধাৰণৰ এটি অংশ নহ'বও পাৰে, কিন্তু সদায়ে সর্বসাধাৰণৰ প্রয়োজনৰ প্রতি ধ্যান ৰখা উচিত। বোধহয় দক্ষিণ এছিয়াত এক সুচিন্তিত কমিউনিটী ৰেডিঅ'ৰ নীতি থকা ভাৰতেই এখন দেশ। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্রচাৰ মন্ত্রণালয়ে আশা কৰে যে নতুন কমিউনিটী ৰেডিঅ' নীতিৰ অধীনত হাজাৰ হাজাৰ কমিউনিটী অনাতাঁৰ কেন্দ্রৰ স্থাপন হ'ব।

সমূহীয়া অনাতাঁৰ কেন্দ্রত সর্বসাধাৰণ বুলিলে সর্বসাধাৰণৰ উন্নয়নৰ প্রতি আগ্রহী যিকোনো দল হ'ব পাৰে। সেয়া এটা বিশেষ অঞ্চলত থকা নির্দিষ্ট ৰুচিৰ কিছুমান লোক হ'ব পাৰে। উদাহৰণ, এখন গাঁও আৰু ইয়াৰ সদস্যসকল (ভৌগোলিক)ৰ বিষয়ে সম্প্রচাৰ কৰা নতুবা, কেন্দ্র যিয়ে এইখিনি লোক, যেনে— তেওঁলোক খেতিয়ক বা মাছমৰীয়া শ্রেণীয়ে সেৱা আগবঢ়ায় আৰু কার্যসূচীৰ নমুনা সমূহীয়া উদ্দেশ্যৰ ওপৰত নির্ভৰ কৰে। এই ক্ষেত্রতে ই উদ্ভাৱনমূলক আৰু বিনোদনমূলক হোৱাৰ সম্ভাৱনা আছে।

কমিউনিটী ৰেডিঅ'ৰ আন কিছুমান বৈশিষ্ট্যও আছে। ইয়াৰ সংগঠনৰ সকলো পর্যায়ত সাধাৰণ ৰাইজৰ অংশগ্রহণৰ এক সক্রিয় ব্যৱস্থা থাকে। সাধাৰণ লোক, যাৰ বাবে কেন্দ্রটিৰ স্থাপন হৈছে তেওঁলোকৰ অনাতাঁৰ কেন্দ্রটোত প্রভাৱ পেলাব পৰা বিষয়ত নীতি-নির্ধাৰণৰ অধিকাৰ থাকে। ইয়াৰ উপৰি সেই ৰাইজসকল অনুষ্ঠানসমূহৰ উন্নয়ন আৰু আকাৰ দিয়াত জড়িত থাকে নতুবা এখন মুকলি মঞ্চত তেওঁলোকক আহ্বান জনোৱা হয়, য'ত কেন্দ্রটিৰ বিভিন্ন বিষয় আলোচনা কৰা হয়।

এটা সমূহীয়া অনাতাঁৰ কেন্দ্র স্বেচ্ছাসেৱীসকলৰ ওপৰত নির্ভৰ কৰে। প্রকৃত নির্ধাৰিত সমূহীয়া গোষ্ঠীটোৰ পৰা লোকসকলক নিযুক্তি কৰা উচিত, কাৰণ সেই সমূহীয়া গোষ্ঠীটোত বাস কৰা লোকৰ বাহিৰে আন কোনেও তেওঁলোকৰ সমস্যাসমূহ ভালভাৱে বুজি নাপায়। কেন্দ্রটি পৰিচালনা কৰিবলৈ স্থানীয় লোকৰ সাৱলিকৰণৰ ওপৰত বহুতো প্রচেষ্টা হাতত ল'ব লাগিব। প্রকল্পৰ আৰম্ভণি পর্যায়ত মানুহৰ অংশগ্রহণ আৰু আগ্রহ সদায় কৰাটো কঠিন, কিন্তু আৰম্ভণিৰ পৰাই বিভিন্ন দল আৰু ব্যক্তিক অন্তর্ভুক্ত কৰাটো অতি প্রয়োজন।

ক) **গাঁথনি ঃ** কমিউনিটী ৰেডিঅ' সংগঠনটি সদায়ে গণতান্ত্রিক ধাৰণাৰ ওপৰত প্রতিষ্ঠিত, য'ত সর্বসাধাৰণ লোকে ব'র্ডৰ বা ... নির্বাচনত অন্ততঃ সক্রিয়ভাৱে জড়িত হৈ পৰে। কেন্দ্রটোত প্রতিজন ব্যক্তিৰ ভূমিকা স্পষ্টকৈ নির্ধাৰণ কৰিব লাগিব যাতে কিছুমান লোকে আন কিছুমান লোকতকৈ অধিক ক্ষমতা আছে বুলি ভবাৰ পৰিস্থিতি উদ্ভৱ নহয়। সর্বোচ্চ সিদ্ধান্ত গ্রহণকাৰীসকলৰ ভূমিকাত নির্ধাৰিত হ'ব লাগিব। যদি কেন্দ্রটিয়ে কোনো ব্যক্তিক নিযুক্তি দিয়ে, স্বেচ্ছাসেৱীসকলৰ ভূমিকাও নির্ধাৰণ হ'ব লাগিব সেই লোকজনৰ কর্মসূচীৰ ব্যাখ্যাও উচিতভাৱে নিৰীক্ষণ কৰা উচিত। এই সকলো প্রক্রিয়া অতি নিৰপেক্ষ (Trass) আৰু গণতান্ত্রিকভাৱে হ'ব লাগিব।

খ) **উদ্দেশ্য ঃ** কমিউনিটী অনাতাঁৰৰ মূল উদ্দেশ্য সাধাৰণ লোকৰ বাবে উচ্চ গুণসম্পন্ন অনুষ্ঠান তৈয়াৰ কৰা। এই অনুষ্ঠানসমূহ বিশেষভাৱে উদ্দেশ্যিত লোকসকলৰ প্রাসংগিক হ'ব লাগিব। মানুহে কমিউনিটী ৰেডিঅ' তেতিয়া শুনিব যেতিয়া তেওঁলোকে নিজৰ আগ্রহ থকা বিষয়বস্তুসমূহ ইয়াত বিচাৰি পাব। যদি কমিউনিটী ৰেডিঅ'ৰ অনুষ্ঠানসমূহ নিম্ন মানৰ হয়, তেন্তে মানুহে ৰেডিঅ' বন্ধ কৰি দিব নতুবা অন্য অনাতাঁৰ কেন্দ্রলৈ সলনি কৰি ল'ব, যিটো তেওঁলোকক আকর্ষণ কৰিব।

কমিউনিটী সদস্যসকলৰ অংশগ্রহণ কেৱল অনাতাঁৰ কেন্দ্রৰ পৰিচালনাতে সীমাৱদ্ধ হ'ব নালাগে। স্বেচ্ছাসেৱীসকলৰ দ্বাৰা যিমান সম্ভৱ সিমান বাস্তৱ কার্যসূচী গ্রহণ কৰা উচিত। ইয়াৰ বাবে প্রয়োজন উচিত প্রশিক্ষণৰ, যাৰ ম্যাদ ৰেডিঅ'ক মাধ্যম হিচাপে ব্যৱহাৰৰ বাবে কেইটামান সপ্তাহতকৈ অধিক হ'ব নালাগিব। গৃহভুক্ত কর্মশালাসমূহ অধিক প্রতিষ্ঠিত অনাতাঁৰ সাংবাদিক, পৰিচালক আদিৰ দ্বাৰা অনুষ্ঠিত কৰা উচিত আৰু সেইসকলৰ দ্বাৰা যিসকল অনাতাঁৰ কেন্দ্রৰ উন্নয়নত আগ্রহী।

এটা অনাতাঁৰ কেন্দ্র আৰম্ভ কৰাটো অতি খৰচী কাম। ইয়াৰ বাবে প্রয়োজন হয় সঁজুলিসমূহ ক্রয় কৰা যি কিছু খৰচ অন্তর্ভুক্ত কৰে, আনকি কম খৰচী যন্ত্র-পাতি ক্রয় কৰিলেও কেন্দ্রটিৰ

পৰিচালনাৰ ব্যয়ো ওলাই কৰিলে অধিক হৈ পৰে। কিন্তু কিছুদিনৰ পিছত বিদ্যুৎ, টেপ, ট্ৰেন্সপ'ৰ্ট আৰু কিছুদিনৰ পিছত সঁজুলি পুনঃ নিয়োগকৰণ আদিৰ বাবেও বিত্তৰ প্ৰয়োজন হয়।

গতিকে এই সমূহ ব্যয় নিয়ন্ত্ৰণৰ বাবে কিছু আয়ৰো প্ৰয়োজন হয়। একোটা কমিউনিটী অনাতাঁৰত বিভিন্ন ধৰণৰ আয় অৰ্জনৰ ভিতৰত বাণিজ্যিক বিজ্ঞাপন, সদস্যকৰণৰ মাচুল আৰু পুঁজিদাতাসকলৰ পৰা দান সংগ্ৰহ আৰু বেচৰকাৰী সংগঠন আৰু চৰকাৰী বিভাগসমূহৰ পৰা বিত্ত সংগ্ৰহ, পুঁজি বৃদ্ধিকৰণৰ অন্য উৎসসমূহৰ ভিতৰত অন্য অনাতাঁৰ কেন্দ্ৰলৈ পাঠ আগবঢ়োৱা নতুবা সাধাৰণ প্ৰয়োজনীয় সুবিধা, ভাড়াৰ সুবিধা আদি আগবঢ়োৱা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কমিউনিটী ৰেডিঅ' কেন্দ্ৰৰ ভিতৰত 'কমিউনিটী'ৰ সংজ্ঞা লিখক।

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ কমিউনিটী ৰেডিঅ' কেন্দ্ৰৰ অন্তিম লক্ষ্য কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ এটা কমিউনিটী ৰেডিঅ'ই ল'ব পৰা উপার্জনৰ বিভিন্ন উৎসমুহ কি কি?

.....

.....

.....

.....

১১.৪ ভাৰতত এটা কমিউনিটী ৰেডিঅ' ষ্টেশ্যন বা সমূহীয়া অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ নিৰ্দেশৱলী

ভাৰতত কমিউনিটী ৰেডিঅ' কেন্দ্ৰক এক আইনসংগত মান প্ৰদান কৰিবৰ বাবে এক দীঘলীয়া সংগ্ৰাম চলি আহিছে। ১৯৯৫ চনত ছুপ্ৰিম ক'ৰ্টত আকাশবাণীক সমূহীয়া সম্পদ হিচাপে ঘোষণা কৰে আৰু এই ঘোষণাই সমগ্ৰ দেশৰ আটাইবোৰ গোষ্ঠীকে প্ৰেৰণ যোগায়। কিন্তু এতিয়ালৈকে জৰুৰী অৱস্থাৰ বাবে শিক্ষামূলক অনাতাঁৰ কেন্দ্ৰহে অনুমতি দিয়া হৈছে। অতি শেহতীয়াকৈ ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ বিভাগে উত্তৰ-পূবত বিভিন্ন ঠাইত কমিউনিটী ৰেডিঅ' কেন্দ্ৰ স্থাপনৰ বাবে সন্মত হৈছে। কিন্তু যিহেতু এটি সমূহীয়া অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ

প্রক্রিয়াটো অতি লেহেমীয়া, সেয়ে মাত্র কিছু সংখ্যক লোকেহে সমূহীয়া কেন্দ্র স্থাপনৰ বাবে সন্মত হয়।

২০০২ চনৰ ডিচেম্বৰ মাহত ভাৰত চৰকাৰে কিছুমান নামজ্বলা শিক্ষামূলক অনুষ্ঠান, যেনে— IIT/IIMS আদিত কমিউনিটী অনাতাঁৰ কেন্দ্র স্থাপনৰ প্রমাণ-পত্র দিয়াৰ নীতি এখনত অনুমোদন জনায়। ২০০৬ চনৰ ১৬ নৱেম্বৰত ভাৰত চৰকাৰে বেচৰকাৰী সংগঠন আৰু অন্য নাগৰিক সমাজক কমিউনিটী অনাতাঁৰ কেন্দ্র চলাবৰ বাবে নীতিৰ জাননী প্রদান কৰে আৰু সমগ্র ভাৰতত প্রায় ৬০০০ কমিউনিটী ৰেডিঅ'ৰ প্রমাণ-পত্র প্রদান কৰে। এই নতুন নীতিৰ অধীনত ব্যক্তিৰ বাহিৰে ৰাজনৈতিক দল আৰু তেওঁলোকৰ দ্বাৰা মনোনীত সংস্থাসমূহ, অপৰাধী আৰু নিষিদ্ধ সংগঠনসমূহ 'আইনীভাৱে পৃথক' —এই সকলোৱে সমূহীয়া অনাতাঁৰ কেন্দ্র বাবে আবেদন কৰিব পাৰে। এনে কেন্দ্রসমূহৰ বাবে কেন্দ্রীয় পুঁজি আবণ্টন নহয়, আৰু আন উৎসসমূহৰ পৰাও তেওঁলোকে পুঁজি সংগ্রহ কৰাত জৰুৰী বাধা থাকে। মাথোঁ যিবিলাক সংগঠনৰ পঞ্জীকৃত হোৱা কমেও তিনি বছৰ হৈছে আৰু যিবিলাক সংগঠনৰ স্থানীয় ৰাইজৰ সেৱা আগবঢ়োৱাৰ প্রমাণিত নথি থাকে তেওঁলোকে আবেদন কৰিব পাৰে। প্রমাণ-পত্রৰ প্রদানৰ স্বত্বসমূহ খৰচবিহীন, কম ক্ষমতাশালী প্রকল্পসমূহৰ বিপৰীতে পুঁজিৰ সুব্যৱস্থা থকা কেন্দ্রৰ প্রতি অনুকূল হয়। উদাহৰণ স্বৰূপে অন্ধ্রপ্রদেশত মানা ৰেডিঅ' আৰু বিহাৰত ৰাঘৰ এফ-এম ৰেডিঅ'ই কোনো কমিউনিটী ৰেডিঅ' নীতি আৰোপ হোৱাৰ পূৰ্বেই এক সুস্থিৰ বাজেটৰ প্রদর্শন কৰিছিল। লাইচেন্স বা প্রমাণ-পত্রই তেওঁলোকক ১০০ ৰাটৰ অনাতাঁৰ কেন্দ্র চলাবলৈ অনুমতি প্রদান কৰে, যি প্রায় ১২ কিলোমিটাৰ ৰেডিয়াছৰ অঞ্চল কভাৰেজ কৰিব সমর্থ হয়। ইয়াত সর্বোচ্চ ৩০ মিটাৰ উচ্চতাৰ এনটেনাৰ অনুমতি দিয়া হয়। একোটা কমিউনিটী অনাতাঁৰে অতি কমেও ৫০ শতাংশ অনুষ্ঠান স্থানীয়ভাৱে প্রযোজনা কৰিব লাগিব, সেয়া যিমান দূৰ পাৰি স্থানীয় ভাষাতে হ'ব লাগিব। ইয়াত প্রধান গুৰুত্ব দিব লাগিব উন্নয়নমূলক অনুষ্ঠানৰ ওপৰত, যদিও অনুষ্ঠানত কোনো নিষিদ্ধতা নাই। ভাৰতত বাণিজ্যিক এফ-এম ৰেডিঅ'ৰ দৰেই কমিউনিটী ৰেডিঅ'ত কোনো বাতৰিৰ অনুষ্ঠান হ'ব নালাগিব। অৱশ্যে প্রতিঘণ্টাৰ মূলত পাঁচ মিনিটৰ বাণিজ্যিক বিৰতিৰ বাবে মঞ্জুৰি দিয়া হয়। কেন্দ্রীয় বা ৰাজ্যিক চৰকাৰে অনুমোদন নিদিয়ালৈকে কোনো ধৰণৰ প্রযোজিত অনুষ্ঠান উপস্থাপন কৰা হয়।

সমগ্র দেশৰ সমাজকর্মী আৰু কমিউনিটী কার্যকর্তাসকলে কমিউনিটী ৰেডিঅ'ত প্রশিক্ষণ আৰু সমর্থনৰ বাবে অনানুষ্ঠানিক 'Community Radio Forum'ৰ অধীনৰ আশ্রয় নিষিদ্ধ কৰিছে, ইয়াৰ লগে লগে এক অধিক সক্রিয় অনাতাঁৰ নীতিৰ বাবে আর্জি অব্যাহত ৰাখিছে। ইতিমধ্যে মোবাইল ফোন কর্মকর্তাসকলে সম্প্রচাৰ কৌশলৰ পৰম্পৰাগত ধাৰণাৰ ওপৰত প্রতিষ্ঠিত চৰকাৰী নিষেধাজ্ঞা সম্পূর্ণৰূপে অৱজ্ঞা কৰি GSMৰ ওপৰত বাণিজ্যিক সম্প্রচাৰ সেৱা আৰম্ভ কৰি দিছে। এই ক্ষেত্রত বিস্তৃত নীতি নির্দেশাৱলী তলত দিয়া ধৰণৰ—

মূল নীতিসমূহ (Principles) ঃ এটি সংগঠনে কমিউনিটী অনাতাঁৰ কেন্দ্র পৰিচালনা কৰিবলৈ হ'লে, বাৰত চৰকাৰৰ তথ্য আৰু প্রচাৰ বিভাগে আগবঢ়োৱা নীতি আদর্শসমূহ পূৰণ কৰিব লাগিব।

ক) ই অতি কমেও তিনি বছৰ স্থানীয় জনসাধাৰণক সেৱা আগবঢ়োৱা প্ৰমাণ থকাৰ লগতে সম্পূৰ্ণৰূপে 'লাভবিহীন'ভাৱে গঠিত হ'ব লাগিব।

খ) ইয়াৰ দ্বাৰা পৰিচালিত কমিউনিটী ৰেডিঅ' নিৰ্ধাৰিত নিৰ্দিষ্ট স্থানীয় সেৱা আগবঢ়োৱা ব্যৱস্থা হ'ব লাগিব।

গ) ইয়াৰ এটা মালিকীস্বত্ব আৰু পৰিচালনা গাঁথনি থাকিব লাগিব।

ঘ) সম্প্ৰচাৰিত অনুষ্ঠানসমূহ একোটা জনগোষ্ঠীৰ শিক্ষামূলক, উন্নয়নমূলক, সামাজিক প্ৰয়োজনসমূহৰ প্ৰাসংগিক হ'ব লাগিব।

ঙ) ই এখন সমজুৱা অনুষ্ঠান হিচাপে 'আইনমতে স্বকীয় অৰ্থাৎ পঞ্জীকৃত' হ'ব লাগিব।

কমিউনিটী ৰেডিঅ'ৰ প্ৰমাণ-পত্ৰ পাবৰ যোগ্য অনুষ্ঠানসমূহ হ'ল—

ক) সংঘৱদ্ধ অনুষ্ঠান, যেনে— নাগৰিক সমাজ আৰু স্বেচ্ছাসেৱী অনুষ্ঠান, ৰাজ্যিক কৃষি বিশ্ববিদ্যালয়, ICAR প্ৰতিষ্ঠান, কৃষি বিজ্ঞান কেন্দ্ৰ, পঞ্জীভূত সমজুৱা অনুষ্ঠান আৰু স্বায়ত্ত শাসিত সমিতি আৰু সমিতি আইনৰ অধীনত পঞ্জীয়ন হোৱা ৰাজহুৱা নিধিসমূহ তথা এনে সমজুৱা উদ্দেশ্যৰে গঠন হোৱা সংঘ অনুষ্ঠান।

খ) শৈক্ষিক প্ৰতিষ্ঠান।

তলত উল্লেখ কৰাসমূহ কমিউনিটী ৰেডিঅ' পৰিচালনাৰ বাবে অনুপযোগী বিবেচিত—

ক) ব্যক্তিগত প্ৰতিষ্ঠান।

খ) ৰাজনৈতিক দল বা তেওঁলোকৰ মনোনীত সংস্থা (ছাত্ৰ, মহিলা আৰু ট্ৰেড ইউনিয়ন অথবা ৰাজনৈতিক দলৰ তেনে কোনো শাখা)।

গ) অৰ্থনৈতিক লাভ আদায়ৰ স্বাৰ্থত কাম কৰা প্ৰতিষ্ঠান।

ঘ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা নিষিদ্ধ প্ৰতিষ্ঠান।

কমিউনিটী ৰেডিঅ'ৰ বাবে আবেদন কৰিলে আবেদনখনে কেইবাটাও মন্ত্ৰণালয়ৰ পৰা স্বীকৃতি লাভ কৰিব লাগে। যাক কোৱা হয় অনুমতি পত্ৰ (Letter of Consent)। ইয়াৰ কাৰ্যসূচীসমূহ আকাশবাণীৰ কোড অনুসৰি পৰিচালিত হয়। সকলো কেন্দ্ৰই সম্প্ৰচাৰ কৰা কাৰ্যসূচীসমূহ সম্প্ৰচাৰৰ তাৰিখৰ তিনি মাহ পূৰ্বেই নিৰ্ধাৰিত কৰি ৰখা বাঞ্ছনীয়। কোনো কমিউনিটী ৰেডিঅ' ষ্টেশ্যনকে বাতৰি বা বাতৰিধৰ্মী অনুষ্ঠান, সাময়িক প্ৰসংগ আৰু ৰাজনীতি বিষয়ক খবৰ সম্প্ৰচাৰৰ অনুমতি প্ৰদান কৰা হোৱা নাই। কমিউনিটী ৰেডিঅ' ষ্টেশ্যনে মাত্ৰ সীমিত বিজ্ঞাপন আৰু স্থানীয় প্ৰসংগ জড়িত ঘোষণা, স্থানীয় ব্যৱসায়, সেৱা আৰু নিয়োগৰ সুবিধাৰ ঘোষণাহে কৰিব পাৰে। তেনে বিজ্ঞাপনৰ নিৰ্ধাৰিত সময়সীমা হৈছে এঘণ্টাৰ ভিতৰত মাত্ৰ পাঁচ মিনিট।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ভাৰতৰ উচ্চতম ন্যায়ালয়ে কেতিয়া ৰেডিঅ' তৰংগক ৰাজহুৱা সম্পত্তি ৰূপে ঘোষণা কৰিছিল?

.....

প্ৰশ্ন নং ৫ ঃ ভাৰত চৰকাৰে কেতিয়া কমিউনিটী ৰেডিঅ' ষ্টেশ্যন প্ৰতিষ্ঠানৰ অনুজ্ঞা-পত্ৰ প্ৰদানৰ আঁচনিত অনুমোদন জনাইছিল?

.....

প্ৰশ্ন নং ৬ ঃ কমিউনিটী ৰেডিঅ' ষ্টেশ্যনত আইনগত অস্তিত্বৰ প্ৰসংগ প্ৰয়োজননে?

.....

১১.৫ ভাৰতত কমিউনিটী ৰেডিঅ' ষ্টেশ্যনৰ উৎপত্তি আৰু ক্ৰমবিকাশ

কমিউনিটী ৰেডিঅ' লেটিন আমেৰিকাত এডুকেশ্যনেল ৰেডিঅ' (শিক্ষাগত অনাতাঁৰ) আৰু আফ্ৰিকাত গ্ৰাম্য বা থলুৱা ৰেডিঅ' হিচাপে জনাজাত। অষ্ট্ৰেলিয়াত ই পাব্লিক ৰেডিঅ' আৰু ইউৰোপত মুক্ত বা সহযোগী অনাতাঁৰ ৰূপে প্ৰখ্যাত। যি নামেৰেই জনপ্ৰিয় নহওক কিয়, ইয়াৰ মুখ্য উদ্দেশ্য হৈছে মানুহৰ সেৱা কৰা আৰু স্থানীয় লোকসকলক সহযোগিতাৰ বাবে অনুপ্ৰাণিত কৰা। সমাজৰ নীৰৱ আৰু অন্য পিছপৰা গোটসমূহক সৰৱ কৰি তোলাই ইয়াৰ ঘাই উদ্দেস্য। ১৯৯৫ চনৰ ফেব্ৰুৱাৰীত উচ্চতম ন্যায়ালয়ৰ এটা ঐতিহাসিক ৰায়ৰ দ্বাৰা ভাৰতত কমিউনিটী ৰেডিঅ'ই গজালি মেলিছিল, যি ৰায়ত কোৱা হৈছিল, 'ৰেডিঅ' তৰংগ'ক ৰাজহুৱা সম্পত্তি ৰূপে গণ্য কৰা হৈছে আৰু দেশবাসীৰ ভালৰ নিমিত্তে ইয়াৰ ব্যৱহাৰ হ'ব লাগে।' উক্ত ৰায়ত এই কথাও কোৱা হৈছিল যে সম্প্ৰচাৰ মাধ্যমে সামগ্ৰিকভাৱে অনুভৱ প্ৰকাশৰ আৰু কথা কোৱাৰ স্বাধীনতাক গুৰুত্ব দিব লাগে। যাৰ ফলত জনসাধাৰণে চৰকাৰী একাধিপত্যৰ পৰা আৰু ৰাজহুৱা অনুষ্ঠানে নিৰ্ধাৰণ কৰি দিয়া নিয়ন্ত্ৰণ ৰেখাৰ পৰা মুক্ত হৈ চিন্তা কৰিব পাৰিব। এই ৰায়ৰ আধাৰতেই ভাৰতবৰ্ষত কমিউনিটী ৰেডিঅ'ৰ হকে মাত মাতোঁতাসকলে প্ৰায় এটা দশক এই মাধ্যমটোক এটা স্তৰত উপনীত কৰাবলৈ আৰু অপেছাদাৰী ৰেডিঅ' ষ্টেশ্যন ৰূপে গঢ়ি তুলিবলৈ কঠোৰ সংগ্ৰামত অৱতীৰ্ণ হ'ব লগা হয়। এনে ৰেডিঅ' ষ্টেশ্যনসমূহ সাধাৰণতে গ্ৰাম্য এলেকাৰ স্থানীয় চহা মানুহৰ দ্বাৰাই পৰিচালিত হয়। এই অনুষ্ঠানে সমাজৰ সাধাৰণ স্তৰৰ তলৰ লোকসকলক সামাজিক পৰিৱৰ্তন, সংযুক্তকৰণ অন্তৰ্ভুক্তিকৰণ প্ৰক্ৰিয়াৰ মাধ্যমেৰে সৃজনীশীল আৰু সাংস্কৃতিক বিকাশ ঘটোৱাত সহায় কৰে। ১৯৯৯ চনত নৱেম্বৰত ভাৰত চৰকাৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ দ্বাৰা ঘোষিত অনুজ্ঞা নিলামৰ ধাৰাৰ খণ্ড ১ মতে ৰেডিঅ' সম্প্ৰচাৰক চৰকাৰী বেষ্টনীৰ পৰা মুক্ত কৰি বাণিজ্যিকীকৰম কৰা হয়। উক্ত আইনৰ খণ্ড ২ মতে ২০০৫ চনৰ জুলাইত ব্যক্তিগত এফ-এম ৰেডিঅ' অনুজ্ঞা অধিনিয়ম ঘোষণা কৰা হয়. এই অধিনিয়মে বাণিজ্যিক ৰূপত অনুষ্ঠান চলাওঁতাসকলৰ বাবে ৰেডিঅ' তৰংগৰ ব্যৱহাৰ সৰল আৰু সহজসাধ্য কৰি তোলে। ৰেডিঅ'ৰ বিনোদনে ভাৰতত ভিন্ন ৰূপত ঠন ধৰি উঠে আৰু চৰকাৰৰ নিয়ন্ত্ৰণৰ পৰা মুক্ত হৈ মানুহক আমোদ দি আহিছে। স্বতন্ত্ৰতা প্ৰাপ্তিৰ তৃতীয় স্তৰৰ বাবে হোৱা দীৰ্ঘদিনীয়া দাবীৰ অন্তত ২০০৩ চনৰ আগভাগত দেশত অপেছাদাৰী সম্প্ৰচাৰ ক্ষেত্ৰ ৰূপে কমিউনিটী

ৰেডিঅ'ক স্বীকৃতি দি নির্দিষ্ট প্রয়োগ বিধি প্রস্তুত কৰা হয়। তাৰ আধাৰতে সু-প্রতিষ্ঠিত শৈক্ষিক প্রতিষ্ঠানসমূহত এফ-এম ট্রেন্সমিটাৰ স্থাপনৰ আৰু অনাতাঁৰ কেন্দ্র চলোৱাৰ অনুমতি দিয়া হয়।

ভাৰতত যেতিয়া অনাতাঁৰ সম্প্রচাৰ আৰম্ভ হৈছিল, সেই ১৯২০ চনৰ পৰা সুদীর্ঘ কালজুৰি চৰকাৰৰ দ্বাৰা নিয়ন্ত্রিত অল ইণ্ডিয়া ৰেডিঅ' (AIR) অর্থাৎ 'আকশবাণী'য়েই আছিল একমাত্র অনাতাঁৰ মাধ্যম। সর্বসাধাৰণ নেতাসকলে, সমাজত কমিউনিটী ৰেডিঅ'ৰ বাবে প্রচাৰ চলায়। অৱশেষত, ২০০৫ চনৰ নৱেম্বৰত চৰকাৰে পঞ্জীকৃত বেচৰকাৰী সংগঠনসমূহক (সাধাৰণ ৰাইজৰ সতে সংযোগকাৰী হিচাপে) কমিউনিটী ৰেডিঅ' কেন্দ্র স্থাপনৰ বাবে কমিউনিটী ৰেডিঅ' নির্দেশনাৱলী নীতি ঘোষণা কৰে। ২০০২ চনৰ ডিচেম্বৰত ভাৰত চৰকাৰে IIT\IIMকে ধৰি সুপ্রতিষ্ঠিত শিক্ষানুষ্ঠানত কমিউনিটী ৰেডিঅ' স্থাপনৰ প্রমাণ-পত্র প্রদান কৰে।

অতি সোনকালে ভাৰত চৰকাৰে লাভবিহীন সামাজিক সংস্থাসমূহ আৰু স্বেচ্ছাসেৱী সংগঠনসমূহক উন্নয়ন আৰু সামাজিক পৰিৱর্তনৰ দিশত অধিক ভূমিকা ল'বৰ বাবে নিজৰ ঘেৰৰ মাজলৈ আনে। ভাৰতত কমিউনিটী ৰেডিঅ'ৰ বিকাশ দৃশ্যমান। আন্না বিশ্ববিদ্যালয়ত প্রথমটো কমিউনিটী ৰেডিঅ' প্রতিষ্ঠাৰ পৰা বর্তমানৰ পর্যায়লৈ কমিউনিটী ৰেডিঅ'ই এক সুদীর্ঘ যাত্রা অতিক্রম কৰিলে। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্রচাৰ মন্ত্র্যালয় আৰু নতুন দিল্লীৰ One World Foundation Indiaৰ সংক্ষিপ্ত তথ্যৰ মতে ভাৰতত মুঠ ৬টা কমিউনিটী ৰেডিঅ' কার্যকৰী হৈ আছে। ভাৰতত সর্বমুঠ কার্যকৰী কমিউনিটী ৰেডিঅ' ২০০৭ চনৰ ২৮টাৰ পৰা বিভিন্ন উত্থান-পতনৰ মাজেৰে বৃদ্ধি হয় ২০১৬ চনত ১৯৫টা হয়। এই তথ্যখিনি তলৰ তালিকাত দিয়া হৈছে।

বর্ষ	কার্যকৰী কমিউনিটী অনাতাঁৰ কেন্দ্রসমূহ
২০০৭	২৮
২০০৮	৪১
২০০৯	৬৪
২০১০	১০৩
২০১১	১২২
২০১২	১২৬
২০১৩	১৪৩
২০১৪	১৬৭
২০১৫	১৭৯
২০১৬	১৯৬

কিছুসংখ্যক সৰু কমিউনিটীয়ে এফ-এম কেন্দ্রসমূহৰ জৰিয়তে উন্নয়নমূলক অনুষ্ঠান সম্প্রচাৰ কৰিবলৈ প্রমাণ-পত্র লাভ কৰিছে। এইসমূহৰ ভিতৰত সংযম ৰেডিঅ', অন্ধ্রপ্রদেশত মেডাক, উড়িষ্যত ৰেডিঅ' বুন্দেলখণ্ড, মধ্যপ্রদেশত নাম্মা ধাৱানী, কর্ণাটকত কলাৰ জিলাত আৰু তামিলনাডুৰ মাডুৰাইৰ কাষত People's Action for Reveal Development

উল্লেখযোগ্য। এইদৰে কমিউনিটী ৰেডিঅ'ৰ বাবে প্ৰমাণ-পত্ৰ বিচৰা জনসম্প্ৰদায়ৰ সংখ্যা লাহে লাহে বৃদ্ধি হৈ আহিছে।

১১.৬ ভাৰতত উত্তৰ-পূবত কমিউনিটী ৰেডিঅ'ৰ বিকাশ আৰু উন্নয়ন

দেশৰ অন্য ৰাজ্যৰ তুলনাত উত্তৰ-পূবত কমিউনিটী ৰেডিঅ'ৰ বিকাশ তেনেই চালুকীয়া অৱস্থাত আছে। অসমৰ বাহিৰে অন্য ৰাজ্যত এনে ধৰণৰ কমিউনিটী ৰেডিঅ' ক'তো নাই। এই অঞ্চলটোত ৩৫০টাতকৈও অধিক জনগোষ্ঠীয় আৰু সামাজিক দল আছে। সেইবাবে All India Radioৰ দৰে সমূহীয়া সম্প্ৰচাৰণ বিভাগ এটাৰ বাবে এনে অঞ্চল এটাত প্ৰতিটো জনগোষ্ঠীৰ আশা-আকাংক্ষাক প্ৰতিফলিত কৰা সম্ভৱ নহয়। ইয়াতে কমিউনিটী অনাতাঁৰ ভূমিজ আহি পৰে, যিয়ে জনগোষ্ঠীসমূহৰ সমস্যা আৰু আন প্ৰাসংগিক দিশসমূহ প্ৰতিফলিত কৰাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে। এই অঞ্চলটোৰ পণ্ডিতসকলে সোনকালেই বুজি পালে যে একোটা বিশেষ অঞ্চলত কমিউনিটী ৰেডিঅ'ই খৰতকীয়া পৰিৱৰ্তন আনিব পৰা ক্ষমতা আছে। যদিও ইয়াৰ সম্প্ৰচাৰ সীমিত, ই উন্নয়ন আৰু পৰিৱৰ্তনৰ মাধ্যম হিচাপে গুৰুত্ব লাভ কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলত কমিউনিটী ৰেডিঅ'ৰ বিকাশ আৰু উন্নয়ন ঃ ২০০৯ চনত উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমটো কমিউনিটী ৰেডিঅ' 'জ্ঞান-তৰংগ'ৰ প্ৰতিষ্ঠাৰ লগে লগে উত্তৰ-পূবত কমিউনিটী ৰেডিঅ'ৰ বিকাশ আৰু উন্নয়নে বাস্তৱ ৰূপ ধাৰণ কৰিছে। ইয়াৰ পিছতে 'লুইত অনাতাঁৰ' আৰু 'ব্ৰহ্মপুত্ৰ কমিউনিটী ৰেডিঅ' ষ্টেশ্যন বা ৰেডিঅ' ব্ৰহ্মপুত্ৰ'ৰ প্ৰতিষ্ঠা কৰা হৈছে। আমি এই তিনিওটা অনাতাঁৰ কেন্দ্ৰৰ বিশ্লেষণ কৰো আহক—

ক) **জ্ঞান তৰংগ ঃ** এই কমিউনিটী ৰেডিঅ' যাৰ নামটো 'জ্ঞানৰ তৰংগ' হিচাপে দিয়া হৈছে। ই কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনত কাৰ্য কৰে আৰু ইয়াক ২০১০ চনৰ ২ নৱেম্বৰৰ পৰা সম্প্ৰচাৰণ কৰা হৈছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, গুৱাহাটী, অসম, ভাৰত-এ ২০০৯ চনৰ ২৮ জানুৱাৰীত, এক পৰীক্ষামূলক ভিত্তিত ৯০.৮ MH_2 ফ্ৰিকুৱেন্সিত প্ৰথমটো অনুষ্ঠান প্ৰচাৰ কৰে। এয়া আছিল ভাৰত চৰকাৰৰ তথ্য আৰু প্ৰচাৰ বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু এছিয়াৰ ক'মনৱেল্থ মিডিয়া চেণ্টাৰে অনুষ্ঠিত কৰা আঞ্চলিক ....ৰ দুদিনীয়া পৰীক্ষামূলক প্ৰচাৰ। ইয়াৰ ইণ্টাৰনেট অংশটোক কোৱা হয় 'ই-জ্ঞান তৰংগ' (www.kkhsou.in/jnan), যিটো সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ইণ্টাৰনেট ৰেডিঅ' হিচাপে ২০১২ চনত মুকলি কৰা হৈছিল। উত্তৰ-পূৰ্বৰ প্ৰথমটো কমিউনিটী ৰেডিঅ' 'জ্ঞান তৰংগ' হ'ল ভাৰত চৰকাৰৰ তথ্য আৰু প্ৰচাৰ বিভাগ আৰু Commonwealth Educational Media Centre for Asia (CEMCA), New Delhiৰ সমৰ্থন ফলাফল। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগ্ৰহী অনুষ্ঠান আৰু স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতি প্ৰয়োজনীয় পৰামৰ্শ আৰু সহায় আগবঢ়োৱাৰ উদ্দেশ্যে অঞ্চলটোত কমিউনিটী অনাতাঁৰৰ সচেতনতা অনাৰ এটি যোগাযোগকাৰী সংস্থা হিচাপে প্ৰচেষ্টা হাতত ল'লে। ইয়াৰ অনুষ্ঠানসমূহৰ সূচীসমূহ শিক্ষামূলক আৰু লগতে সমূহীয়া

ভিত্তিক বিষয়সমূহ অন্তর্ভুক্ত হয়। ২০১০ চনত 'জ্ঞান তৰংগ'ৰ সম্প্রচাৰৰ পূর্বৰ পৰা বিশ্ববিদ্যালয়ৰ মাল্টিমিডিয়া প্রডাকশ্যন ইউনিটে প্রায় ২০০টা মান অনুষ্ঠানৰ প্রস্তুতি কৰি ৰাখিছিল।

অনুষ্ঠানৰ সূচী ঃ 'জ্ঞান তৰংগ'ৰ সম্প্রচাৰিত অনুষ্ঠান মূলতঃ স্থানীয় ৰাইজৰ ওপৰত ভিত্তি কৰি খেলা-ধূলা, স্বাস্থ্য, কেৰিয়াৰ, বিজ্ঞান, নাৰী সমস্যা, শিশু, কৃষি, উদ্যানশস্য আদি এই কমিউনিটী ৰেডিঅ'ৰ অনুষ্ঠানৰ লগত জড়িত।

সপ্তাহৰ বিভিন্ন বাৰত 'জ্ঞান তৰংগ'ৰ দ্বাৰা প্রচাৰিত উল্লেখযোগ্য অনুষ্ঠানসমূহ—

- প্রত্যেক সোমবাৰে প্রচাৰিত অনুষ্ঠানসমূহ— অংগনা (মহিলা ভিত্তিক অনুষ্ঠান), আমাৰ ক'বলগীয়া একাষাৰ (পৰিৱেশ সম্বন্ধীয় অনুষ্ঠান), অনুভৱ (উদীয়মান লেখকসকলৰ সাক্ষাৎকাৰ।
- প্রত্যেক মঙ্গলবাৰে প্রচাৰিত অনুষ্ঠানসমূহ— নিৰবিধি (উপন্যাস বর্ণনা), ছাঁ-পোহৰত গুৱাহাটী (প্রাচীন কালত গুৱাহাটী), খিৰিকি (উদীয়মান লেখকসকলৰ সৈতে অনুষ্ঠান)।
- প্রত্যেক বুধবাৰে প্রচাৰিত অনুষ্ঠানসমূহ— 'জ্ঞান তৰংগ'ৰ যাত্রা (শ্রোতাসকলৰ সৈতে অনুষ্ঠান) কিচ্ছে কাহানীয় কি দুনীয়া (হিন্দীত শিশুসকলৰ বাবে সাধু), অনুভৱ (কবিসকল)।
- প্রত্যেক বৃহস্পতিবাৰে প্রচাৰিত অনুষ্ঠানসমূহ— সাত চুৰ কি দুনীয়া (চিনেমা নির্মাতা, অভিনেতাসকলৰ বিষয়ে অনুষ্ঠান), ৰেঙণি (প্রান্তীয় লোকসকলৰ অনুষ্ঠান), আলোক যাত্রা (কবিতা আবৃত্তি, শ্রোতাসকলৰ গল্প)।
- প্রত্যেক শুকুৰবাৰে প্রচাৰিত অনুষ্ঠানসমূহ— জোনালী সপোন (গ্রাম্য এলেকাৰ লোকৰ প্রতিভাৰ ওপৰত অনুষ্ঠান), ৰেঙণি (প্রান্তীয় লোকসকলৰ ওপৰত অনুষ্ঠান), জোনাকৰ বাট (UNICEFৰ দ্বাৰা প্রযোজিত অনুষ্ঠান)।
- প্রত্যেক শনিবাৰে প্রচাৰিত অনুষ্ঠানসমূহ— প্রজ্জ্বলক (অসমৰ প্রখ্যাত ব্যক্তিসকলৰ পত্নীসকলৰ সাক্ষাৎকাৰ), গীত শিকো আহা আৰু আখল ঘৰ (শিশুসকলে সংগীত আৰু আৰু খাদ্যপ্রণালী শিকা অনুষ্ঠান), স্বাস্থ্য চর্চা (স্বাস্থ্যৰ ওপৰত অনুষ্ঠান)।
- প্রত্যেক দেওবাৰে প্রচাৰিত অনুষ্ঠানসমূহ— শিশু তীর্থ (শিশুসকলৰ অনুষ্ঠান), ভিন্নসুৰীয়া অনুষ্ঠান (উদ্যোগীসকলৰ সৈতে সাক্ষাৎকাৰ), সাধুকথা (শিশুসকলৰ সাধু কোৱা)।

উপর্যুক্ত অনুষ্ঠানসমূহৰ উপৰিও অন্য কিছুমান অনুষ্ঠানো আছে, যেনে— পুৱাৰ কিৰণ (লোকসংগীত, স্বাস্থ্য টিপছসমূহ, কুইজ ইত্যাদি), শৰীৰ চর্চা (স্বাস্থ্য সম্পর্কীয় অনুষ্ঠান), বৰণ্য (মহৎ লোকৰ জীৱন), সম্পকিত (সাময়িক ঘটনাৰাজিৰ ওপৰত অনুষ্ঠান আৰু বিজ্ঞান বার্তা (বিজ্ঞান সম্বন্ধীয় অনুষ্ঠান), 'জ্ঞান-তৰংগ'ৰ ছিগনেছাৰ

অনুষ্ঠান 'একলব্য' এক জনপ্রিয় অনুষ্ঠান, য'ত উল্লেখনীয় ব্যক্তিসকলে দেশৰ বা ৰাজ্যৰ জ্বলন্ত সমস্যাসমূহৰ ওপৰত আলোচনা কৰে। ইয়াক আকাশবাণী গুৱাহাটী আৰু আকাশবাণী ডিব্রুগড়ৰ পৰা একে সময়তে সম্প্রচাৰ কৰা হয়। বিভিন্ন অনুষ্ঠানসমূহ একে সময়তে অসমীয়া, হিন্দী, ইংৰাজী, বড়ো আৰু বঙালীত অভিৰূপ দি প্রচাৰ কৰা হয়।

National Skill Development Corporation UNICEF, বিভিন্ন ৰাজহুৱা কার্যালয়, বেচৰকাৰী সংগঠন আদি 'জ্ঞান তৰংগ'ৰ কমিউনিটী ৰেডিঅ'ৰ সহযোগী অনুষ্ঠান। 'জ্ঞান তৰংগ' কমিউনিটী ৰেডিঅ'ই 'Volunteering Facility' অনুষ্ঠানৰ সূচনা কৰি স্বেচ্ছাসেৱীসকলক বিভিন্ন অনুষ্ঠান নির্মাণত বৰঙণি যোগাবলৈ তেওঁলোকক এখন মঞ্চ প্রদান কৰিছে। এগৰাকী স্বেচ্ছাসেৱী হিচাপে তেওঁ বা তাই বিভিন্ন কার্য সম্পাদনৰ বাবে দায়িত্বশীল যিয়ে সামাজিক পৰম্পৰা আৰু সমগ্র জনগোষ্ঠীক প্রতিফলিত কৰে।

খ) **ৰেডিঅ' লুইত ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ৰেডিঅ' লুইত' (90.8 মেগাহার্টজ) আমাৰ ৰাজ্যৰ দ্বিতীয়টো কমিউনিটী ৰেডিঅ' আৰু উত্তৰ-পূর্বাঞ্চলৰ প্রথমটো চাউনী ভিত্তিক কমিউনিটী ৰেডিঅ' কেন্দ্র। এই কেন্দ্রটো লুইত নদীৰ পৰা নামকৰণ কৰা হৈছে। 'ৰেডিঅ' লুইত', ২০১১ চনৰ ১ মার্চত অনুষ্ঠানিকভাৱে মুকলি কৰা হৈছিল, যাক গুৱাহাটী বিশ্ববিদ্যালয় আৰু তাৰ কাষৰীয়া লোকসকলৰ আশা-আকাংক্ষাক এক মাত দিবলৈ প্রতিষ্ঠা কৰা হৈছিল। 'ৰেডিঅ' লুইত', গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰ আৰু মুক্ত শিক্ষাৰ অনুষ্ঠানৰ বাটচৰাত (Permises) অৱস্থিত। মুকলি চৰা (মুকলি মঞ্চ) 'ৰেডিঅ' লুইত'ৰ ছিগনেছাৰ অনুষ্ঠান। এই অনুষ্ঠানটি শনিবাৰৰ বাহিৰে সপ্তাহৰ প্রত্যেক দিনাই প্রচাৰ কৰা হয়। শনিবাৰে অনাতাঁৰ স্বেচ্ছাসেৱী আৰু ঘোষক-ঘোষিকাসকলে শ্রোতাসকলৰ লগত 'কেৰিয়াৰ পৰামর্শ, বিজ্ঞান, শিক্ষা, সাংস্কৃতিক, সামাজিক সচেতনতা ইত্যাদি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা আগবঢ়ায়। অনুষ্ঠানত সেই কমিউনিটী সদস্যসকলে অধিক অংশগ্রহণ কৰে। প্রতিদিনে গড়ে প্রায় ২৫টাকৈ ফোনক'ল গ্রহণ কৰা হয়। ফোন কৰোঁতাসকলৰ ভিতৰত বেছিভাগেই দোকানী, শিক্ষার্থী, গৃহিণী আৰু সাধাৰণ লোক। প্রতিটো অনুষ্ঠানৰ বাবে বিভিন্ন ক্ষেত্র কমিউনিটী উন্নয়নৰ লগত জড়িত অভিজ্ঞ তথা বিশেষজ্ঞসকলৰ আমন্ত্রণ জনোৱা হয়। শ্রোতাসকলে প্রশ্ন সুধি আৰু মন্তব্য আগবঢ়ায় অনুষ্ঠানসমূহ অতি সক্রিয়ভাৱে অংশগ্রহণ কৰে। প্রত্যেক মাহৰ শেষৰ দেওবাৰে পোনপটীয়া অনুষ্ঠানত অংশগ্রহণ কৰিবলৈ আৰু অন্য কমিউনিটীৰ সদস্যসকলৰ স'তে মত বিনিময় কৰিবলৈ কিছুমান নিয়মীয়া শ্রোতাক নিমন্ত্রণ জনোৱা হয়। ইয়াৰ উপৰি 'পৰামর্শ ঘণ্টা' (Counselling hour) আন এটি গুৰুত্বপূর্ণ অনুষ্ঠান যিটো সন্ধিয়া ৫-১০ মিনিটৰ পৰা সন্ধিয়া ৬ বজালৈ সপ্তাহত তিনিদিন প্রচাৰ কৰা হয়।

বিভিন্ন কার্যসূচীৰ ভিতৰত আলোচনা, পর্যালোচনা, বক্তৃতা, নাটক, গল্প, ফোন-ইন আৰু লোকসংগীত তথা আধুনিক গীত আদি সংশ্লিষ্ট জনগোষ্ঠীয় কলা-কৃষ্টিৰ অনুষ্ঠানক সামৰি লোৱা হয়। 'ৰেডিঅ' লুইত'ৰ বিভিন্ন অনুষ্ঠান দিনটোত ১২ ঘণ্টা ধৰি সম্প্রচাৰ কৰা হয়। 'ৰেডিঅ' লুইতে' অসমীয়া, হিন্দী, ইংৰাজী, বঙালী, বড়ো আৰু নেপালী ভাষাত কার্যসূচী সম্প্রচাৰ কৰে।

'ৰেডিঅ' লুইত'ৰ মুখ্য সহযোগী প্রতিষ্ঠানসমূহ হৈছে কাহিকুছিৰ কৃষি বিজ্ঞান কেন্দ্র, গুৱাহাটী পাণবজাৰৰ আৰিহন্ত পাব্লিকেশ্যনছ, বড়ীপাৰাৰ গন্ধর্ব সাংস্কৃতিক কেন্দ্র, গুৱাহাটীৰ অসম গ্রামীণ বিকাশ বেংক, গড়চুকৰ পাৰিজাত একাডেমী, জালুকবাৰীৰ সুৰজিত একাডেমী, গুৱাহাটীৰ স্পর্শ অসম আৰু গুৱাহাটীৰ ছ'চাইটি ফ'ৰ হিউমেনছ এণ্ড এনভাইৰণমেণ্ট।

সমূহীয়া প্রতিষ্ঠানটোৰ সদস্যসকলৰ সর্বাধিক অংশগ্রহণ সুনিশ্চিত কৰাৰ লক্ষ্যৰে ইয়াৰ কার্যসূচীসমূহৰ পৰিকল্পনা কৰা আৰু সাকাৰ ৰূপ দিয়া হয়। বিভিন্ন উপলক্ষ্যত 'ৰেডিঅ' লুইত' প্রতিনিধিসকলে ইয়াৰ কাষৰীয়া গাঁওসমূহলৈ গৈ গাঁওবাসীক লগ ধৰে। সমূহীয়া কেন্দ্রৰ সদস্যসকলৰ পৰা সম্প্রচাৰণৰ মান আৰু সম্প্রচাৰিত অনুষ্ঠানসমূহৰ বিষয়ে নিয়মীয়াকৈ মতামত সংগ্রহ কৰে আৰু অনুষ্ঠানৰ মান উন্নত কৰা সন্দর্ভত নিত্যনতুন ধাৰণা যুগুতায়।

গ) **ব্রহ্মপুত্র কমিউনিটী ৰেডিঅ' ষ্টেশ্যন বা ৰেডিঅ' ব্রহ্মপুত্র ঃ** ২০০৯ চনত ডিব্রুগড়ৰ মাইজানঘাটত ইউনিচেভৰ সহযোগত চেণ্টাৰ ফ'ৰ নর্থ-ইষ্ট ষ্টাডিজ এণ্ড পলিচী ৰিছার্চ (C-NES)ৰ দ্বাৰা ব্রহ্মপুত্র কমিউনিটী ৰেডিঅ' ষ্টেশ্যন (BCRS) প্রতিষ্ঠা কৰা হৈছিল। উক্ত বর্ষত কাম আৰম্ভ কৰিলেও এই প্রতিষ্ঠানটোৰ শুভাৰম্ভণিৰ দিনটো হ'ল ১০ জুলাই, ২০১৫। এই ৰেডিঅ' ষ্টেশ্যনৰ ফ্রিকুৰেন্সী হ'ল ৯০.৪ মেগাহার্টজ। অনুষ্ঠানটোৰ ঘাই উদ্দেশ্য হ'ল অনুষ্ঠানটোৰে সামৰি লোৱা অঞ্চলৰ লোকসকলৰ অংশগ্রহণ সুনিশ্চিত কৰি উক্ত লোকসকলে ন্যায়, সামাজিক মর্যাদাকে ধৰি ন্যূনতম সেৱাসমূহ যাতে সঠিকভাৱে লাভ কৰে আৰু উপযুক্ত তথ্যৰ মাধ্যমেৰে দক্ষতা আৰু সম্পদৰ শ্রীবৃদ্ধি হোৱাকৈ জ্ঞানৰ যাতে চর্চা হয়, সেয়া কার্যক্ষেত্রত ৰূপায়ণ কৰা।

'ৰেডিঅ' ব্রহ্মপুত্র'ৰ উল্লেখযোগ্য অনুষ্ঠানসমূহ হ'ল— 'প্রাসংগিক', 'ৰেলি মাৰ গ'ল', 'ৰং-ৰূপালী', 'চাহ গাছেৰ মাজে মাজে', 'যুৱ সাথী' আৰু 'দর্পণ'। এই অনুষ্ঠানসমূহে স্বাস্থ্য, পৰিচ্ছন্নতা, শিক্ষা, কৃষি আৰু পশুপালন, পানী আৰু পৰিৱেশ, মহিলা সৱলীকৰণ, স্থানীয় সংস্কৃতি আৰু লোককলা বিষয়ক প্রাধান্য দিয়ে। এই অনুষ্ঠানসমূহে বিভিন্ন ভাষাৰ শ্রোতাক সামৰি লৈছে আৰু সমাজৰ যুৱ, মহিলা, শিশু আদি প্রতিটো পর্যায়ৰ নাগৰিককে মনো�ৰঞ্জন প্রদানত গুৰুত্ব দি আহিছে। 'ৰেডিঅ' ব্রহ্মপুত্র'ৰ দৈনিক সম্প্রচাৰৰ সময় হৈছে ১০ ঘণ্টা। এইখিনিতে এটা কথা উল্লেখযোগ্য যে এই অনুষ্ঠানৰ জৰিয়তে অসমীয়া, চাদ্রি, ভোজপুৰী, মিছিং আৰু বড়ো ভাষাত কার্যসূচী

সম্প্রচাৰ কৰা হয়। ২০১৬ চনৰ জুলাইত উজনি অসমৰ ডিব্রুগড়, ধেমাজি, লখিমপুৰ আৰু মাজুলীত হোৱা প্রলয়ংকৰী বান আৰু খহনীয়াৰ সময়ত এই ৰেডিঅ' প্রতিষ্ঠানে বিশেষ ভূমিকা পালন কৰিছিল। বতৰৰ বতৰা, বানৰ সবিশেষ খবৰ, দুর্গতৰ বাবে দুর্যোগ প্রশমন বিভাগৰ বিভিন্ন কার্যসূচী, আশ্রয় শিবিৰৰ তথ্য আৰু অনুসন্ধান আদিকে ধৰি বিভিন্ন তথ্যভিত্তিক খবৰ সম্প্রচাৰ কৰি এই কমিউনিটী ৰেডিঅ' ষ্টেশ্যনে জনসাধাৰণক, বিশেষকৈ ডিব্রুগড়বাসীক বিশেষ সেৱা আগবঢ়াইছিল।

অল ইণ্ডিয়া ৰেডিঅ' অর্থাৎ 'আকাশবাণী'ৰো নিজা কমিউনিটী ৰেডিঅ' চেণ্টাৰ আছে। শেহতীয়াকৈ পৰীক্ষামূলকভাৱে উত্তৰ-পূবৰ ৫খন ঠাইত (নাগালেণ্ড, মিজোৰাম আৰু মেঘালয়ৰ) জনজাতীয় লোকসকলক সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে কমিউনিটী ৰেডিঅ' ষ্টেশ্যন প্রতিষ্ঠা কৰিছে। অৱশ্যে উক্ত ৰেডিঅ' ষ্টেশ্যনসমূহ সংশ্লিষ্ট ঠাইৰ জনগোষ্ঠীসমূহৰ নিয়ন্ত্রণত নাই, সেইসমূহ নিয়ন্ত্রিত হয় ভাৰত চৰকাৰৰ দ্বাৰাহে।

এই গোটেইখিনি দিশ চালি-জাৰি চাই আমি এটা কথা উল্লেখ কৰিব পাৰো যে উত্তৰ-পূর্বাঞ্চলত কমিউনিটী ৰেডিঅ'ই বহু বাধ্যবাধকতাৰ মাজেদি বিকাশ লাভ কৰিছে। এই কথা আশা কৰিব পাৰি যে অদূৰ ভৱিষ্যতে অসমৰ উপৰি উত্তৰ-পূবৰ আন ৰাজ্যসমূহেও স্থানীয় আৰু স্ব-জনগোষ্ঠীয় ভিত্তিক সমস্যাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰি কমিউনিটী ৰেডিঅ'ৰ অভিধাৰণাক আঁকোৱালি ল'ব আৰু ইয়াক নিজৰ মাজত জনপ্রিয় কৰি তুলিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ উত্তৰ-পূবৰ প্রথমটো কমিউনিটী ৰেডিঅ' ষ্টেশ্যন কোনটো আৰু ই কেতিয়া প্রতিষ্ঠিত হৈছিল?

.....

প্রশ্ন নং ৮ ঃ ব্রহ্মপুত্র কমিউনিটী ৰেডিঅ' ষ্টেশ্যন কেতিয়া মুকলি কৰা হৈছিল?

.....



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কমিউনিটী ৰেডিঅ' (CR) তৃণমূল পর্যায়ৰ লোকসকলৰ কায চপাৰ এক প্রধান যোগাযোগৰ মাধ্যম। ই প্রকাশ, হেঁচা, আলোচনা আৰু বিতর্কৰ যোগেদি স্থানীয় পর্যায় উন্নয়নৰ প্রয়োজনসমূহ চিনাক্ত কৰাৰ আৰু প্রাধান্য দিয়াৰ এক সক্রিয়, অংশগ্রহণমূলক আৰু প্রভাৱশালী যোগাযোগ ব্যৱস্থা।
- একোটা কমিউনিটী ৰেডিঅ' ৰাইজৰ লাভৰ বাবে ৰাইজৰ দ্বাৰা স্বত্ত্বাধীন, নিয়ন্ত্রিত পৰিচালিত ৰেডিঅ'।

- কমিউনিটী ৰেডিঅ' এটা আৰম্ভ কৰাটো সাধাৰণতে ব্যয়বহুল কার্য। ইয়াৰ বাবে ষ্টুডিঅ'ৰ সুবিধাসমূহ আৰু যন্ত্রপাতি ক্রয় কৰাটো আৱশ্যক, য'ত ব্যয় নিহিত থাকে। যদিও কম খৰচী সামগ্রীসমূহ পছন্দ কৰা হয়।
- সমগ্র দেশৰ সমাজকর্মী আৰু কমিউনিটী কার্যকর্তাসকল কমিউনিটী ৰেডিঅৰ প্রশিক্ষণ আৰু সমর্থনৰ বাবে অনানুষ্ঠানিক 'Community Radio Forum'ৰ অধীনৰ আশ্রয় নিষিদ্ধ কৰিছে, ইয়াৰ লগতে এক অধিক সক্রিয় অনাতাঁৰ নীতিৰ বাবে আর্জি অব্যাহত ৰাখিছে।
- কমিউনিটী ৰেডিঅ'ক লেটিন আমেৰিকাত জনপ্রিয়ভাৱে শিক্ষামূলক ৰেডিঅ', আফ্রিকাত গ্রাম্য বা স্থানীয় ৰেডিঅ', অষ্ট্রেলিয়াত ৰাজহুৱা ৰেডিঅ', ইউৰোপত মুক্ত বা সংলগ্ন ৰেডিঅ' হিচাপে জনা যায়। এই সকলো স্থানীয় লোকসকলক সেৱা আৰু অনুপ্রেৰণা যোগোৱাৰ উদ্দেশ্যৰে স্থাপিত।
- 'জ্ঞান তৰংগ'ৰ ইণ্টাৰনেট অভিৰূপটোক 'ই-জ্ঞান-তৰংগ' হিচাপে জনা যায়। ইয়াক ২০১২ চনৰ ৫ নৱেম্বৰত মুকলি কৰা হৈছিল আৰু ই উত্তৰ-পূর্বৰ প্রথমটো ইণ্টাৰনেট ৰেডিঅ'।
- 'জ্ঞান তৰংগ'ৰ ছিগনেছাৰ অনুষ্ঠান 'একলব্য' এটি জনপ্রিয় অনুষ্ঠান, য'ত উল্লেখনীয় ব্যক্তিসকলে ৰাজ্য বা দেশৰ জ্বলন্ত সমস্যাসমূহৰ ওপৰত আলোচনা কৰে।
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ৰেডিঅ' লুইত' ৰাজ্যৰ দ্বিতীয়টো কমিউনিটী ৰেডিঅ' আৰু উত্তৰ-পূবৰ প্রথমটো কেম্পাছ (ছাউনী) ভিত্তিক কমিউনিটী ৰেডিঅ'।
- ২০০৯ চনত ডিব্রুগড় মাইজানঘাটত 'ব্রহ্মপুত্র কমিউনিটী ৰেডিঅ' ষ্টেশ্যন (BCRS) UNICEFৰ সমর্থনৰ প্রাপ্তিৰে Centre for North-East Studies & Policy Research (C-NES) দ্বাৰা স্থাপনৰ প্রক্রিয়া আৰম্ভ হৈছিল।



১১.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Kumar, Keval J. (2007), *Mass Communication in India*, Mumbai : Jaico Publishing House.
2) Pavarala, Vinod, Malik, Kanchan K. (2007), *Other Voices, The struggle for Community Radio in India*, New Delhi :Sage Publications India Pvt. Ltd.

১১.৫ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ কমিউনিটী ৰেডিঅ'ত কমিউনিটী বুলিলে সমূহীয়া উন্নয়নত আগ্রহী যিকোনো সমূহীয়া গোষ্ঠীক বুজায়। এয়া কোনো নির্দিষ্ট এলেকাত থকা বিশেষ ৰুচিসম্পন্ন এমুঠি লোক হ'ব পাৰে। এই সমূহীয়া লোকখিনিয়ে অনাতাঁৰ কেন্দ্রটিত প্রভাৱ পেলাব পৰা নীতিসমূহত সিদ্ধান্ত গ্রহণ কৰিব পৰা অধিকাৰ থাকে। এই সমূহীয়া গোষ্ঠীটোৱে অনুষ্ঠানসমূহৰ উন্নয়নত আৰু অনুষ্ঠানসমূহৰ আকাৰ দিয়াতো জড়িত হয়। ইয়াৰ উপৰি কেন্দ্রটোৰ সমস্যাসমূহ আলোচনাৰ বাবে তেওঁলোকক আহ্বান জনোৱা হয়।

২নং প্রশ্নৰ উত্তৰ ঃ কমিউনিটী ৰেডিঅ'ৰ অন্তিম লক্ষ্য হৈছে সর্বসাধাৰণৰ বাবে উচ্চ গুণসম্পন্ন অনুষ্ঠান প্রযোজনা কৰা।

৩নং প্রশ্নৰ উত্তৰ ঃ একোটা কমিউনিটী ৰেডিঅ' ই বিভিন্ন আয় সংগ্রহৰ কার্যসূচী হাতত ল'ব পাৰে, যেনে— বাণিজ্যিক বিজ্ঞাপন, সদস্যকৰণ বা গ্রাহকভুক্ত হোৱাৰ মাচুল, পুঁজি বা নিধিসমূহৰ পৰা দান সংগ্রহ, চৰকাৰী নতুবা বেচৰকাৰী বিভাগসমূহৰ পৰা বিত্ত সংগ্রহ (Sponsorship) ইত্যাদি। পুঁজি বৃদ্ধিকৰণ অন্য উৎসসমূহৰ ভিতৰত আন্তঃগৃহ কার্যসূচীসমূহ, যেনে— অন্য অনাতাঁৰ কেন্দ্রলৈ পাঠ আগবঢ়োৱা নতুবা সাধাৰণ প্রযোজনা সুবিধাসমূহ, ভাড়া আগবঢ়োৱা উল্লেখযোগ্য।

৪নং প্রশ্নৰ উত্তৰ ঃ ১৯৯৫ চনত ছুপ্রিম ক'র্টে আকাশবাণীক ৰাজহুৱা সম্পত্তি হিচাপে ঘোষণা কৰে।

৫নং প্রশ্নৰ উত্তৰ ঃ ২০০২ চনত ভাৰত চৰকাৰে কমিউনিটী ৰেডিঅ' স্থাপনৰ বাবে প্রমাণ-পত্র দিয়াৰ নীতিত অনুমোদন জনায়।

৬নং প্রশ্নৰ উত্তৰ ঃ হয়, কমিউনিটী ৰেডিঅ'ৰ এক আইনগত স্বকীয়তা থকা উচিত, সেয়া হ'ল ই এখন সমাজ হিচাপে পঞ্জীকৃত হ'ব লাগিব।

৭নং প্রশ্নৰ উত্তৰ ঃ ২০০৯ চনত প্রতিষ্ঠা হোৱা 'জ্ঞান তৰংগ'ই হ'ল উত্তৰ-পূব ভাৰতৰ প্রথম কমিউনিটী ৰেডিঅ' ষ্টেশ্যন।

৮নং প্রশ্নৰ উত্তৰ ঃ ২০১৫ চনৰ ১০ জুলাইত ব্রহ্মপুত্র কমিউনিটী ৰেডিঅ' মুকলি কৰা হৈছিল।



১১.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ কমিউনিটী ৰেডিঅ'ৰ প্রমাণ-পত্র লাভ কৰিবৰ বাবে কেনে ধৰণৰ সংগঠন যোগ্য?

প্ৰশ্ন ২ ঃ ব্ৰহ্মপুত্ৰ কমিউনিটী ৰেডিঅ'ৰ মুখ্য উদ্দেশ্য কি?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ এটা কমিউনিটী ৰেডিঅ' সংগঠনৰ গাঁথনি ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ প্ৰমাণ-পত্ৰই কমিউনিটী ৰেডিঅ'ক কি কাৰ্যসূচী লোৱাৰ অনুমতি দিয়ে?

প্ৰশ্ন ৩ ঃ একোটা কমিউনিটী ৰেডিঅ' কাৰ্যকৰী কৰিবৰ বাবে কি কি নীতি আদৰ্শ অনুসৰণ কৰিব লাগিব?

গ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ ভাৰতত যোৱা কেইটামান বছৰত কমিউনিটী ৰেডিঅ'ৰ দৃশ্যপট কেনেদৰে প্ৰকাশিত হৈছে?

প্ৰশ্ন ২ ঃ ভাৰতৰ উত্তৰ-পূবত কমিউনিটী ৰেডিঅ'ৰ বিকাশৰ ওপৰত এটি টোকা লিখক। ই এতিয়াও চালুকীয়া অৱস্থাত নে ই ৰাইজৰ কাষ চপা আৰু গ্ৰহণযোগ্যতাৰ ক্ষেত্ৰত প্ৰগতি লাভ কৰিছে? আপোনাৰ উত্তৰৰ সমৰ্থনত যুক্তি দৰ্শাওক।

*** ***** ***

অধ্যায় ১২ ঃ টেলিভিছনৰ ইতিহাস

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ টেলিভিছনৰ পৰিচয়
১২.৪ বিশ্বত টেলিভিছনৰ আৰম্ভণি
১২.৫ ভাৰতত টেলিভিছনৰ বিকাশ
১২.৬ দূৰদৰ্শন আৰু ধাৰাবাহিকৰ যুগ
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবলৈ
১২.৯ অগ্রগতিৰ খতিয়ান
১২.১০ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- এটা প্ৰচাৰ মাধ্যম ৰূপে টেলিভিছন সম্পৰ্কে আলোচনা কৰিব পাৰিব
- পৃথিৱীত টেলিভিছনৰ আৰম্ভণিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ভাৰতত টেলিভিছনৰ ইতিহাস বৰ্ণনা কৰিব পাৰিব
- দূৰদৰ্শন আৰু ধাৰাবাহিকৰ যুগৰ কিছু কথা জানিব পাৰিব।

১২.২ পৰিচয়

ইতিমধ্যে স্নাতক গণসংযোগ পাঠ্যক্ৰমৰ দ্বিতীয় যান্মাসিকৰ এই শেষৰখন কাকতত আমি গণমাধ্যমৰ ইতিহাস সম্পৰ্কে আলোচনা কৰিছো। ইয়াৰ পূৰ্ববৰ্তী পাঁচটা অধ্যায়ত আমি ছপা মাধ্যমৰ ইতিহাস, ভাৰতত ছপা মাধ্যম, আলোকচিত্ৰৰ ইতিহাস, চিনেমাৰ ইতিহাস আৰু ৰেডিঅ'ৰ ইতিহাস সম্পৰ্কে বিশদভাৱে আলোচনা কৰিছো। এই অধ্যায়ত আমি আন এটা প্ৰচাৰ মাধ্যম টেলিভিছনৰ বিষয়ে আলোচনা কৰিম।

টেলিভিছন হ'ল এটা আড়ম্বৰপূৰ্ণ আৰু অতি শক্তিশালী প্ৰচাৰ মাধ্যম। এই অধ্যায়ত আপুনি দৃশ্য -শ্ৰব্য মাধ্যম হিচাপে টেলিভিছনৰ প্ৰকৃতি, ভাৰতত টেলিভিছনৰ ইতিহাস তথা বিকাশ আৰু ভাৰতৰ ৰাজহুৱা সম্প্ৰচাৰ সেৱা দূৰদৰ্শন সম্পৰ্কে কিছু কথা জনোৱাৰ প্ৰয়াস কৰা হ'ব। লগতে আমি সংবাদ তথা সাময়িক প্ৰসংগৰ অনুষ্ঠানবোৰৰ কথা বিশেষভাবে উনুকিয়াই

বিভিন্ন ধৰণৰ টিভি অনুষ্ঠানৰ বিষয়েও আলোচনা কৰিম। শেষত আমি টিভি অনুষ্ঠান প্ৰযোজনাৰ প্ৰাথমিক পৰ্যায়সমূহৰ বিষয়ে আলোচনা কৰিম।

তেনেহ'লে টেলিভিছন মাধ্যমৰ পৰিচয়েৰে এই অধ্যায়টিৰ পাতনি মেলোঁ আহকচোন।

১২.৩ টেলিভিছনৰ পৰিচয়

আপুনি দৈনন্দিন জীৱনত মনোৰঞ্জন আৰু তথ্যৰ যোগান ধৰা টেলিভিছন নামৰ আহিলাবিধৰ সৈতে পৰিচিত। কিন্তু গণসংযোগ পাঠ্যক্ৰমৰ শিক্ষাৰ্থী হিচাপে আপুনি মাধ্যমটোৰ মৌলিক প্ৰকৃতিৰ সৈতে চিনাকি হ'ব লাগিব, কোনবোৰ বৈশিষ্ট্যই ইয়াক অন্য মাধ্যমতকৈ পৃথক কৰিছে সেয়া জানিব লাগিব। টেলিভিছনৰ কিছুমান উল্লেখযোগ্য বৈশিষ্ট্য আছে ঃ

- টেলিভিছন এটা দৃশ্য-শ্ৰব্য মাধ্যম। ই একে সময়তে দৃশ্যমান আৰু শ্ৰৱণসাধ্য ধাৰণাৰ সৃষ্টি কৰিব পাৰে। অৰ্থাৎ দৰ্শকে কেৱল বক্তাৰ কথাই নুশুনে, কি ঘটি আছে সেয়াও দেখা পায়।
- এখন ছবি সহস্ৰ শব্দৰ সমান বুলি কোৱা হয়। অৰ্থাৎ গতিশীল ছবিৰ কিমান কথা বুজোৱাৰ সামৰ্থ থাকে সেয়া সহজেই অনুমেয়। ধ্বনি, ৰং আৰু গতিশীলতা — এই তিনিটা উপাদানে টেলিভিছনক অন্য প্ৰচাৰ মাধ্যমতকৈ অধিক বিশ্বাসযোগ্যতা প্ৰদান কৰিছে।
- টেলিভিছনৰ অগণন, বিচিত্ৰ, সকলো বয়সৰ তথা অজ্ঞাত দৰ্শক গোট আছে। বিভিন্ন সামাজিক প্ৰেক্ষাপট, বয়স, সংস্কৃতি, ধৰ্মৰ লোকে টেলিভিছনৰ অনুষ্ঠান উপভোগ কৰে। সেয়েহে কোনো এটা বিশেষ ছেনেলে এক নিৰ্দিষ্ট সময়ত পৰিৱেশন কৰা কোনো এক বিশেষ অনুষ্ঠানৰ দৰ্শকৰ সংখ্যা নিৰ্ণয় কৰাতো অসম্ভৱ নহ'লেও অতি দুৰূহ কাম।
- টেলিভিছন চলাবলৈ বিদ্যুৎ শক্তি ৰ প্ৰয়োজন। সেয়েহে অনুন্নত তথা উন্নয়নশীল দেশৰ বহুতো বাসিন্দাৰ বাবে ই এতিয়াও সুলভ মাধ্যম হৈ উঠা নাই। অৱশ্যে বেটাৰীৰ সহায়তো টেলিভিছন চলাব পৰা যায়।
- বাতৰি কাকত অথবা ৰেডিঅ'ৰ তুলনাত টেলিভিছন এটা খৰছী মাধ্যম।
- টেলিভিছনৰ অনুষ্ঠান উপভোগ কৰিবলৈ সাক্ষৰ হোৱাৰ প্ৰয়োজন নাই।
- টেলিভিছন ছেটবোৰ সাধাৰণতে যথেষ্ট গধু�ৰ। সেয়েহে ৰেডিঅ' আৰু বাতৰি-কাকতৰ দৰে ইয়াক সহজে কঢ়িয়াই ফুৰিব নোৱাৰি (not portable)।
- টেলিভিছন এটা আড়ম্বৰপূৰ্ণ মাধ্যম। দৃশ্য, ৰং, ধ্বনি আৰু গতিশীলতাই ইয়াক এটা অতি আকৰ্ষণীয় আৰু মনোৰঞ্জনকাৰী সংবাদ মাধ্যমত পৰিণত কৰিছে।
- টেলিভিছনৰ পৰ্দাত দৰ্শকক ঘটনা এটা বাস্তৱ মূহুৰ্তত ঘটি থকাৰ দৃশ্যও দেখুৱাব পৰা যায়। বাতৰি-কাকতত সংবাদ এটা পঢ়িবলৈ আমি এদিন ৰ'ব লাগে। কিন্তু টেলিভিছনৰ সংবাদ এটা লগে লগে পোনপটীয়াকৈ দেখুৱাৰ ('Live' news) সামৰ্থ আছে।
- টেলিভিছনক এটা 'লীন বেক' (Lean back) মাধ্যম বোলা হয়। কাৰণ ইয়াত আমি বাতৰি-কাকত অথবা ইণ্টাৰনেটৰ দৰে চকু ফুৰাব নোৱাৰো। টেলিভিছনৰ অনুষ্ঠান আমি গভীৰ মনোযোগ দি চাব লাগে।

- তথ্য প্ৰচাৰ কৰিবলৈ টেলিভিছন এবিধ উপযুক্ত আহিলা। কেৱল সংবাদ আৰু সাময়িক প্ৰসংগৰ অনুষ্ঠানৰ যোগেদিয়েই নহয়, অন্য বহুতো অনুষ্ঠানৰ সহায়ত আমি বিভিন্ন কথা, ব্যক্তি আৰু স্থানৰ বিষয়ে জানিব পাৰো। এনেবোৰ বিষয় টেলিভিছনে স্পৰ্শ নকৰা হ'লে হয়তো আমি কোনো দিনেই নাজানিলোহেঁতেন।
- টেলিভিছনে দৰ্শকক মনোৰঞ্জনৰ খোৰাকো যোগায়। দিনৰ কঠোৰ পৰিশ্ৰমৰ অন্তত মানুহে টেলিভিছন চাই কৰ্মজনিত অৱসাদ আঁতৰ কৰিব পাৰে।

অনুশীলনী

১। টেলিভিছনৰ সবল দিশ আৰু দুৰ্বলতা বুলি ভবা বিষয়বোৰৰ এখন তালিকা প্ৰস্তুত কৰক। আপোনাৰ বাছনিৰ সপক্ষে যুক্তি দৰ্শাওক।

২। এটা বস্তি অঞ্চল ভ্ৰমণ কৰি তাৰ কিমান মানুহে টেলিভিছন চায় আৰু কিমানজনৰ ঘৰত টেলিভিছন আছে বিচাৰি উলিয়াওক।

১২.৪ বিশ্বত টেলিভিছনৰ আৰম্ভণি

টেলিভিছন সম্প্ৰচাৰ সম্পৰ্কীয় বিভিন্ন পৰীক্ষা-নিৰীক্ষা ১৯২০ ৰ দশকত মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইউৰোপত কৰা হৈছিল। সেই সময়ত এই পৰীক্ষা-নিৰীক্ষাসমূহৰ কাৰণে এক প্ৰকাৰৰ যান্ত্ৰিক স্কেনিং ডিস্ক ব্যৱহাৰ কৰা হৈছিল। কিন্তু ইয়াৰ জৰিয়তে সকলো ছবি সঘনাই স্কেন কৰিব পৰা নগৈছিল। ১৯২৩ চনত আইক'ন'স্ক'প নামৰ ইলেকট্ৰিক টেলিভিছন টিউব আৱিস্কাৰ কৰা হয়। এই আইক'ন'স্ক'প বা পিক্সাৰ টিউবৰ সহায়ত ইলেকট্ৰনিক কেমেৰা আৰু টেলিভিছনৰ ঘৰুৱা ছেটসমূহত ছবি অহা সম্ভৱ হয়। ১৯৩০ ৰ দশকত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নেচ'নেল ব্ৰডকাষ্টিং কৰ্প'ৰেচনে নিউয়ৰ্কত এটি টেলিভিছন ষ্টেচন স্থাপন কৰে আৰু লণ্ডনত ব্ৰিটিছ ব্ৰডকাষ্টিং কৰ্প'ৰেচনে আন এটি টেলিভিছন ষ্টেচন স্থাপন কৰে। এইদৰে দৈনন্দিন টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ আৰম্ভ হয়। জাৰ্মানী আৰু ফ্ৰান্সটো ঠিক একে সময়তে টেলিভিছন ষ্টেচন স্থাপন কৰা হয়।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত পৃথিৱীত টেলিভিছনে এক বিশেষ বিকাশ লাভ কৰে। নাজীসকলৰ জাৰ্মানীত টেলিভিছনক ৰাজনৈতিক একপক্ষীয় প্ৰচাৰৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈছিল। নাজী পাৰ্টিৰ বিভিন্ন অনুষ্ঠান টেলিভিছনৰ জৰিয়তে সম্প্ৰচাৰ কৰা হৈছিল। যদিও ১৯৩৬ চনৰ বাৰ্লিন অলিম্পিকৰ সময়তে এই মাধ্যমে বিশেষ বিকাশ লাভ কৰে। ১৯৪০ ৰ দশকৰ শেষৰফালে আৰু ১৯৫০ ৰ দশকৰ প্ৰথমাৰ্ধত টেলিভিছন মূলতঃ উন্নত দেশসমূহৰ নাগৰিকসকলে লাভ কৰা এক বিশেষ মাধ্যম হিচাপেই সীমাৱদ্ধ আছিল। উদাহৰণস্বৰূপে ১৯৪৮ চনত মাৰ্কিন যক্তৰাষ্ট্ৰত ৪১ টা টেলিভিছন ষ্টেচন আছিল আৰু এই ষ্টেচনসমূহে প্ৰায় ২৩ খন

নগৰৰ আধা মিলিয়ন টেলিভিছন ছেটৰ মাজতেই সীমাৱদ্ধ আছিল। মাত্ৰ এটা দশকৰ ভিতৰত এই পৰিসংখ্যাই বিশেষ অগ্ৰগতি লাভ কৰে ৫৩৩ টা ষ্টেচন তথা ৫৫ মিলিয়ন টেলিভিছন ছেটৰ সহায়ত। কানাডা, জাপান আৰু ইউৰোপীয় দেশসমূহো এই পাৰিসাংখ্যিক উন্নতিৰ ক্ষেত্ৰত পিছপৰি থকা নাছিল।

আৰ্লি বাৰ্ড নামৰ প্ৰথমটো সংযোগকাৰী ছেটেলাইটৰ সহায়ত ১৯৬২ চনত গণসংযোগৰ ক্ষেত্ৰত এক বিশেষ যুগৰ সূচনা হয়। ইণ্টেলছেট আৰু ইণ্টাৰস্পুটনিক নামৰ পৃথিৱীৰ দহটা বৃহত্তম ছেটেলাইটৰ কাম-কাজ ক্ৰমে ১৯৬৫ আৰু ১৯৭১ চনত আৰম্ভ হয় আৰু তেতিয়াৰে পৰাই উপগ্ৰহীয় সংযোগৰ ক্ষেত্ৰত বিশেষ আলোড়নৰ সৃষ্টি হয়। বৰ্তমান পৃথিৱীৰ সকলো দেশেই আৰ্থ ষ্টেচনৰ লগত ছেটেলাইটৰ সংযোগৰ ফলত বিখ্যাত কানাডিয়ান সমাজতাত্ত্বিক মাৰ্ছেল মেকলুহানে কবৰ দৰে এখন 'গোলকীয় গাঁও'লৈ পৰিৱৰ্তিত হৈছে।


অপটিকেল ফাইবাৰ নামৰ কেবুল আৰু কম্পিউটাৰ প্ৰযুক্তিৰ জৰিয়তে ১৯৭০ৰ দশকত অতি উন্নত মানৰ ট্ৰেন্সমিছন প্ৰযুক্তি আৱিস্কাৰ কৰা হয়। জাপানত কম্পিউটাৰৰ দ্বাৰা নিয়ন্ত্ৰিত দ্বি-পাক্ষিক ভিডিঅ' তথ্য আদান-প্ৰদান কৰিব পৰা এক বিশেষ প্ৰযুক্তি আৱিস্কাৰ কৰা হয়। দৃশ্য শ্ৰব্য কেছেট, ভিডিঅ' টেপ ৰেক'ৰ্ডাৰ, ক্লজড ছাৰ্কিট টেলিভিছন, কেবুল টেলিভিছন আৰু ডাইৰেক্ট টু হোম বা ডিজিটেল ভিডিঅ' ব্ৰডকাষ্টিং আদিৰ জৰিয়তে এই বৈদ্যুতিক মাধ্যমটোৱে এক নতুন তথা অপ্ৰত্যাশিত বিকাশ লাভ কৰিবলৈ সক্ষম হয়। ডি টি এইচ আৰু ডিজিটেল সংকুচিত প্ৰযুক্তিৰ সহায়ত উন্নত ছবি আৰু শব্দ সম্প্ৰচাৰৰ জৰিয়তে এতিয়া দৰ্শকে শতাধিক চেনেল চাবলৈ সক্ষম হৈছে।

এই দ্ৰুত বিকাশে এক ভাৰসাম্যহীন পৰিস্থিতিৰো সৃষ্টি কৰিছে। পৃথিৱীৰ অনুন্নত দেশসমূহ বিশেষকৈ আফ্ৰিকা আৰু এছিয়াৰ বহু দেশতেই নিজৰ ছেটেলাইট নাই আৰু প্ৰয়োজনীয় অনুষ্ঠান প্ৰযোজনা কৰা তথা সম্প্ৰচাৰ কেন্দ্ৰ স্থাপন ও টেলিভিছন ছেট দিয়াৰ ক্ষেত্ৰতো সীমাৱদ্ধতা আছে।

আন এটি উল্লেখনীয় বিকাশ হৈছে যে টেলিভিছনক এটি উপদেশমূলক বা শিক্ষণ আহিলা হিচাপে ব্যৱহাৰ কৰা। ১৯৩২ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ আইৱা ৰাজ্যিক বিশ্ববিদ্যালয়ে প্ৰথমবাৰৰ বাবে এই মাধ্যমক এটি শিক্ষণ মাধ্যমৰূপে ব্যৱহাৰ কৰে। পিছলৈ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত এটি শিক্ষণ মাধ্যম হিচাপে ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত বিশেষ বিকাশ দেখা নাযায়। যাৰ ফলত ১৯৪৮ চনত মাত্ৰ কেইটিমান শিক্ষানুষ্ঠানেহে টেলিভিছনক এক শিক্ষণ মাধ্যম হিচাপে ব্যৱহাৰ কৰিবলৈ সক্ষম হয়। ১৯৫২ চনত টেলিভিছনক শিক্ষাৰ এক বিশেষ মাধ্যম হিচাপে উপলব্ধি কৰিব পাৰি। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ফেডাৰেল কমিউনিকেচন কমিছনে ২৪২ টা ফ্ৰিকুৱেনচি শৈক্ষিক সম্প্ৰচাৰৰ কাৰণে অবাণিজ্যিক ক্ষেত্ৰত বা মুনাফা নোহোৱাকৈও দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে।

১৯৬১ চনলৈকে শৈক্ষিক টেলিভিছনৰ বিশেষ বিকাশ হোৱা পৰিলক্ষিত হোৱা নাছিল। ১৯৬১ চনৰ ভিতৰত মাৰ্কিন যুক্তৰাষ্ট্ৰত ৫৩ টা কেন্দ্ৰই নেচনেল এৰ'গেচন নেটৱৰ্কত যোগদান

কৰে। তেওঁলোকৰ মূল উদ্দেশ আছিল বিভিন্ন অনুষ্ঠানৰ আদান-প্রদানৰ জৰিয়তে এক সমন্বয় স্থাপন কৰা। ১৯৬০ ৰ পিছত শিক্ষামূলক টেলিভিছনৰ সংখ্যা বৃদ্ধি পাবলৈ আৰম্ভ কৰে আৰু ১৯৭২ চনৰ ভিতৰত এই সংখ্যা ২৩৩ লৈ বৃদ্ধি হয়। প্রথম অৱস্থাত অহাইঅ' বিশ্ববিদ্যালয়, টেক্সাছ বিশ্ববিদ্যালয় আৰু মেৰিলেণ্ড বিশ্ববিদ্যালয়ে তেওঁলোকৰ চৌহদৰ ভিতৰৰ তথা বাহিৰৰ শিক্ষার্থীসকলৰ কাৰণে অনুষ্ঠান সম্প্রচাৰ আৰম্ভ কৰে। আন কেবাখনো বিশ্ববিদ্যালয়ে মুক্ত আৰু দূ�ৰৱর্তী শিক্ষার্থীসকলৰ কাৰণে টেলিভিছনৰ জৰিয়তে বিভিন্ন অনুষ্ঠান সম্প্রচাৰ কৰিবলৈ আৰম্ভ কৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গণ মাধ্যম হিচাপে টেলিভিছন পশ্চিমীয়া জগতত কোন দশকত আৰম্ভ হয়?

.....

প্রশ্ন নং ২ ঃ প্রথম সংযোগকাৰী উপগ্রহটোৰ নাম কি?

.....

প্রশ্ন নং ৩ ঃ 'গোলকীয় গাঁও' এই ধাৰণাটো কোনে দিছিল?

.....

১২.৫ ভাৰতত টেলিভিছনৰ বিকাশ

ভাৰতত ১৯৫৯ চনত ইউনেস্ক'ই সমর্থন আগবঢ়োৱা এটা শৈক্ষিক প্রকল্পৰ ৰূপত টেলিভিছন সেৱাৰ সূচনা হৈছিল। ১৯৬০ ৰ দশকত ই অতি মন্থৰ গতিত বিকশিত হৈছিল। ১৯৭০ -ৰ দশকৰ মাজভাগত 'ছেটেলাইট ইন্স ট্রাক্টিশ্যনেল টেলিভিছন এক্সপেৰিমেন্ট' (SITE) নামৰ প্রকল্পটোৰ কাম আৰম্ভ হোৱাৰ লগে লগে ভাৰতত টিভি দর্শকৰ সংখ্যা অভূতপূর্বভাৱে বৃদ্ধি পালে। প্রকল্পটোৰ অধীনত দেশৰ ছখন ৰাজ্যৰ ২৪০০ খন গাঁৱত টিভি অনুষ্ঠান প্রচাৰ কৰা হৈছিল। গ্রাম্য ভাৰতত বিকাশৰ বাবে শৈক্ষিক অনুষ্ঠান প্রচাৰ কৰিবলৈ আমেৰিকাৰ কৃত্রিম উপগ্রহ ATS -৬ ৰ সহায় লোৱা হৈছিল। ই ভাৰতীয় প্রযুক্তিবিদসকলকো ৰাষ্ট্রীয় কৃত্রিম উপগ্রহ উৎক্ষেপন কৰি অনুষ্ঠান নিজা ৰবীয়াকৈ প্রচাৰ কৰাৰ বাবে প্রয়োজন টেলিভিছন অনুষ্ঠান সম্প্রচাৰৰ দক্ষতা অর্জন কৰাত সহায় কৰিছিল। ৰাষ্ট্রীয় কৃত্রিম উপগ্রহ 'ইনছেট'-এ (INSAT) ইয়াৰ আঠ বছৰৰ পাছত সেৱা আগবঢ়াবলৈ লৈছিল।

১৯৬৫ চনৰ পৰা দূৰদর্শনে নিয়মীয়া সম্প্রচাৰ সেৱা আৰম্ভ কৰিছিল। তেতিয়া অৱশ্যে ই আকাশবাণীৰেই এটা অংশ হৈ আছিল। ১৯৭২ চনত মুম্বাই (তেতিয়াৰ বোম্বে) আৰু অমৃতসৰলৈ টেলিভিছন সেৱা সম্প্রসাৰিত কৰা হৈছিল। সুদীর্ঘ কাল ধৰি দূৰদর্শন দেশৰ সাতখন চহৰত টেলিভিছন সেৱা আগবঢ়োৱা একমাত্র ছেনেল আছিল। ১৯৭৬ চনত টেলিভিছন সেৱাক

ৰেডিঅ' সেৱাৰ পৰা পৃথক কৰা হয়। আকাশবাণী আৰু দূৰদৰ্শনৰ কার্যালয় দুটা নতুন দিল্লীত ভিন্ ভিন্ মহানির্দেশকৰ অধীনত পৃথক পৃথককৈ স্থাপন কৰা হয়। এনেদৰেই অৱশেষত দূৰদৰ্শনে ৰাষ্ট্ৰীয় সম্প্ৰচাৰক হিচাপে আত্মপ্ৰকাশ কৰে।

১৯৮২ চনটো দুটা ঘটনাৰ বাবে ভাৰতীয় টেলিভিছন ইতিহাসত খোদিত হৈ ৰ'ল। এটা হ'ল ৰাষ্ট্ৰীয় অনুষ্ঠানৰ সূচনা আৰু আনটো হ'ল ৰঙীন সম্প্ৰচাৰ সেৱাৰ আৰম্ভণি। ইয়াৰ লগে লগে ভাৰতীয় বজাৰত ৰঙীন টেলিভিছন ছেটৰ চাহিদা বৃদ্ধি পালে। ভাৰতীয় দর্শকে ১৯৮২ চনৰ ১৫ আগষ্টত পোন প্ৰথমবাৰৰ বাবে তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে দেশবাসীক সম্বোধি দিয়া ভাষণৰ পোনপটীয়া প্ৰচাৰ আৰু দিল্লীত অনুষ্ঠিত ১৯৮২ চনৰ এছিয়ান গে'মছৰ পোনপটীয়া বিস্তৃত প্ৰচাৰ কৰাৰ সুযোগ পালে। ১৯৮০ দশকটো দূৰদৰ্শন ধাৰাবাহিকৰ (soaps) উল্লেখনীয় যুগ বুলিব পাৰি। 'হম লোগ' (১৯৮৪), 'বুনিয়াদ' (১৯৮৬-৮৭), হাস্যৰসৰ ধাৰাবাহিক 'য়ে জো হেই জিন্দগী' (১৯৮৪) আৰু পৌৰাণিক নাট 'ৰামায়ণ' (১৯৮৭-৮৮) তথা 'মহাভাৰত' (১৯৮৮-৮৯) আদিয়ে অগণন দর্শকক দূৰদৰ্শনৰ ভক্ত কৰি তুলিছিল। সেই সময়ছোৱাৰ আন কেইটামান জনপ্ৰিয় অনুষ্ঠান হ'ল হিন্দী বোলছবিৰ গীতৰ আধাৰত প্ৰস্তুত কৰা 'চিত্ৰহাৰ', 'ৰংগোলী', অপৰাধ ৰহস্য ভৰা ধাৰাবাহিক 'কৰমচান্দ', 'ব্যোমকেশ বক্সী' আৰু 'জানকী জাছুচ।'

১৯৯১ চনত আন্তঃৰাষ্ট্ৰীয় ছেটেলাইট টেলিভিছন সেৱাই ভাৰতত পদার্পণ কৰে। বাতৰি প্ৰতিষ্ঠান CNN -এ পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় দর্শকক উপসাগৰীয় যুদ্ধৰ (Gulf War) বাতৰি চোৱাৰ সুযোগ দিয়ে। ১৯৯২ চনৰ প্ৰথমভাগত দেশৰ প্ৰায় পাঁচ লাখ ঘৰত STAR TV-ৰ সেৱা সুলভ হৈ পৰিছিল। এবছৰৰ পাছত এই সংখ্যা বাঢ়ি প্ৰায় বিশ লাখ হৈছিলগৈ। ১৯৯৪ চনৰ শেষৰফালে অনুমানিক এক কোটি বিশ লাখ ঘৰত (দেশৰ মুঠ টেলিভিছন থকা জনসংখ্যাৰ এক চতুর্থাংশতকৈ অলপ কম) ছেটেলাইট টেলিভিছন সেৱাই প্ৰৱেশ কৰিছিল। এই দর্শকৰ সংখ্যা বৃদ্ধিত অৰিহণা আগবঢ়াইছিল সমগ্ৰ দেশতে কাঠফুলাৰ দৰে ছানি ধৰা প্ৰায় ৬০ হেজাৰ কেবল আপাৰেট'ৰে।

১৯৭৬ চনত দেশত টিভি ছেটৰ সংখ্যা আছিল পাঁচ লাখ। ১৯৮৭ চনত এই সংখ্যা নৱৈ লাখ হয়গৈ। ১৯৯৪ চনৰ হিচাপ মতে দেশত টিভি ছেটৰ সংখ্যা হ'ল চাৰি কোটি সত্তৰ লাখ। প্ৰতি বছৰে প্ৰায় ষাঠি লাখ ছেট বাঢ়িব বুলি আশা কৰা হৈছিল। ২০০০ চনৰ এক সমীক্ষা মতে ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় পঞ্চাশ শতাংশই নিয়মীয়াকৈ টিভি অনুষ্ঠান উপভোগ কৰে।

শেষত ক'ব পৰা যায় যে এটাকৈ ট্ৰেন্সমিটাৰ আন্তঃগাঠনি তৈয়াৰ কৰাৰ বাবে বিনিয়োগ কৰাৰ ফলতেই ভাৰতত টেলিভিছনৰ বিকাশ সম্ভৱ হৈছে। আন্তঃগাঠনিৰ অংশ হিচাপে স্থলভিত্তিক প্ৰায় ১০০০ টা ট্ৰেন্সমিটাৰ দেশৰ বিভিন্ন স্থানত বহুৱা হৈছে। সেইবাবে চৌপাশৰ অঞ্চলবোৰলৈ ছেটেলাইট সংকেত প্ৰেৰণ হৈছে। লগতে টেলিভিছন অনুষ্ঠান কিছুমানৰ অভাৰনীয় জনপ্ৰিয়তাই অগণন দর্শকক টেলিভিছনৰ প্ৰতি আকৃষ্ট কৰি তোলাৰ ফলতেই টেলিভিছন দর্শকৰ সংখ্যা বৃদ্ধি পাইছিল। টেলিভিছন অনুষ্ঠানৰ সাফল্য 'হম লোগ' (১৯৮৪-৮৫) ধাৰাবাহিকৰ সৈতে আৰম্ভ হৈ বুনিয়াদ, ৰামায়ণ, মহাভাৰত আদিৰ যুগলৈ বিয়পি পৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ভাৰতলৈ টেলিভিছন কেতিয়া আহিছিল?

.....

প্রশ্ন নং ৫ ঃ SITE -ৰ কামত ব্যৱহাৰ কৰা আমেৰিকাৰ কৃত্রিম উপগ্রহটোৰ নাম কি?

.....

প্রশ্ন নং ৬ ঃ ১৯৬৫ চনত ..... ৰ অংশ হিচাপে দূৰদর্শনে নিয়মীয়া দৈনিক সম্প্রচাৰ সেৱা আৰম্ভ কৰিছিল।

প্রশ্ন নং ৭ ঃ ১৯৮০ ৰ দশকটো দূৰদর্শন ..... ৰ যুগ বুলি কোৱা হয়।

প্রশ্ন নং ৮ ঃ ভাৰতত প্রৱেশ কৰা প্রথম আন্তঃৰাষ্ট্রীয় ছেটেলাইট ছেনেলটোৰ নাম কি?

.....

১২.৬ দূৰদর্শন আৰু ধাৰাবাহিকৰ যুগ

'দূৰদর্শন'ৰ আক্ষৰিক ইংৰাজী অর্থটো হ'ল 'Tele-Vision'। ই হ'ল প্রচাৰ ভাৰতী অধীনস্থ ভাৰতীয় ৰাজহুৱা সম্প্রচাৰ সেৱা। প্রচাৰ ভাৰতী হ'ল ভাৰত চৰকাৰে মনোনীত কৰা ৰাজহুৱা সেৱা সম্প্রচাৰক নিগম। ষ্টুডিঅ'ৰ আন্তঃগাঁথনি আৰু ট্রেন্সমিটাৰৰ সংখ্যাৰ ফালৰ পৰা দূৰদর্শন হ'ল পৃথিৱীৰ সর্ববৃহৎ সম্প্রচাৰ প্রতিষ্ঠানবোৰৰ এটা।

বর্তমান দেশৰ ৯০ শতাংশতকৈও অধিক বাসিন্দাই দূৰদর্শনৰ (ডিডি নেশ্যনেল) অনুষ্ঠান উপভোগ কৰিব পাৰে। ইয়াৰ বাবে প্রায় ১৪০০ টা স্থলভাগত স্থাপিত ট্রেন্সমিটাৰৰ এটা বৃহৎ নেটৱর্কে কাম কৰি আছে। লগতে প্রায় ৪৬ টা দূৰদর্শন ষ্টুডিঅ'ই প্রতিদিনে ন ন টিভি কার্যসূচী প্রস্তুত কৰি আছে।

দূৰদর্শনে সর্বমুঠ ১৯ টা ছেনেলৰ যোগেদি অনুষ্ঠান সম্প্রচাৰ কৰে। ইয়াৰে দুটা হ'ল সর্বভাৰতীয় ছেনেল, ১১ টা আঞ্চলিক ভাষাৰ ছেটেলাইট ছেনেল (RLSC), চাৰিটা ৰাজ্যিক নেটৱ'র্ক (SN), এটাকে আন্তঃৰাষ্ট্রীয় তথা ক্রীড়া ছেনেল, আৰু সংসদীয় অধিৱেশনসমূহ পোনপটীয়াকৈ সম্প্রচাৰ কৰিবলৈ আন দুটা ছেনেল (DD-RS,DD-LS) আছে।

দূৰদর্শনৰ ৰাষ্ট্রীয় ছেনেলত সময় ভগাই লৈ আঞ্চলিক আৰু স্থানীয় কার্যসূচী প্রচাৰ কৰা হয়। এটা ২৪ ঘন্টা জোৱা সংবাদ ছেনেলৰ চাহিদা পূৰণ কৰিবলৈ ২০০৩ চনৰ ৩ নবেম্বৰত দূৰদর্শনে ডিডি-নিউজ ছেনেলৰ কাম আৰম্ভ কৰিছিল। ইয়াৰ ফলত ডিডি-মেট্র' নামৰ মনোৰঞ্জনমূলক ছেনেলৰ প্রচাৰ সেৱা বন্ধ কৰা হৈছিল। আঞ্চলিক ভাষাৰ ছেটেলাইট ছেনেলবোৰে দুটা কার্য সম্পাদন পদ্ধতিৰে কার্যসূচী প্রচাৰিত কৰে। ৰাজ্য এখনত থকা সকলোবোৰ স্থলভাগত স্থাপিত ট্রেন্সমিটাৰে সেই ৰাজ্যখনৰ আঞ্চলিক ভাষাৰ অনুষ্ঠানসমূহ ৰীলে' কৰে। আঞ্চলিক ভাষাৰ অন্য 'প্রাইম-টাইম আৰু 'নন-প্রাইম টাইম' অনুষ্ঠানসমূহ কেবল অপাৰেটৰৰ

সহায়তহে প্রচাৰিত কৰা হয়। স্প'টছ ছেনেলটোৱে কেৱল ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ৰ ক্রীড়া সংবাদ তথা অনুষ্ঠান প্রচাৰ কৰে। দূৰদর্শনৰ ডিডি-স্পর্টছ ছেনেলটোৱেই হ'ল এনে একমাত্র ক্রীড়া সম্প্রচাৰক ছেনেল যিটোৰ জৰিয়তে খো-খো, কাবাডীৰ দৰে গ্রাম্য ক্রীড়াসমূহো সম্প্রচাৰিত কৰা হয়। এনে খেলৰ বতৰা ব্যক্তিগত সম্প্রচাৰক ছেনেলবোৰে শুল্ক সংগ্রহ কৰিব নোৱাৰাৰ অজুহাতত প্রচাৰৰ পৰা বিৰত থাকে।

ডিডি ইণ্ডিয়াৰ কার্যসূচী ছেটেলাইটৰ সহায়ত আন্তঃৰাষ্ট্রীয়ভাৱে সম্প্রচাৰ কৰা হয়। বিশ্বৰ ১৪৬ খন দেশত এই ছেনেলটোৰ কার্যসূচী উপভোগ কৰিব পাৰি। অৱশ্যে বিদেশত এই ছেনেলটোৰ কেনে ধৰণে গ্রাহক হ'ব পাৰি সেই তথ্য সহজে পোৱা নাযায়। ইংলেণ্ডত ইউৰ'বার্ড ছেটেলাইট নামৰ কৃত্রিম উপগ্রহটোৱে স্কাই ছিষ্টেম নামৰ ব্যক্তিগত ছেটেলাইট সেৱা সম্প্রচাৰকৰ ৮৩৩ নম্বৰ ছেনেলটোৰ যোগেদি ('ৰায়ত টিভি' নামৰ প্রতীক সম্বলিত) ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্রচাৰ কৰে। ভাৰতৰ অন্য ছেনেলবোৰতকৈ ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্রচাৰ কৰে। ভাৰতৰ অন্য ছেনেলবোৰতকৈ ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্রস্তুত পদ্ধতি আৰু প্রচাৰ সময় বেলেগ।

সকলোবোৰ আঞ্চলিক দূৰদর্শন কেন্দ্রই অঞ্চল একোটাৰ দর্শকৰ চাহিদা আৰু ৰুচি অনুসৰি আঞ্চলিক ভাষাৰ অনুষ্ঠান প্রস্তুত কৰে। আঞ্চলিক ভাষাৰ ছেটেলাইট আৰু আঞ্চলিক ৰাজ্যিক নেটৱ'ক উভয়েই উন্নয়নমূলক সংবাদ, ধাৰাবাহিক, তথ্যচিত্র, সংবাদ তথা সাময়িক প্রসংগৰ অনুষ্ঠান আদি বিভিন্ন দিশ সামৰি লৈ নানা অনুষ্ঠান প্রচাৰ কৰে। স্থানীয় লোকৰ সৈতে যোগাযোগ স্থাপন কৰিব পৰাকৈ এই অনুষ্ঠান প্রচাৰ কৰে। স্থানীয় লোকৰ সৈতে যোগাযোগ স্থাপন কৰিব পৰাকৈ এই অনুষ্ঠানসমূহ স্থানীয় ভাষাত প্রস্তুত কৰা হয়। সংশ্লিষ্ট ৰাজ্য একোখনে দুই ধৰণে অনুষ্ঠান প্রচাৰ কৰে। ডিডি-নেশ্যনেলৰ অঞ্চলিক অনুষ্ঠান প্রচাৰৰ বাবে নির্দ্ধাৰিত সময়ছোৱাত প্রচাৰিত হোৱা সকলোবোৰ অনুষ্ঠান স্থলভাগত স্থাপন কৰা ট্রেন্সমিটাৰৰ মাধ্যমেৰে প্রচাৰ কৰা হয়। দ্বিতীয় ধৰণটো হ'ল সমগ্র দেশতে আঞ্চলিক ভাষাৰ ছেটেলাইট ছেনেলবোৰে ২৪ ঘন্টাই নিজ নিজ আঞ্চলিক ভাষাৰ অনুষ্ঠান কৰি থাকে।

দূৰদর্শনে উত্তৰ-পূর্বাঞ্চলত টিভি সেৱাৰ বিকাশক অগ্রাধিকাৰ দিছে। এই অঞ্চলত পাহাৰ-পর্বতৰ সংখ্যা অধিক হোৱা হেতুকে যথেষ্ট সংখ্যক ট্রেন্সমিটাৰ বহুৱাব লগীয়া হৈছে। সম্প্রতি উত্তৰ-পূর্বাঞ্চলত দূৰদর্শনৰ ১২ টা অনুষ্ঠান প্রযোজনা কেন্দ্র আৰু ১৩২ টা ট্রেন্সমিটাৰ আছে।

উত্তৰ-পূৰৰ ৰাজ্যকেইখনৰ সাংস্কৃতিক ভিন্নতালৈ লক্ষ্য ৰাখি সকলো সংস্কৃতিৰ সঠিক উপস্থাপনৰ বাবে দূৰদর্শনে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিছে। ডিডি-নর্থ ইষ্ট হ'ল উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যকেইখনৰ বাবে আৰম্ভ কৰা এটা সংঘবদ্ধ ছেটেলাইট টেলিভিছন সেৱা। ইয়াৰ জৰিয়তে অসমীয়া, ইংৰাজী আৰু অঞ্চলটোৰ অন্য ভাষা-উপভাষাৰ অনুষ্ঠান প্রচাৰ কৰা হয়। ছেনেলটোৱে মনোৰঞ্জনমূলক ধাৰাবাহিক, তথ্যসমৃদ্ধ অনুষ্ঠান, সামাজিক অনুষ্ঠান, সংবাদ, সাময়িক প্রসংগ, কলা আৰু সংস্কৃতিমূলক আদি বিষয়ৰ সান-মিহলি অনুষ্ঠান প্রচাৰ কৰে।

উত্তৰ-পূর্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰে ৰাজধানী চহৰত দূৰদর্শনে টেলিভিছন ষ্টুডিঅ' স্থাপন কৰাৰ চেষ্টা চলাইছে। সম্প্রতি মেঘালয়, মণিপুৰ, অসম, নাগালেণ্ড, মিজোৰাম, ত্রিপুৰা,

ছিকিম আৰু অৰুণাচল প্ৰদেশৰ ৰাজধানীত দূৰদৰ্শনৰ ষ্টুডিঅ' আছে। অধিক দৰ্শকক সামৰি ল'বলৈ মেঘালয়ৰ তুৰা তথা গাৰো পাহাৰত আৰু অসমৰ ডিব্ৰুগড় তথা শিলচৰত অতিৰিক্ত টিভি কেন্দ্ৰ স্থাপন কৰা হৈছে।

গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাহিৰে বাকী আটাইবোৰ কেন্দ্ৰই সপ্তাহৰ প্ৰতিটো কাৰ্য দিৱসতে ১২০ মিনিট সময়ৰ অনুষ্ঠান প্ৰস্তুত কৰে। এই অনুষ্ঠানসমূহ স্থানীয় দেৱান/উপভাষাত প্ৰস্তুত কৰা হয়। ইয়াৰ উপৰি সকলোবোৰ কেন্দ্ৰই গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰই কেন্দ্ৰীয়ভাৱে প্ৰস্তুত কৰা অনুষ্ঠানসমূহ ৰীলে' কৰে। এনে অনুষ্ঠানৰ ভিতৰত থাকে ইংৰাজী ভাষাৰ সংবাদ বুলেটিন আৰু উত্তৰ-পূৰ্বাঞ্চলৰ দৰ্শকৰ আগ্ৰহ আৰু স্বাৰ্থজড়িত বিভিন্ন অনুষ্ঠান। অঞ্চলটোৰ সকলো ৰাজধানী কেন্দ্ৰকে 'ছেটেলাইট আপ-লিংকিং' সুবিধাৰে সংলগ্ন কৰা হৈছে। এই সুবিধাটোৰ বাবে বাকী কেন্দ্ৰৰ পৰা গুৱাহাটী আৰু দিল্লী কেন্দ্ৰলৈ সংবাদ আৰু অন্য বিষয়কেন্দ্ৰিক অনুষ্ঠানৰ 'ফিডিং' প্ৰেৰণ কৰাৰ কামটো উজু হৈ পৰিছে।

উত্তৰ-পূব ভাৰতত থকা দূৰদৰ্শন কেন্দ্ৰৰ তালিকা

কেন্দ্ৰ	আৰম্ভণি	ভাষা	অনুষ্ঠান সম্প্ৰচাৰৰ সময
ইটানগৰ	০৫/০২/১৯৯৬	হিন্দী	সন্ধিযা ৬ - ৮ টা
গুৱাহাটী	২৪/০৩/১৯৮৫	অসমীয়া	সন্ধিযা ৩ - সন্ধিযা ৮ টা
ডিব্ৰুগড়	৩১/০৫/১৯৯৩	অসমীয়া	সন্ধিযা ৬ - ৮ টা
শিলচৰ	৩০/০৪/১৯৯৩	অসমীয়া,বাংলা	সন্ধিযা ৬ - ৮ টা
ইম্ফল	৩০/০৪/১৯৯৩	মণিপুৰী	সন্ধিযা ৬ - ৮ টা
শ্বিলং	৩০/০৪/১৯৯৩	খাছী, জযন্তীযা	সন্ধিযা ৬ - ৮ টা
তুৰা	৩১/০৫/১৯৯৩	গাৰো	সন্ধিযা ৬ - ৮ টা
আইজল	১২/০৬/১৯৯৫	মিজো	সন্ধিযা ৬ - ৮ টা
ক'হিমা	৩০/০৩/১৯৯৩	ইংৰাজী	সন্ধিযা ৬ - ৮ টা
গেংটক	০১/১১/২০০৪	—	—
আগৰতলা	২০/১১/১৯৯২	বাংলা, ককবৰ'ক	সন্ধিযা ৬ - ৮ টা

উৎস ঃ www.ddindia.gov.in



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ ভাৰতত ৰাজহুৱা টিভি অনুষ্ঠান সম্প্ৰচাৰকৰ নামটো কি ?

.....

প্ৰশ্ন নং ১০ ঃ কাবাডী আৰু খো-খোৰ দৰে গ্ৰাম্য ক্ৰীড়া প্ৰচাৰ কৰা একমাত্ৰ স্পৰ্টছ ছেনেলটোৰ নাম কি?

.....

প্ৰশ্ন নং ১১ ঃ ইংলেণ্ডত ..... ছেটেলাইটে স্কাই ছিষ্টেম নামৰ ব্যক্তিগত ছেটেলাইট সেৱা সম্প্ৰচাৰকৰ ৮৩৩ নম্বৰ ছেনেলটোৰ যোগেদি ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্ৰচাৰ কৰে।



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দৃশ্য-শ্ৰব্য মাধ্যম বুলিলে আমি ধ্বনি আৰু ছবি এই দুয়োটা উপাদান থকা মাধ্যমটোৰ কথা বুজোৱা হয়।
- ১৯৫৯ চনৰ ১৫ ছেপ্তেম্বৰত পৰীক্ষামূলকভাৱে ভাৰতত টেলিভিছন সেৱা আৰম্ভ কৰা হৈছিল। নতুন দিল্লীৰ আকাশবাণী ভৱনৰ চৌহদৰ ভিতৰত এটা অস্থায়ী ষ্টুডিঅ'ৰ পৰা অল ইণ্ডিয়া ৰেডিঅ'ৰ অংশ হিচাপে টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ কৰা হৈছিল।
- ১৯৭৫ চনত চৰকাৰে ছেটেলাইট ভিত্তিক টেলিভিছন সেৱাৰ সম্ভাৱনা পৰীক্ষা কৰিবলৈ (SITE) কাৰ্যসূচীৰ পাতনি মেলিছিল। ছেটেলাইট ইনষ্ট্ৰাকশ্যনেল টেলিভিছন এক্সপৰিমেন্ট' (SITE) নামৰ প্ৰকল্পটো দেশৰ আৰ্থ-সামাজিক বিকাশত ছেটেলাইট ভিত্তিক টেলিভিছন সেৱাই কেনে ভূমিকা পালন কৰিব পাৰে সেয়া পৰীক্ষা কৰি চাবলৈ তৈয়াৰ কৰা হৈছিল।
- ৯৭৬ চনত ভাৰতীয় টেলিভিছন ইতিহাসত এক উল্লেখযোগ্য ঘটনা সংযোজিত হ'ল। সেই বছৰতে দূৰদৰ্শনক আকাশবাণীৰ পৰা পৃথক কৰা হ'ল।
- ১৯৭৬ চনৰ পৰা দূৰদৰ্শনত বিজ্ঞাপন প্ৰচাৰ আৰম্ভ হয়।
- ১৯৮২ চনত ভাৰতত ৰঙীন টিভিয়ে আত্মপ্ৰকাশ কৰে।
- ১৯৮৪ চনৰ পৰা ভাৰতৰ প্ৰথমখন থলুৱাভাৱে নিৰ্মিত ধাৰাবাহিক 'হম লোগ' ৰ প্ৰচাৰ আৰম্ভ হয়।
- ১৯৯১ চনত CNN -এ উপসাগৰীয় যুদ্ধৰ (Gulf War) পোনপটীয়া প্ৰচাৰ কৰি ভাৰতত আন্তঃৰাষ্ট্ৰীয় ছেটেলাইট টেলিভিছন সেৱাৰ পাতনি মেলে।
- টেলিভিছন সংবাদ তলত উল্লেখ কৰা ধৰণৰ হ'ব পাৰে — বিদেশী আৰু ঘৰুৱা সংবাদ, মৌখিক অথবা লিখিত সংবাদ, দৃশ্য-শ্ৰব্য সংবাদ, সংযুক্ত সংবাদ, ফ্ল্যাশ্ব সংবাদ, বিস্তৃত সংবাদ, মন্তব্য সংলগ্ন অথবা ব্যক্তিগতকৃত সংবাদ, গতানুগতিক সংবাদ, ৰিপ'র্টেজ সংবাদ, আলেখ্য ৰচনা, কাহিনীৰ স্নিপেট আদি।

- টেলিভিছন সংবাদ বুলিলে অথবা 'নিউজকাষ্ট' হ'ল সাম্প্রতিক ঘটনাৱলীৰ প্ৰতিবেদন প্ৰকাশ কৰা নিয়মীয়াকৈ প্ৰচাৰিত সূচীবদ্ধ টেলিভিছন অনুষ্ঠান।
- টেলিভিছন প্ৰযোজনা এটা জটিল আৰু সময় খৰছী প্ৰক্ৰিয়া। ইয়াৰ বিভিন্ন বিভাগৰ বহুতা লোকৰ মাজত থকা সমন্বয় সাধন কৰা প্ৰয়োজন হয়। প্ৰযোজনাৰ পূৰ্বে বিস্তৃত পৰিকল্পনা কৰি ল'ব লাগে। পৰিকল্পনাবোৰক বাস্তৱ ৰূপ দিবলৈ যথেষ্ট দক্ষতা, সময় আৰু প্ৰচেষ্টাৰ প্ৰয়োজন।
- প্ৰতিটো প্ৰযোজনাৰ কালত তিনিটা পৰ্যায়ত কাম সমাধা কৰা হয়। পৰ্যায় তিনিটা হ'ল — ক) প্ৰাক- প্ৰযোজনা পৰ্যায়, খ) প্ৰযোজনা আৰু গ) প্ৰযোজনাৰ পাছৰ পৰ্যায়।



১২.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। গণ মাধ্যম আৰু সম্প্ৰচাৰ সাংবাদিকতা— ড° অংকুৰণ দত্ত; অসম প্ৰকাশন পৰিষদ

২। বিজ্ঞাপন — ড° অংকুৰণ দত্ত, ড° অনামিকা ৰায়; বীণা লাইব্ৰেৰী

ইংৰাজী গ্ৰন্থ

1. Video Production - Vasuki Belavadi; Oxford University Press
2. Indian Broadcasting - H R Luthra



১২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ১৯২০ ৰ দশকত পশ্চিমীয়া দেশসমূহত টেলিভিছন সম্প্ৰচাৰৰ পৰীক্ষা-নিৰীক্ষা আৰম্ভ হয়।

২ নং প্ৰশ্নৰ উত্তৰঃ আৰ্লি বাৰ্ড

৩ নং প্ৰশ্নৰ উত্তৰঃ কানাডিয়ান সমাজতাত্ত্বিক মাৰ্ছেল মেকলুহান

৪ নং প্ৰশ্নৰ উত্তৰঃ ১৯৫৯ চনত

৫ নং প্ৰশ্নৰ উত্তৰঃ ATS-6

৬ নং প্ৰশ্নৰ উত্তৰঃ অল ইণ্ডিয়া ৰেডিঅ'

৭ নং প্ৰশ্নৰ উত্তৰঃ ছ'প ধাৰাবাহিক

৮ নং প্ৰশ্নৰ উত্তৰঃ CNN

৯ নং প্ৰশ্নৰ উত্তৰঃ দূৰদৰ্শন

১০ নং প্ৰশ্নৰ উত্তৰঃ ডিডি-স্প'টছ

১১ নং প্ৰশ্নৰ উত্তৰঃ ইউৰ'বাৰ্ড

১২.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

১। ধাৰাবাহিক মানে কি?

২। ৰুপার্ট মার্ডক কোন?

৩। দূৰদৰ্শন মানে কি?

৪। বাণিজ্যিক অনুষ্ঠান/বিজ্ঞাপন কেতিয়াৰ পৰা দূৰদৰ্শনে আৰম্ভ কৰে?

(খ) চুটি প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব) ঃ

১। দৃশ্য-শ্ৰব্য মাধ্যমৰ প্ৰধান বৈশিষ্ট্যসমূহ বৰ্ণনা কৰি এটা বিস্তৃত টোকা প্ৰস্তুত কৰক।

২। ব্যক্তিগত ছেটেলাইট ছেনেলে দূৰদৰ্শনৰ ওপৰত কেনে প্ৰভাৱ পেলোৱা বুলি আপুনি ভাবে?

৩। ছাইট নামৰ পৰীক্ষণৰ মূল উদ্দেশ্য কি?

(গ) দীঘলীয়া প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব) ঃ

১। ভাৰতত ব্যক্তিগত ছেটেলাইট ছেনেলেৰ বিকাশ সম্পৰ্কে আলোচনা কৰক।

২। ভাৰতত টেলিভিছনৰ বিকাশৰ পৃষ্ঠপোষকতা কৰাত কি কি কাৰকে সহায় কৰিছিল?

৩। কেনেদৰে বিদেশী ছেটেলাইট ছেনেলবোৰে ভাৰতৰ প্ৰচাৰ মাধ্যম জগতখনলৈ বৈপ্লৱিক পৰিৱৰ্তন কঢ়িয়াই আনিছে?

৪। ভাৰতত টেলিভিছনৰ বিকাশ সম্পৰ্কে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৩ঃ এটা ৰেডিঅ' ষ্টেচনত সাক্ষাৎ কৰা (ব্যৱহাৰিকভিত্তিক অধ্যায়)

আকাশবাণীৰ এটা ষ্টেচন সাক্ষাৎ কৰা আৰু তলত উল্লেখ কৰক বিষয়সমূহ বিশ্লেষণ কৰক—

ক) ৰেডিঅ' ষ্টেচনটোৰ সাংগঠনিক গঠনৰ বিষয়ে বৰ্ণনা কৰক।

খ) ষ্টেচনটোৰ জৰিয়তে সম্প্রচাৰিত হোৱা বিভিন্ন কার্যসূচীসমূহ বিশেষকৈ জনসাধাৰণৰ অংশগ্রহণ আৰু তেওঁলোকে পোৱা কার্যসূচীসমূহৰ মূল্যায়ন কৰক। বিভিন্ন বাতৰিৰ অনুষ্ঠান, শিক্ষা সম্বন্ধীয় কার্যসূচী আৰু আন আন মনোৰঞ্জনধর্মী অনুষ্ঠানসমূহৰ তালিকা প্রস্তুত কৰক। প্রতিবেদনটো প্রস্তুত কৰাৰ সময়ত ৰেডিঅ' কার্যসূচীসমূহে সাধাৰণ জনতাৰ ওপৰত কেনেধৰণৰ প্রভাৱ পেলায় সেই বিষয়ে ষ্টেচন সঞ্চালক বা আন বিভাগীয় কর্তৃপক্ষৰ পৰা এটা ধাৰণা ল'বলৈ চেষ্টা কৰক।

গ) কিমান মানুহ জড়িত হৈ আছে?

ঘ) বাণীবদ্ধন কক্ষসমূহ সাক্ষাৎ কৰাৰ লগতে বাণীবদ্ধন আৰু সম্পাদনাত ব্যৱহাৰ কৰা সঁজুলিসমূহৰ এখন তালিকা প্রস্তুত কৰক।

ঙ) সমাজৰ হিতৰ বাবে ৰেডিঅ' ষ্টেচনটোৱে কিবা সজাগতামূলক অভিযান লৈছেনে?

(ওপৰত উল্লিখিত বিষয়সমূহৰ ওপৰত প্রতিবেদন প্রস্তুত কৰক। আপোনাৰ প্রতিবেদন প্রস্তুতৰ ওপৰত ভিত্তি কৰি নম্বৰ দিয়া হ'ব। শিক্ষার্থীসকলক নিজা নিজা অধ্যয়ন কেন্দ্রত প্রতিবেদনসমূহ স্নাতক দ্বিতীয় সাণ্মাষিকৰ শ্রেণীসমূহ আৰম্ভ হোৱাৰ এমাহৰ ভিতৰত জমা দিবলৈ অনুৰোধ জনোৱা হ'ল।)

*** ***** ***

অধ্যায় ১৪ ঃ চলচ্চিত্ৰ সমালোচনা (ব্যৱহাৰিক ভিত্তিক অধ্যায়)

চলচ্চিত্ৰ সমালোচনা হৈছে এখন চলচ্চিত্ৰৰ সন্দৰ্ভত নিজৰ মতামতৰ জৰিয়তে ব্যাখ্যা আগবঢ়োৱা।

যিকোনো এখন চলচ্চিত্ৰৰ সমালোচনাৰ জৰিয়তে দৰ্শক বা পাঠকক চলচ্চিত্ৰখন চোৱাত বা কিনাত সহায় কৰা হয়। সমালোচনাত চলচ্চিত্ৰখনৰ সকলো প্ৰয়োজনীয় তথা ব্যাখ্যা কৰিব লাগে, যাতে পাঠকে বা দৰ্শকে এটা উপযুক্ত সিদ্ধান্তৰ ল'ব পাৰে। গতিকে সমালোচনাত চলচ্চিত্ৰৰ কাহিনীৰ বিষয়বস্তু বা অন্যান্য বিষয়সমূহ এৰি যাব নালাগিব। এই অধ্যায়তে আপোনালোকে নিজৰ পছন্দৰ দুখন চলচ্চিত্ৰৰ সমালোচনাৰ এক প্ৰতিবেদন দাখিল কৰিব লাগিব। এই দুখন চলচ্চিত্ৰৰ ভিতৰত এখন যিকোনো ইংৰাজী ভাষাৰ চলচ্চিত্ৰ আৰু আনখন হিন্দী অথবা যিকোনো আঞ্চলিক ভাষাৰ চলচ্চিত্ৰ হ'ব লাগিব।

চলচ্চিত্ৰ সমালোনাৰ মৌলিকতা আৰু কিমান ভাল ধৰণেৰে লিখা হৈছে তাৰ ভিত্তিত নম্বৰ প্ৰদান কৰা হ'ব। শিক্ষাৰ্থীসকলক নিৰ্ধাৰণ কৰি দিয়া সময়সীমাৰ ভিতৰত অধ্যয়ন কেন্দ্ৰত প্ৰতিবেদন দাখিল কাৰিবলৈ অনুৰোধ জনোৱা হ'ল। দ্বিতীয় সাণ্মাষিকৰ বি-এম-চি প্ৰ'গ্ৰেম আৰম্ভ হোৱাৰ পৰা এমাহৰ ভিতৰত প্ৰতিবেদন জমা দিব লাগিব।

এটা ভাল চলচ্চিত্ৰ সমালোচনা লিখিবৰ বাবে তলত দিয়া পৰামৰ্শাৱলী অনুসৰণ কৰক—

১) চলচ্চিত্ৰ এখনৰ সমালোচনা কৰাৰ প্ৰথম খোজটো হৈছে চলচ্চিত্ৰখন চোৱাটো। আপোনাৰ ভাললগা এটা পৰিৱেশত চিন্তাযুক্তভাৱে চলচ্চিত্ৰখন চাবা। যদি প্ৰথমবাৰত চলচ্চিত্ৰখনৰ মূল বিষয়টো বুজি নাপায়, তেন্তে পুনৰ চাওক। এই ধৰণেৰে চলচ্চিত্ৰখনৰ সন্দৰ্ভত বিস্তৃত তথা আহৰণত আপোনাৰ সহায় হ'ব। চলচ্চিত্ৰখন চাই থকাৰ মুহূৰ্তত ইয়াৰ অভিনয়, পৰিচালনা, কাহিনীৰ ব্যাখ্যা, কষ্টিউম ডিজাইন, ছেট ডিজাইন, শব্দযন্ত্ৰী আদিৰ বিষয়ত লিখি ৰখাৰ অভ্যাস কৰিব লাগে।

২) **দৰ্শক বা পাঠক চিনাক্তকৰণ ঃ** এখন চলচ্চিত্ৰৰ সমালোচনা কৰাৰ সময়ত এই সমালোচনা কোন শ্ৰেণীৰ পাঠকে পঢ়িব সেইটো মনত ৰখা উচিত। যদি আপুনি শিশুৰ বাবে এখন চলচ্চিত্ৰৰ সমালোচনা আগবঢ়াইছে, তেন্তে এটা চলচ্চিত্ৰ ক্লাবৰ বাবে আগবঢ়োৱা সমালোচনাতকৈ ই বেলেগ হ'ব লাগিব।

৩) **পৰিচয় ঃ**

- সমালোচনাৰ আৰম্ভণিৰ ভাগত অৰ্থাৎ পৰিচয় পৰ্বত চলচ্চিত্ৰখনৰ নামটোৰ লগতে পৰিচালক আৰু প্ৰযোজকৰ কথা উল্লেখ কৰিব লাগে। উদাহৰণ স্বৰূপে কোনোৱে লিখিব পাৰে যে চলচ্চিত্ৰখনৰ পৰিচালনা/প্ৰযোজনা/অভিনয়...।
- চলচ্চিত্ৰখনৰ অভিনয় সন্দৰ্ভত কিছু লিখিব লাগে— চলচ্চিত্ৰখনৰ সম্পূৰ্ণ কাহিনীটো বৰ্ণনা কৰাতকৈ ইয়াৰ কিছুমান বিশেষ মুহূৰ্ত উল্লেখ কৰিব পাৰি, যেনে—

চলচ্চিত্রখনত মূল ভূমিকাত কোনে অভিনয় কৰিছে ইত্যাদি। লগতে অভিনেতা-অভিনেত্রীয়ে চলচ্চিত্রখনত গ্রহণ কৰা নাম আৰু তেওঁলোকৰ অভিনয়ৰ পাৰদর্শিতা সন্দর্ভতো উল্লেখ কৰিব পাৰি।

- **কেইটামান বাক্যৰ ভিতৰত চলচ্চিত্রখনৰ কাহিনীটো বর্ণনা কৰা**— চলচ্চিত্র এখনৰ সমালোচনা লিখোঁতে ইয়াৰ কাহিনী, শেষ ভাগ আদি গুৰুত্বপূর্ণ বিষয়সমূহৰ সম্পূর্ণ বিৱৰণ দিয়াতকৈ মাত্র চমু বিৱৰণ দিব লাগে। ইয়াৰ জৰিয়তে চলিচ্চত্রখন চাবলৈ বিচৰা দর্শকসকলে চলচ্চিত্রখন সন্দর্ভত এক উৎকণ্ঠাত থাকিব। উদাহৰণ হিচাপে আপুনি বাক্যটো এনেদৰেও বনাব পাৰে— 'কাহিনীটো হৈছে...'।
- **পটভূমিৰ বিষয়ে উল্লেখ**— চমু বিৱৰণীৰ উপৰিও চলচ্চিত্রখনৰ কাহিনীৰ স্থান আৰু সময়ক সামৰি পটভূমিৰ বিষয়ে উল্লেখ কৰিব লাগে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে চলচ্চিত্রখনৰ 'একশ্বন' হৈছে...' অথবা 'কাহিনীটো লোৱা হৈছে...'।
- **সংগীত**— কোনো এখন চলচ্চিত্রত সংগীতে বিশেষ স্থান দখল কৰি থাকে। বিশেষকৈ হিন্দী চলচ্চিত্রৰ ক্ষেত্রত এই কথা ক'ব পাৰি। চলচ্চিত্রখনৰ 'বেকগ্রাউণ্ড স্ক'ৰ' বা 'শব্দযন্ত্রী' সন্দর্ভত মতামত দিয়া আৰু চলচ্চিত্রখনৰ মানদণ্ডৰ ক্ষেত্রত সংগীতে কেনে প্রভাৱ পেলাছে এই সন্দর্ভত মন্তব্য দিয়া।

৪) **সমাপ্তি ঃ**

- **সামগ্রিক মন্তব্য**— বেছি সংখ্যক চলচ্চিত্র সমালোচকেই চলচ্চিত্রখন সন্দর্ভত নিজৰ মতামত প্রকাশ কৰে। সমালোচকগৰাকীয়ে চলচ্চিত্রখনৰ কোনটো দিশ ভাল পালে আৰু কোনটো দিশ বেয়া পালে সেয়া উল্লেখ কৰাটো অতি গুৰুত্বপূর্ণ। গতিকে সমালোচকগৰাকীয়ে এক নিৰপেক্ষ সমালোচনা আগবঢ়োৱা উচিত। পাঠকৰ প্রতি সমালোচকগৰাকীয়ে চলচ্চিত্রখন ভাল পোৱা বা নোপোৱাৰ সিদ্ধান্ত লোৱাৰ ক্ষমতা এৰি দিয়া উচিত। সমালোচকগৰাকীয়ে নিজৰ মতামত বিস্তৃতভাৱে ব্যাখ্যা কৰিব লাগে, যাতে পাঠকে সমালোচকৰ সমালোচনা পঢ়ি তেওঁৰ মতামতক গ্রহণ কৰিবও পাৰে অথবা নকৰবিও পাৰে। কিহৰ বাবে দর্শকে চলচ্চিত্রখন চাব লাগে অথবা পৰিত্যাগ কৰিব লাগে সেই বিষয়টো সমালোচকগৰাকীয়ে ব্যাখ্যা কৰিব লাগে।

  আপোনাৰ সমালোচনাটো এবাৰ ভালদৰে পঢ়ক আৰু পুনৰ নিৰীক্ষণ কৰক। আপুনি যে এক শুদ্ধ তথা প্রদান কৰিছে সেইটো নিশ্চিত কৰক আৰু আন উৎসৰ পৰা নকল নকৰিব।

  ইণ্টাৰনেটত প্রকাশ পোৱা সমালোচনাবোৰৰ বাবে এইটো অতি জৰুৰী। তদুপৰি ইণ্টাৰনেটত সদায় শুদ্ধ শব্দ বা বানানৰ ওপৰত গুৰুত্ব দিয়া হয়।

  তলত ১৪ আগষ্ট, ২০১৬ত দ্যা টাইমছ অব্ ইণ্ডিয়াত প্রকাশ পোৱা ৰেণুকা কাভাহাৰেৰ এক চলচ্চিত্র সমালোচনা উদাহৰণ হিচাপে দিয়া হৈছে। এই সমালোচনা

বলিউডৰ হিন্দী চলচ্চিত্ৰ 'ৰুস্তম'ৰ। য'ত অভিনয় কৰিছে— অক্ষয় কুমাৰ, ইলিআনা, ডি'ক্রুজ, অর্জুন বাজৰা আৰু এষা গুপ্তাই।

- **ৰুস্তম (নাট/অপৰাধজনিত)**

  অভিনয়ত ঃ অক্ষয় কুমাৰ, ইলিআনা ডি'ক্রুজ, অর্জুন বজৰা আৰু এষা গুপ্তা।

  পৰিচালনা ঃ টিনু সুৰেশ দেশাই।

  সময় ঃ ২ ঘণ্টা, ২৮ মিনিট।

  ভাষা ঃ হিন্দী।

➢ ভাৰতীয় নৌ সেনাৰ এজন সন্মানীয় বিষয়া ৰুস্তম পাৰৰী (অক্ষয় কুমাৰ)। যিয়েই নিজ পত্নী ছিণ্ঠিয়াৰ (ইলিআনা ডি'ক্রুজ) চহকী ব্যৱসায়ী তথা বন্ধু বিক্রমৰ (অর্জুন বাজৰা) লগত অবৈধ সম্পর্কৰ কথা ধৰা পেলাই আৰু বিক্রমক গুলিয়াই হত্যা কৰে। কামাণ্ডাৰগৰাকীয়ে লগে লগে আৰক্ষীৰ ওচৰত আত্মসমর্পণ কৰে আৰু বিক্রমক হত্যা কৰাৰ কথা স্বীকাৰ কৰে। কিন্তু আদালতত তেওঁৰ 'নির্দোষিতা'ৰ সন্দর্ভত গোচৰ চলে। তেওঁক দোষী সাব্যস্ত কৰা হ'বনে নির্দোষী গোষণা কৰা হ'ব?

যদিও শেষৰখিনি অতি প্রাণচঞ্চলভাৱে সজোৱা হৈছে, প্রকৃততে আদালতৰ ভিতৰত হোৱা এই নাটকীয় কাহিনীটো নৌ বিষয়া কে. এম. নানাবেতীৰ জীৱনৰ ওপৰত আধাৰিত এক সত্য ঘটনা। যিয়েই ১৯৫৯ চনত নিজ পত্নীৰ অবৈধ প্রেমিকক গুলিয়াই হত্যা কৰিছিল। এই গোচৰটো ভাৰতীয় আদালতৰ অন্যতম এক চাঞ্চল্যকৰ গোচৰ আছিল।

চলচ্চিত্রখন ৰুস্তমৰ চৰিত্রটোৰ পৰাই আৰম্ভ হৈছে। পৰিচালকে কোনো সময় খৰচ নকৰি পোনে পোনে মূল বিষয়টোলৈ আহিছে। তেওঁ আমাক পোনে পোনে ৰুস্তমে বিক্রমক গুলিয়াই হত্যা কৰিব লগা হোৱা বিষয়টোলৈ গৈছে, য'ৰ পৰাই আদালতৰ গোচৰ আৰম্ভণি হৈছে।

ৰুস্তম চলচ্চিত্রখনৰ মেৰুদণ্ড হৈছে অক্ষয় কুমাৰ। 'খিলাড়ী' নামেৰে পৰিচিত অভিনেতাজনে কেৰিয়াৰৰ অন্যতম এক উচ্চস্তৰৰ অভিনয়শৈলী প্রদর্শন কৰিলে আৰু সকলোকে বুজাই দিলে যে তেওঁ এতিয়াও নির্বিবাদে যিকোনো ধৰণৰ অভিনয় সাৱলীলভাৱে কৰিব পাৰে। চলচ্চিত্রখনৰ কাহিনীটো মনোমোহা নহ'লেও অতি আমোদজনক।

চলচ্চিত্রখনত আদালতত যুক্তি প্রদর্শনৰ ক্ষেত্রত কোনো ধৰণৰ মানসিক চাপ পৰাটো দেখুওৱা নাই, 'এ ফিউ গুড মেন' (১৯৯২) নামৰ চলচ্চিত্রখনৰ দৰে। কোনো কোনোৱে ভবাৰ দৰে এটা বিতর্কিত কাহিনীযুক্ত এইখন কোনো উত্তেজনাপূর্ণ কাহিনীৰ চলচ্চিত্র নহয়। ই প্রকৃততে এক ৰহস্যঘন কাহিনী আৰু এই ৰহস্য ভেদ কৰাটোৱেই চলচ্চিত্রখনত দেখুওৱা হৈছে।

টিনু সুৰেশ দেশাইৰ এই নাটকীয় পৰিচালনাৰ বাবে চলচ্চিত্ৰখনে সাফল্য অৰ্জনৰ বাবে সংগ্ৰাম কৰিব লগা হৈছে। চলচ্চিত্ৰখনত সূক্ষ্মতাৰ অভাৱ ঘটাৰ উপৰি এটা সাধাৰণ টেলিভিছন অনুষ্ঠানৰ দৰে অতি নিশকটীয়াভাৱে স্মৃতি ৰোমন্থনৰ দৃশ্য দেখুওৱা হৈছে। চলচ্চিত্ৰখন বেসুৰা নেপথ্য কণ্ঠৰে পূৰ্ণ হৈছে। তদুপৰি এক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে প্ৰতিটো চৰিত্ৰৰে 'ক্লজ আপ্ শ্বট' লোৱাটো বাধ্যতামূলক কৰা হৈছে।

ইলিআনাই ভাল অভিনয় কৰিছে যদিও এযা গুপ্তাৰ অনুপযুক্ত সাজপাৰ আৰু অতি বেছি অভিনয় কৰিবলৈ যোৱাৰ ফলত দৰ্শকৰ ওচৰত হাঁহিয়াতৰ পাত্ৰ হৈছে। অৰ্জুন বাজৰাই 'গুৰু' চলচ্চিত্ৰখনত চহকী পাৰ্টী পৰিয়ালৰ সন্তানৰ চৰিত্ৰত অভিনয় কৰাৰ দৰে এইখন চলচ্চিত্ৰত সিন্ধী সম্প্ৰদায়ৰ এজন চহকী লোক হিচাপে অভিনয় কৰিছে। চলচ্চিত্ৰখনৰ কলা নিৰ্দেশনা মধ্যমীয়া।

চলচ্চিত্ৰখনৰ বিভিন্ন অংশক বাদ দিলেও কেৱল অক্ষয় কুমাৰৰ বাবেই 'ৰুস্তম'খন চাব পাৰি। অভিনেতাগৰাকীৰ এক্শ্যন বা ধেমেলীয়া অভিনয়ে প্ৰায়ে তেওঁৰ অভিনয় দক্ষতাক ঢাকি ৰাখে। আমাৰ দেশক তি সাহস আৰু মৰ্যাদাৰে সেৱা আগবঢ়াই যোৱা সৎ বিষয়াসকলৰ কথা তেওঁ আমাক মনত পেলাই দিছে। কোনো এটা শুদ্ধ কাম ভুল পথেৰে কৰিব লগা হোৱা এজন লোকক সমৰ্থন কৰাৰ প্ৰয়োজনীয়তাৰ কথা তেওঁ আমাক ক'ব বিচাৰিছে।

*** ***** ***

অধ্যায় ১৫ ঃ ফটোগ্রাফী (ব্যৱহাৰিক ভিত্তিক অধ্যায়)

আপোনালোকৰ বহুতেই জীৱনৰ কিছু গুৰুত্বপূৰ্ণ মুহূর্ত অথবা আন গুৰুত্বপূৰ্ণ দিশ আলোকচিত্ৰৰ (ফটোগ্ৰাফ) মাজেৰে ধৰি ৰাখিছে। আপোনালোক যেতিয়া শিশু আছিল আৰু ঘৰত কোলাহল কৰিছিল, তেতিয়া আপোনাৰ দেউতা অথবা মায়ে আপোনাক প্ৰথম জন্ম দিনটো, প্ৰথম বিদ্যালয়লৈ যোৱা দিনটো অথবা বন্ধৰ দিনত পৰিয়ালসমূহ ফুৰিবলৈ যোৱা মুহূর্তবোৰ ফটোৰ মাজত আৱদ্ধ কৰি স্মৰণীয় কৰি ৰাখিব বিচাৰিছিল। এনে ধৰণে ফটো তোলা কাৰ্যই ভৱিথ্যতলৈ এই দিন বা অনুষ্ঠানসমূহ স্মৰণীয় কৰি ৰাখিব বিচৰা হয়। বৰ্তমানো যদি আপোনালোকে সেই পুৰণি ফটোসমূহ চায় তেতিয়া আপোনালোকৰ মুখত নিশ্চয় হাঁহি বিৰিঙি উঠিব।

ফটোগ্ৰাফী হৈছে এটা কলা আৰু এই কলা আমাৰ লগত বহু দিন ধৰি আছে। ফটোগ্ৰাফীৰ এই কলাৰ মাজলৈ বহু পৰিৱৰ্তন আহিছে আৰু সি এতিয়াও অব্যাহত আছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে প্ৰযুক্তিবিদ্যা আৰু উন্নত সা-সঁজুলিৰ ব্যৱহাৰৰ ফলত আমি যথেষ্ঠ উৎকৃষ্ট মানৰ ফটো লাভ কৰিবলৈ সক্ষম হৈছো।

এই অধ্যায়ত আপোনালোকে চাৰিটা বেলেগ বেলেগ পদ্ধতিৰ ফটোগ্ৰাফীৰে আপোনালোকৰ সৃজনীশীলতাৰ নিদর্শন দেখুৱাব লাগিব। এই চাৰিটা পদ্ধতি হৈছে— প'ৰট্ৰেইট ফটোগ্ৰাফী, মেক্ৰ' ফটোগ্ৰাফী নে'ছাৰ ফটোগ্ৰাফী আৰু ষ্ট্ৰিট ফটোগ্ৰাফী। এইটো মনত ৰাখিব যে আপোনালোকে এই চাৰিওটা পদ্ধতিৰ বাবে একোখনকৈ বিশেষ ফটো তুলিব লাগিব।

প'ৰট্ৰেইট ফটোগ্ৰাফীয়ে এজন মানুহৰ মুখ আৰু প্ৰকাশভংগীক গুৰুত্ব দি মানুহজনৰ বিভিন্ন অভিব্যক্তিসমূহ তুলি ধৰে। এই ফটোগ্ৰাফীৰ কাৰণে কোনোধৰণৰ বৃত্তিগত মডেলৰ প্ৰয়োজন নাই। যিকোনো লোককে এই ফটোগ্ৰাফীয়ে সামৰি লয়। বৰ্তমান পৰিয়ালকেন্দ্ৰীক প'ৰট্ৰেইট ফটোগ্ৰাফসমূহৰ গুৰুত্ব বৃদ্ধি পাইছে।

মেক্ৰ' ফটোগ্ৰাফীয়ে যিকোনো এটা ধৰি লোৱা বিষয়ৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ বিস্তৃত বিৱৰণ দাঙি ধৰে। যিবোৰ বস্তু অতি সূক্ষ্ম দৃষ্টিকোণেৰে চালেও সাধাৰণতে চকুত নপৰে তেনেবোৰ বস্তু বা বিষয় মেক্ৰ' ফটোগ্ৰাফীত সুন্দৰ লাগে।

নে'ছাৰ ফটোগ্ৰাফীত ফটোগ্ৰাফাৰজনৰ চকুত যি ধৰণেৰে প্ৰাকৃতিক দৃশ্যসমূহ দেখা যায় সেয়া প্ৰতিফলিত হয়। নে'ছাৰ ফটোগ্ৰাফীয়ে লেণ্ডস্কেপ, ছিস্কেপ, ক্লাউডস্কেপ, আণ্ডাৰ ৱাটাৰ আৰু ৱাইল্ডলাইফ ফটোগ্ৰাফীক সামৰি লয়।

ষ্ট্ৰিট ফটোগ্ৰাফীয়ে মানুহৰ ৰাজহুৱা স্থানত কিছু ব্যস্ততাপূৰ্ণ মুহূর্তৰ, যেনে— পথ, পার্ক, সাগৰৰ পাৰ, মল আতি থকা সময়ৰ বিভিন্ন মুহূর্ত ফটোৰ মাজেৰে আবদ্ধ কৰে। এনে ধৰণৰ ফটোগ্ৰাফীয়ে বহুখিনি বৈপৰীতা প্ৰকাশ কৰে। ইয়াৰ মূল বিষয়ৰ পৰা ফালৰি কাটিও যায়। মানুহৰ কিছুমান অকলশৰীয়া মুহূর্ত ধৰি ৰাখো। বিভিন্ন নির্ণায়ক বা মর্মন্তুদ মুহূর্তও ধৰি ৰাখিব পাৰে।

শিক্ষার্থীসকলক অনুৰোধ জনোৱা হ'ল যে, প্ৰয়োজনীয় ফটোগ্ৰাফসমূহ ছপা কৰি (ৰঙীন) নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত অধ্যয়ন কেন্দ্ৰত প্ৰতিবেদনসমূহ জমা দিব লাগিব। বিশেষকৈ দ্বিতীয় সাণ্মাষিকৰ বি-এম-চি প্ৰ'গ্ৰেমৰ তাৰিখ নিৰ্ধাৰণৰ এক মাহৰ ভিতৰত এইসমূহ জমা দিব লাগিব।

চূড়ান্ত কৰা ফটোগ্ৰাফসমূহ ফটো পেপাৰত প্ৰিণ্ট কৰাৰ সময়ত তলত দিয়া কথাসমূহ মনত ৰাখিব—

ক) চাৰিওখন ফটোতে এক নিৰ্দিষ্ট কেপশ্বন দিব লাগিব।

খ) ফটোগ্ৰাফসমূহে কি দাঙি ধৰিব বিচাৰিছে চমুকৈ ব্যাখ্যা দিব লাগিব।

গ) ফটো তোলোতে কি কেমেৰা ব্যৱহাৰ কৰা হৈছিল উল্লেখ থাকিব লাগিব।

ফটোসমূহৰ গুৰুত্ব আৰু স্পষ্টতাৰ ওপৰত ভিত্তি কৰি নম্বৰ দিয়া হ'ব।

*** ***** ***



প্ৰসঙ্গ পুথি

ইংৰাজী গ্ৰন্থঃ

১। A Manual For Broadcasters, By Robert Mc Leish, Focal Press, Linacre House, Jordan Hill, Burlington M A 01803, USA

২। Davenport, Alma (1991) The History of Photography. Boston : Focal Press

৩। Gernsheim, Helmut (1986) A Concise History of Photography. New York : Dover Publications

৪। Indian Broadcasting - H R Luthra

৫। Kumar, Keval J. (2007), Mass Communication in India, Mumbai : Jaico Publishing House.

৬। Mahurat, Edited by Ankuran Dutta, Cotton College

৭। Pavarala, Vinod, Malik, Kanchan K. (2007), Other Voices, The struggle for Community Radio in India, New Delhi :Sage Publications India Pvt. Ltd.

৮। Rosenblum, Naomi (2007) A World History of Photography. Abbeville Press Publishers.

৯। Radios programme production - a manual for Training, By Richard Aspinall, Published by UNESCO, Paris, 197

১০। The Cinemas of India, By Yves Thoraval

১১। The Oxford Guide to Film Studies, By John Hill and Pamela Church Gibson

১২। Video Production - Vasuki Belavadi; Oxford University Press

অসমীয়া গ্ৰন্থঃ

১। গণমাধ্যম আৰু সম্প্ৰচাৰ সাংবাদিকতা— ড° অংকুৰণ দত্ত; অসম প্ৰকাশন পৰিষদ।

২। অসমীয়া চলচিত্ৰঃ ১৯৩৫-১৯৯৬— অৰুণলোচন দাস; শিশু-শশী প্ৰকাশন।

৩। টুনেণ্টি ফ'ৰ ফ্ৰেমছ— উৎপল দত্ত; ষ্টুডেণ্টছ ষ্ট'ৰ্ছ।

৪। বিজ্ঞাপন — ড° অংকুৰণ দত্ত, ড° অনামিকা ৰায়; বীণা লাইব্ৰেৰীত) অগ্ৰৱাল, ৰিৰ বালা, ডি. এছ. গুপ্তা (২০০২), *হেণ্ডবুক অব্ জার্ণেলিজম এণ্ড মাছ কমিউনিকেশ্যন*, নতুন দিল্লী ঃ কন্‌চেপ্ট পাব্লিচিং কোম্পানী।

৫। কুমাৰ, কেভাল জে. (২০০৬), *মাছ কমিউনিকেশ্যন ইন ইণ্ডিয়া*, মুম্বাই ঃ জাইকো পাব্লিচিং হাউছ।

৬। কলিতা, সমিন (২০১২), *উত্তৰ-পূৰ্বাঞ্চলৰ দুশগৰাকী জ্যেষ্ঠ সাংবাদিক*, পাণবজাৰ ঃ চন্দ্ৰ প্ৰকাশ।